

যুগবাৰ্তাৰ সমূহ পঢ়ুৱৈলৈ ৰঙালী বিহুৰ শুভকামনা জ্ঞাপন কৰিলোঁ।


বিশ্বমুখী

# যুগবাৰ্তা

বাৰ্তালোচনী

RNI No: ASSASS01376

❑ BISHWAMUKHI JUGABARTA ❑ 3RD YEAR ❑ 2ND ISSUE ❑ SATURDAY ❑ 6TH APRIL, 2019.

তৃতীয় বৰ্ষ ❍ দ্বিতীয় সংখ্যা ❍ শনিবাৰ ❍ ২২ চ'ত ❍ ১৯৪০ শক ❍ চিনামৰা, যোৰহাট ❍ অৰিহণা ঃ ১০ টকা


## বিশ্ব সন্ত্ৰাসবাদৰ ৰাজকীয় আতিথ্যঃ চীন চৰকাৰৰ স্পৰ্ধা



❑ পদ্মেশ্বৰ কাটনী

খ্ৰীষ্টপূৰ্ব প্ৰথম শতিকাৰ নে এঘাৰ শতিকাতে সন্ত্ৰাসবাদৰ জন্ম হৈছিল, তাৰ বিতৰ্ক আজিও মাৰ যোৱা নাই যদিও ১৯ শতিকাত জন্ম হোৱা ফেনিয়ান ব্ৰাদাৰহুড (Fenian Brotherhood) হামাচকে ধৰি বিশ্বত্ৰাসী অলকাইডা লৈকে উগ্ৰবাদৰ এক ৰক্তক্ষয়ী ইতিহাস আছে।

১৮ শতিকাৰ ফৰাছী বিপ্লৱৰ সময়ত সন্ত্ৰাসবাদ (Terrorism) ধাৰণাৰ সৃষ্টিৰ পৰা ২০০১ চনত আল কাইডাৰ দ্বাৰা নিউইয়ৰ্ক চহৰৰ বিশ্ব বাণিজ্য কেন্দ্ৰ আক্ৰমণ আৰু বৰ্তমানো উগ্ৰ ধৰ্মীয় ভাৱাবেগেৰে পৰিচালিত আইচিচ (ISIS)ৰ দ্বাৰা সন্ত্ৰাসবাদী

২ পৃষ্ঠাত...

## মুখ্য উপদেষ্টাৰ কলম

### সাম্প্ৰতিক শিক্ষা ব্যৱস্থাই ৰবট সদৃশ ছাত্ৰ-ছাত্ৰী সৃষ্টি কৰিছে নেকি?

❑ আনন্দ শইকীয়া



ভাৰতবৰ্ষত বিশ্বায়ন ব্যৱস্থা প্ৰৱৰ্তন হোৱাৰ লগে লগে সমাজখন যে দ্ৰুত গতিত পৰিৱৰ্তন হৈছে ই সৰ্বজন বিদিত। বিশ্বায়নে সৃষ্টি কৰিলে ভোগসৰ্বস্ব সমাজ। ভোগসৰ্বস্ব সমাজৰ ফলত শিক্ষা ব্যৱস্থাত আহি পৰিল তীব্ৰ প্ৰতিযোগিতা। প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকল টিকি থাকিব নোৱাৰিলে ভৱিষ্যতে তেওঁলোক টিকি থকাই কঠিন হ'ব। এনে এটা ধাৰণা আমাৰ সমাজত গভীৰ ভাবে স্থিতি লাভ কৰিছে। এনে ধাৰণাই যে আমাৰ সমাজখনক ভৱিষ্যতে অন্ধকাৰচ্ছন্ন কৰিব সেই বিষয়ে বহল ব্যাখ্যাৰ নিষ্প্ৰয়োজন। আমাৰ এই লেখাত অতীতৰ শিক্ষা ব্যৱস্থা আৰু বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ সম্পৰ্কত চমুকৈ আলোকপাত কৰিবলৈ প্ৰয়াস কৰিছোঁ।

ছাত্ৰ সমাজৰ বাবে মুকলি ভাবে চিন্তা-চৰ্চা কৰিব পৰা পৰিৱেশ এটা অতিকে ১৭ পৃষ্ঠাত...

## চি বি চি এছৰ প্ৰৱৰ্তন আৰু ইয়াৰ প্ৰত্যাহ্বান

❑ ৰঞ্জু কুমাৰ ভৰালী

শিক্ষাই ৰাষ্ট্ৰ নিৰ্মাণত গুৰু ভূমিকা পালন কৰা শিক্ষাৰ সকলো স্তৰৰ ভিতৰত উচ্চ শিক্ষাকে এখন ৰাষ্ট্ৰৰ প্ৰধান আধাৰ হিচাপে গণ্য কৰা হয়। শিক্ষাৰ ক্ষেত্ৰত সকলো ধৰণৰ উদ্ভাৱন উচ্চ শিক্ষাৰ চৌহদতে হয়। বৰ্তমান সময়ত গৱেষণা আৰু উদ্ভাৱনমূলক কাৰ্যৰে উচ্চ শিক্ষাত যথেষ্ট গুৰুত্ব লাভ কৰিছে। সেইকাৰণে উচ্চ শিক্ষা ব্যৱস্থাৰ প্ৰয়োজনীয় সংস্কাৰ সাধন কৰাতো নিতান্তই প্ৰয়োজন। ভাৰতবৰ্ষত উচ্চ শিক্ষা প্ৰধানকৈ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ জৰিয়তে প্ৰদান কৰা হয়। উচ্চ শিক্ষাক অধিক সময়োপযোগী কৰি তুলিবলৈ অধিকাংশ মহাবিদ্যালয়ে আৰু বিশ্ববিদ্যালয়ে ষান্মাসিকৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছে। অৱশ্যে, ভাৰতবৰ্ষৰ বৰ্তমানৰ উচ্চ শিক্ষাৰ ব্যৱস্থাই এনে স্নাতক সৃষ্টি কৰিছে যাৰ ক্ষেত্ৰত শৈক্ষিক দক্ষতাৰ, মূল্যবোধ আৰু আত্মবিশ্বাসৰ অভাৱ পৰিলক্ষিত হয়। ফলস্বৰূপে অধিকাংশ উচ্চশিক্ষিত যুৱক যুৱতীসকলে গোলকীয় পৰিৱেশত প্ৰতিযোগিতাত তিষ্ঠি থাকিব নোৱাৰে। এনে কাৰণত ভাৰতৰ উচ্চ শিক্ষা ব্যৱস্থাৰ প্ৰয়োজনীয় সংস্কাৰ সাধন কৰাটো প্ৰয়োজন হৈ পৰিছে। ২ পৃষ্ঠাত...

## ন-পুৰণি বিহুনাম

❑ প্ৰস্তুতি প্ৰিয়া কাকতি, চয়নিকা বৰুৱা



দেউতাৰ পদূলিত গোন্ধাইছে মাধুৰী
কেতেকী মলেমলাই ঐ গোবিন্দাই ৰাম।

স্বৰ্গদেউ ওলালে বৰচ'ৰাৰ মুখলৈ
দুলীয়াই পাতিলে দোলা,
কাণত জিলিকিলে মকৰে কুণ্ডলে
গাত গোমচেঙৰ চোলা।

চাগ চেলাবৰে ডবুৱা কটাৰী
পহু চেলাবৰ মিট,
গাঁৱৰ বুঢ়া-মেথা দায় নধৰিবা
গাই যাওঁ বতৰৰ গীত।

চ'তে গই গই বহাগে পালেহি
ফুলিলে ভেবেলি লতা,
কৈনো কৈ থাকিলে ওৰকে নপৰে
ৰঙালী বিহুৰে কথা। ৭ পৃষ্ঠাত...

## বিগত সময়চোৱাৰ কেতবোৰ উল্লেখযোগ্য বাৰ্তা

❑ অভিষেক হাজৰিকা

ৰাজ্যিক খবৰ

**ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকা**

ইংৰাজী নৱবৰ্ষৰ আৰম্ভণিতে সমগ্ৰ অসমবাসীলৈ সুখবৰ ঢৌ কঢ়িয়াই আনি সকলোকে গৌৰৱান্বিত কৰি তুলিলে এটি খবৰে। মৰণোত্তৰভাৱে সংগীতসূৰ্য্য ডঃ ভূপেন হাজৰিকালৈ আগবঢ়োৱা হ'ল দেশৰ অসামৰিক সন্মান "ভাৰত ৰত্ন"।



**লোকশিল্পী ভূবন চন্দ্ৰ ৰায়লৈ বকুলবন বঁটা**

অসমৰ এগৰাকী ওজা লোকশিল্পী, অসমৰ জাতীয় জীৱন সমৃদ্ধ কৰা কোচ ৰাজবংশীসকলৰ আপুৰুগীয়া ১৫পৃষ্ঠাত...

## অসমৰ জনপ্ৰিয় লোকবাদ্য 'ঢোল'ৰ অতীত আৰু বৰ্তমান

❑ ডঃ বৰ্ণালী বৰঠাকুৰ

লোকসংস্কৃতি লোকজীৱনৰ দলিল স্বৰূপ। কোনো এক বিশেষ জাতিগোষ্ঠীৰ চিন্তা-চৰ্চা, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বন, নৃত্য-গীত-বাদ্য আদি চিন্তাৰ স্বতঃস্ফুৰ্ত প্ৰকাশকেই লোকসংস্কৃতি বোলা হয়। ৰিচাৰ্ড এম ডৰচনে ভাগ কৰা



লোকসংস্কৃতিৰ চাৰিটা ভাগৰ চতুৰ্থ স্তম্ভটো হৈছে লোক পৰিৱেশ্য কলা। লোক পৰিৱেশ্য কলা, লোক নাট্য, লোক নৃত্য আৰু লোকসংগীতৰ অন্তৰ্গত। অৱশ্যে নৃত্যৰ লগত গীত বাদ্য আৰু অভিনয়ো জড়িত। লোক-সংগীতৰ পৰিধি ভিতৰত আছে- লোকগীত, লোকবাদ্য আৰু লোকনৃত্য। ৭ পৃষ্ঠাত...

১ পৃষ্ঠাৰ পৰা

## বিশ্ব সন্ত্ৰাসবাদৰ ৰাজকীয় আতিথ্য . . .

ধাৰণাই মধ্যযুগীয় বৰ্বৰতাক চেৰাই যোৱা অৱস্থাকো সন্ত্ৰাসবাদৰ নামান্তৰ বুলি গণ্য কৰা দেশ বা মানুহৰ সংখ্যা আঙুলিৰ মূৰত গণিব পৰা নহয়।

ভাৰতৰ সীমান্ত অঞ্চলৰ এক বৃহৎ অংশ স্পৰ্শ কৰি থকা পাকিস্তান আৰু চীনে দুয়োখন দেশেই এতিয়া উন্মত্ত ৰূপ লৈছে। বিশেষকৈ কাশ্মীৰৰ পুলুৱামাত সন্ত্ৰাসবাদী আক্ৰমণৰ বাবে বিশ্ব সম্প্ৰদায়ৰো গৰিহণা খোৱা আৰু তেনে সন্ত্ৰাসবাদক মুক্তভাৱে পোহপাল দিয়া পাকিস্তান চৰকাৰে বন্ধুৰাষ্ট্ৰ চীনৰ যোগেদি কূটনৈতিক যুদ্ধত অৱতীৰ্ণ হোৱাটো চুবুৰীয়া নীতিৰ পৰিপন্থীয়েই নহয় মানবীয় দূৰদৃষ্টিসম্পন্নতাৰো অভাৱ বুলি কবই লাগিব। আমাৰ আলোচনাত সামৰিব খোজা কথাটো হ'ল ৰাষ্ট্ৰসংঘৰ মজিয়াত পুলুৱামা নাৰকীয় কাণ্ডৰ মূল অভিযুক্ত জইছ ই মহম্মদৰ মুৰব্বী আজহাৰ মাছুদক আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী ঘোষণাত চীনৰ ভে'ট' ক্ষমতা প্ৰয়োগৰ বিষয়ে। অতি সাম্যবাদী বুলি খ্যাত দেশ এখনৰ চুবুৰীয়া ৰাষ্ট্ৰৰ প্ৰতি এনে আচৰণে চীনৰ পূৰ্বৰ সকলো বিশ্বাসী আচৰণত আঁচোৰ যেপেলালে ই ধুৰুপ। অমানবীয় দৃষ্টিভংগীক সমৰ্থনকাৰী সন্ত্ৰাসবাদী এটাকৈ এখন অৰ্থনৈতিক ভাৱে সৱল বিশ্বৰ আগত চিনাকি থকা খ্যাতিমান ৰাষ্ট্ৰ চীনে যে সমৰ্থন জনাব পাৰে সেইয়া ভাবিব নোৱাৰা কথা। তদুপৰি পাকিস্তানৰ দৰে ৰাষ্ট্ৰ এখনত নিজৰ বজাৰ পোহাৰ মেলাৰ অন্তৰায় সৃষ্টিৰ আশাংকাতেই এনেদৰে বিশ্বসম্প্ৰদায়ৰ আগত নিজৰ অন্তঃসাৰশূন্যতা জাহিৰ কৰিব বুলি ভাৱিবলৈ টান লাগে। পাকিস্তানৰ 'থিংক টেংক' বৈঠকত দেশখনৰ চৰকাৰী পক্ষৰ সাংসদ হাম মুছাহিদ হুছেইন ছায়েদে মুকলিকৈ ঘোষণাই কৰিছে যে ১৪ ফেব্ৰুৱাৰীৰ পুলুৱামা আক্ৰমণটো পাকিস্তানৰ বাবে আটাইতকৈ সুখৰ দিন বুলি। গতিকে সততে অৰুণাচল আৰু চিকিমৰ ওপৰত নজৰ ৰখা চীনে চল চায় ভাৰতক বস কৰাৰ বাবেই হওক বা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত বিশেষকৈ ৰাষ্ট্ৰসংঘত ভাৰতৰ ওজন (Weight) কমাবলৈকে হওঁক মাছুদ আজহাৰৰ দৰে সন্ত্ৰাসবাদীক আৰু তেওঁৰ দলক ৰাষ্ট্ৰসংঘৰ মজিয়াত গোলকীয় সন্ত্ৰাসবাদী অভিধাৰে বেক্ল লিষ্টেড কৰাৰ বিৰোধিতা কৰিলে। চীনৰ এই কূটনীতিৰ আঁৰত আন এক চাতুৰ্য্য লুকাই আছে যিটো হ'ল জম্মু কাশ্মীৰৰ ওপৰলৈ (সীমান্তত) থকা আকাশী চীনক নিজৰ অধীনলৈ নিয়া যিটো অঞ্চল তিব্বতৰ সম্পূৰ্ণ পশ্চিমাংশত থকা ভাৰত চীনৰ সীমান্তৱৰ্তী অঞ্চল। ১৯৬২ চনত ভাৰত আৰু চীনৰ মাজত আকাশী চীনক লৈ চমু যুদ্ধ হৈছিল যদিও ১৯৯৩ আৰু ১৯৯৬ দুয়োখন দেশৰ চৰকাৰে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা (Line of actual control) মানিবলৈ চুক্তিত স্বাক্ষৰ কৰিছিল।

অন্য অৰ্থত চীনে পাকিস্তানক ভাৰতৰ বিৰুদ্ধে উচতাই থকা নীতিৰে দুয়োখন দেশৰ মাজত সংঘাত বৰ্তাই ৰখাৰো সকলো ব্যৱস্থাই পুৱামাত্ৰাই গ্ৰহণ কৰিছে। নিৰাপত্তা পৰিষদত চীনে লোৱা পদক্ষেপক অৰ্থাৎ ভেট প্ৰয়োজক New York Times কাকতে তীব্ৰ সমালোচনা কৰি কৈছে যে ইছলামাবাদৰ লগত চীনৰ সকলো ক্ষেত্ৰৰ বন্ধুত্ব অশোভনীয়। চীনে ইছলামীয় জেহাদীক সুৰক্ষা দিবলৈ গৈ কাশ্মীৰৰ মুত সকলৰ প্ৰতি অন্যায় কৰিছে বুলি Wall street Journalত প্ৰকাশ পাইছে।

অৱশ্যে চীনে ভেটো প্ৰয়োগেৰে বাধা দিলেও আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰখনত ভাৰতৰ সফলতা ৰাষ্ট্ৰসংঘৰ প্ৰস্তাৱেই প্ৰমাণ কৰে। চীনেও এটা জিঘাংসু সন্ত্ৰাসবাদী সংগঠনৰ সমৰ্থক ত্ৰাণকৰ্তা ৰূপত অৱতীৰ্ণ হোৱাটোও সমানেই চকু পৰিছে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ।

১ পৃষ্ঠাৰ পৰা

## চি বি চি এছ ৰ প্ৰৱৰ্তন আৰু ইয়াৰ প্ৰত্যাহ্বান. .

অধিকাংশ ভাৰতীয় বিশ্ববিদ্যালয় মহাবিদ্যালয় সমূহে পৰীক্ষা নম্বৰ ভিত্তিক শিক্ষাব্যৱস্থাহে অনুসৰণ কৰি আহিছে য'ত ছাত্ৰ-ছাত্ৰীৰ মানদণ্ডৰ জোখাৰ একমাত্ৰ মাপকাঠি হ'ল পৰীক্ষাত পোৱা নম্বৰ। এনে শিক্ষাব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসমূহক নিজৰ পছন্দৰ বিষয় নিৰ্বাচন কৰি নিজৰ শৈক্ষিক উত্তৰণ ঘটোৱাত আৰু তেওঁলোকৰ শৈক্ষিক গতিশীলতা প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে। সেইকাৰণে এনে এক নমনীয় শিক্ষা ব্যৱস্থাৰ প্ৰয়োজন আহি পৰিছে য'ত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পছন্দ অনুসৰি বিভিন্ন বৃত্তিগত আৰু অবৃত্তিগত বিষয় নিৰ্বাচন কৰি অধ্যয়ন কৰিব পাৰে। সেইকাৰণে সমগ্ৰ ভাৰতবৰ্ষত সকলো বিশ্ববিদ্যালয়ে আৰু মহাবিদ্যালয় সমূহক একেধৰণৰ শৈক্ষিক মানদণ্ড আৰু মূল্যায়ণৰ অধীনলৈ আনিলে বিশ্ববিদ্যালয় অনুদান আয়োগে ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ পৰিসৰ অনুসৰি দেশৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষা ব্যৱস্থাত পছন্দ ভিত্তিক মানদণ্ড ব্যৱস্থা (চি বি চি এছ) প্ৰৱৰ্তন কৰে। নিৰ্বাচন ভিত্তিক মানদণ্ড ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলক নিৰ্ধাৰণ কৰি থোৱা মূল বিষয়, ঐচ্ছিক বিষয়, দক্ষতা ভিত্তিক বিষয়সমূহৰ মাজৰ পৰা নিজৰ পছন্দৰ বিষয় নিৰ্বাচন কৰাত সহায় কৰে।

প্ৰচলিত পৰম্পৰাগত শিক্ষা ব্যৱস্থাটো যথেষ্ট শিক্ষককেন্দ্ৰিক কিন্তু পছন্দ ভিত্তিক মানদণ্ড ব্যৱস্থা হ'ল এক বিদ্যাৰ্থী কেন্দ্ৰিক শিক্ষা ব্যৱস্থা। চি বি চি এছ প্ৰৱৰ্তন আগত ভাৰতৰ উচ্চ শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰী সকলক নিয়োগৰ বাবে প্ৰয়োজনীয় দক্ষতা সমূহ প্ৰদান কৰিবলৈ সক্ষম হোৱা নাছিল। চি বি চি এছ ব্যৱস্থাই স্নাতক আৰু স্নাতকোত্তৰ শিক্ষা ব্যৱস্থাত বহুমুখী পাঠ্যক্ৰম (Multi Disciplinary) প্ৰৱৰ্তনৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক এটা অনুষ্ঠানত যথেষ্ট শৈক্ষিক গতিশীলতা প্ৰদান কৰা বিশ্ববিদ্যালয় অনুদান আয়োগৰ মতে এই ব্যৱস্থাৰ অধীনত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পছন্দৰ মতে বিষয় নিৰ্বাচন কৰিব পাৰিব। নিজৰ গতিত অধ্যয়ন কৰিব পাৰিব আৰু অতিৰিক্ত বিষয়ে অধ্যয়ন কৰি অধিক মান আহৰণ কৰিব পাৰিব।

চি বি চি এছ হ'ল সকলো কেন্দ্ৰীয় ৰাজ্যিক আৰু অন্যান্য স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ বাবে এক নমনীয় ছাত্ৰ-ছাত্ৰীক কেন্দ্ৰিক শৈক্ষিক ব্যৱস্থা। এই ব্যৱস্থাত প্ৰতিটো ষান্মাসিকত ছাত্ৰ-ছাত্ৰী মূল্যায়ণ কৰা হয়। প্ৰতিটো ষান্মাসিকত ১৫-১৮ সপ্তাহৰ শৈক্ষিক কাৰ্যসূচী থাকিব। যিটো প্ৰায় ৯০ টা শৈক্ষিক দিনৰ সমান প্ৰতিটো বিষয়ৰ বাবে মান (Credit) নিৰ্ধাৰণ কৰা আছে যিটো তলত দিয়া ধৰণে নিৰ্ণয় কৰা হয়।

এটা বক্তৃতা প্ৰতি সপ্তাহত = ১ ঘণ্টা সময় প্ৰতি সপ্তাহ = ১ মানদণ্ড Credit

২ Tutorial প্ৰতি সপ্তাহ =২ ঘণ্টা সময় প্ৰতি সপ্তাহ = ১ মানদণ্ড Credit

১ প্ৰায়োগিক শ্ৰেণী প্ৰতি সপ্তাহ = ২ ঘণ্টা সময় প্ৰতি সপ্তাহ = ১ মানদণ্ড (Credit)

CBCS ব্যৱস্থাই মান স্থানান্তৰ সুবিধাও প্ৰদান কৰিছে। এই ব্যৱস্থাই এজন ছাত্ৰই এটা অনুষ্ঠানৰ পৰা আহৰণ কৰা মান অন্য এটা অনুষ্ঠানলৈ স্থানান্তৰ কৰিব লাগে। মান স্থানান্তৰ জৰিয়তে CBCS ব্যৱস্থাই এজন ছাত্ৰক এটা শিক্ষা অনুষ্ঠানৰ পৰা পৃথিৱীৰ যিকোনো অনুষ্ঠানলৈ গতি কৰাৰ সুবিধা প্ৰদান কৰিছে। তদুপৰি এই ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মীয়া মূল্যায়ণৰ ব্যৱস্থা আছে। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ মূল্যায়ণ নিজে কৰাৰ সুবিধাও আছে। এই ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীসকলৰ চূড়ান্ত ব্যৱস্থা সমূহ Cummulative Grade Point Average মাধ্যমেৰে প্ৰকাশ কৰা হয়।

ভাৰতবৰ্ষৰ অন্য বিশ্ববিদ্যালয়ৰ লগত খাপ খুৱাকৈ শৈক্ষিক মানদণ্ডৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয় ইতিমধ্যে স্নাতকোত্তৰ শিক্ষাত পছন্দ ভিত্তিক মানদণ্ডৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছে আৰু অনাগত দিনত স্নাতক শিক্ষাৰ ক্ষেত্ৰতো এই ব্যৱস্থা প্ৰৱৰ্তনৰ পৰিকল্পনা কৰিছে। কিন্তু, বৰ্তমান সময়ত বিশেষকৈ অসমত এই ব্যৱস্থা প্ৰৱৰ্তনৰ ক্ষেত্ৰত যথেষ্ট প্ৰত্যাহ্বান আছে। অসমত বিশেষকৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত স্নাতক শ্ৰেণীত এতিয়াই এই ব্যৱস্থা প্ৰৱৰ্তন কৰাটো যথেষ্ট সোনকাল হ'ব। প্ৰয়োজনীয় আন্তঃগাঁঠনিৰ অভাৱ আৰু ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰীৰ মাজত সজাগতাৰ অভাৱৰ বাবে প্ৰায়োগিক ক্ষেত্ৰত এই ব্যৱস্থাৰ প্ৰৱৰ্তনে সমস্যাৰ সৃষ্টি কৰিব পাৰে। অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে বিশেষকৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসমূহে এই ব্যৱস্থাটো যথেষ্ট জটিল পাব। কাৰণ, তেওঁলোক ঐচ্ছিক আৰু মূল বিষয় সমূহৰ মাজত পাৰ্থক্য কৰাটোৱে যথেষ্ট কঠিন হ'ব। শৈক্ষিক জটিলতাই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসমূহক মহাবিদ্যালয় এৰি যোৱাৰ প্ৰৱণতা বৃদ্ধি কৰিব। যিটো ইতিমধ্যে যথেষ্ট বেছি। এই নতুন ব্যৱস্থাত শিক্ষকসকলৰ কামৰ বোজা বাঢ়িব কাৰণ, শিক্ষক সকলে অধিকাংশ সময় ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ণ আৰু পৰীক্ষা অনুষ্ঠিত কৰাতে অতিবাহিত কৰিব লাগিব। ফলস্বৰূপে, শিক্ষক সকলৰ গৱেষণামূলক কাৰ্য আৰু উদ্ভাৱনমূলক কাৰ্য বাধাগ্ৰস্ত হ'ব। তদুপৰি এটা অনুষ্ঠানৰ পৰা আন এটা অনুষ্ঠানলৈ ছাত্ৰ-ছাত্ৰীৰ স্থানান্তৰণেও সমস্যাৰ সৃষ্টি কৰিব কাৰণ, বেলেগ বেলেগ শিক্ষানুষ্ঠানত মানদণ্ডৰ পাৰ্থক্য আছে।

ইমানখিনি প্ৰত্যাহ্বান থকা সত্বেও আমি এই সমূহক অতিক্ৰম কৰি এটা সময়ত এই ছাত্ৰ-ছাত্ৰী কেন্দ্ৰিক লক্ষণীয় শিক্ষা ব্যৱস্থাটো গ্ৰহণ কৰিব লাগিব। ইয়াৰ বাবে প্ৰয়োজনীয় আগতীয়া কাম-কাজ সমূহ কৰি ল'ব লাগিব। যেনে- মহাবিদ্যালয়সমূহৰ আন্তঃগাঁঠনি নিৰ্মাণৰ বাবে পুঁজিৰ যোগান, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ সজাগতাৰ বাবে কৰ্মশালা অনুষ্ঠিত কৰা যিটো ইতিমধ্যে বিশ্ববিদ্যালয় আৰু কেইখনমান মহাবিদ্যালয়ৰ হৈ আছে আৰু শিক্ষকসকলৰ বাবে CBCS সম্পৰ্কীয় প্ৰশিক্ষণ ব্যৱস্থা ইত্যাদি। এনে কিছুমান ব্যৱস্থা প্ৰৱৰ্তন কৰিলে আগন্তুক দিনত অসমত বিশেষকৈ ডিব্ৰুগড় বিশ্ববিদ্যালয় সমূহত স্নাতক শ্ৰেণীসমূহত পছন্দ ভিত্তিক মান ব্যৱস্থা প্ৰৱৰ্তন কৰিব পৰা যাব।

*ভ্ৰাম্যভাষঃ ৮৬৩৮৪৯২৭৭৬*

## ধন্য জীৱন

*অভিজিত গগৈ*

কনকণীয়া মোৰ গৃহস্থালি
আশীৰ্বাদ বিচাৰিছো
মোৰ জ্যেষ্ঠজনক ভৰিত ধৰি
আটোমটোকাৰিকৈ
যাতে ৰাখিব পাৰো
মোৰ এই পঁজাটি।।

কপটি সেই পুৰণি খেলটি
পাহৰি গৈছো আমি
ব্যস্ততাৰ জীৱনত থাকি
ঘুৰাই আনিব লাগিব
ডেকা-বুঢ়া মিলি সেই ৰং ধেমালি
থৈ যাব লাগিব নাম
কণ কণ মইনাহঁতলৈ বুলি।।

কনাই-মলখুখিনি পেলাই নিদিবা
দিব পাৰিম ভোকাতুৰ মানুহলৈ বুলি
সিহঁতৰো মন যায় দেচোন
এসাঁজ ভালকৈ খাওঁ বুলি।।

কপালজেঠী আনিছো
মৰমৰ আইজনী
পিন্ধিবা দেই তুমি
দেউতাই দিছে বুলি
কপাতল আঁকিবা ৰঙা ৰঙৰ বেলিটি
তেতিয়াহে শুৱনি হ'ব
তোমাৰ মুখখনি।।

কপলীয়া ল'ৰা মই
জানানে তুমি
গাঁৱৰ চহা জীৱন পাই
সুখী হৈছো কিজানি
সকলো ভগৱানৰে দান
লৈছো আঁকোৱালি
মোৰ এই পঁজাটিত থাকি।।

৭০০২০৭০৩৯৬

১ পৃষ্ঠাৰ পৰা



# ঐতিহাসিক পটভূমিত চেনিমৰা অঞ্চল

❑ আনন্দ চন্দ্ৰ দত্ত

অসমৰ বিভিন্ন ঠাইৰ নাম গছ-গছনি, নৈ-বিল, জান-জুৰি, হাট-বজাৰ, বিখ্যাত মানুহৰ নামেৰেও নামকৰণ কৰা হৈ আহিছে। বহুত তেনে নাম এতিয়াও আছে। আহোম ৰাজত্বত ৰাজকীয় পদবী পোৱা কিছুমান ফৈদৰ বিষয়া, ৰাণী-কুঁৱৰীৰ নামেৰেও নামকৰণ কৰা হৈছিল। নুমলীগড়, হাতীগড়, মালৌ (মগলৌ), গজপুৰীয়া, গুৰযোগনীয়া, চেকনিধৰা, টোকোলাই আদি নামো বিশেষ একোটা কাৰণত দিয়া হৈছিল। বহুতে চেনিমৰা নামটো চিনামৰা বুলিও কোৱা শুনা যায়। কিন্তু চৰকাৰী মেপত, ডাকঘৰৰ নথি-পত্ৰত চেনিমৰা বুলিহে আছে। বোধকৰোঁ ইংৰাজসকলে চেনিমৰা নামটোকে কিবা কাৰণত চিনামৰা কৰি ল'লে। ঠিক সেইদৰে যোৰহাট নামটো ইংৰাজসকলে যোৰহাউট কৰি লৈছিল। চেনিমৰা নামটোৰ উৎপত্তিৰ বিষয়ে ১৯৩০-৩১ চনৰ আগতে বৃদ্ধ-বৃদ্ধাসকলে কোৱামতে বহুত বছৰৰ আগতে বৰ্তমানে থকা টোকোলাই জানটোত মাছ ধৰিবৰ বাবে স্থানীয় ৰাইজে পানীত বকল বিহ দিছিল। পাছে, এই বিহ দিয়াৰ এবছৰ জানত অকল চেনিমাছহে পৰিল। তেতিয়াৰে পৰা এই ঠাইডোখৰৰ নাম চেনিমৰা ৰাখিলে, অৰ্থাৎ চেনিমাছ মৰা ঠাই। চিনামৰা নামটোৰ উৎপত্তিৰ বিষয়ে আন এক শ্ৰেণী মানুহে ক'ব খোজে যে ইংৰাজসকলে চেনিমৰা চাহ বাগিছাত চীনা মানুহৰ হতুৱাই চাহপাত মৰাইছিল বাবে চিনাইমৰা চাহপাত, অৰ্থাৎ চিনামৰা কৰিলে। কিন্তু ১৮৪৩ চনত যেতিয়া চেনিমৰাৰ মণিৰাম দেৱানে প্ৰথম চাহ বাগানখন খোলে তেতিয়াই এই ঠাইৰ নাম চেনিমৰাহে আছিল। চিনামৰা নাছিল। মণিৰাম দেৱানক ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰীত যোৰহাটত ফাঁচী দিয়াৰ পাছত ১৮৬০ চনত এই বাগান চাহাবে কিনি ল'লে। সেই সময়ৰ পৰাহে চেনিমৰাৰ পৰিৱৰ্তে চিনামৰা কৰি লৈছিল। উল্লেখ্য যে ফাঁচী দিয়া মানুহৰ সম্পত্তি ল'ব নাপায় বুলি সেই সময়ত যি জনৰৱ উঠিছিল, তাৰ পৰিপ্ৰেক্ষিতত হয়তো চাহাবজনে চেনিমৰা চাহ বাগিছা নামটো চিনামৰা কৰি লৈছিল। পাছত বাগানখনত অহৈতুক কিছুমান ঘটনা হ'বলৈ ধৰাত ১৮৬৫ চনত এই বাগানখন যোৰহাট টি কোম্পানীক বেছি দিলে। যোৰহাট টি কোম্পানীৰ মধ্য কাৰ্যালয়টোকে সদৰ অফিছ নাম দিলে। ইয়াৰ লগত যোৰহাট সদৰৰ কোনো সম্বন্ধ নাই। বহুতে টোকোলাই গৱেষণা কেন্দ্ৰ আৰু সদৰ অফিছ একে বুলিও ভাবি লয়। পাচে, দুয়োটা নিজ নিজ প্ৰতিষ্ঠান। সদৰ অফিছ যোৰহাট কোম্পানীৰহে।

এসময়ত এই টোকোলাই জানটো বৰ্তমানে থকা মুৰমুৰীয়া চাহ বাগিচাৰ পশ্চিম অংশৰ পৰা উদ্ভৱ হৈ চেনিমৰা চাহ বাগিচাৰ মাজেদি আহি টোকোলাই নামৰ ঠাই ডোখৰেদি পাৰ হৈ যোৰহাট নগৰৰ পূৱ দিশেদি গৈ বালিগাঁৱৰ ওচৰৰ ভোগদৈ নৈত পৰিছিল। ১৯৭৯ চনত যোৰহাট নগৰত বৰষুণৰ ফলত হোৱা প্ৰৱল বানপানীৰ কাৰণ এই জানটো বুলি সন্দেহ কৰি প্ৰশাসনে মিছন কম্পাউণ্ড পাৰ হোৱা ঠাইতে দিক সলনি কৰি আহল-বহল দ-খাল খন্দাই ভোগদৈ নৈত গোঁসানী উতুৱা ডুবিৰ ওচৰত সংযোগ কৰি দিলে। তেয়িাৰে পৰা টোকোলাই জানটোৰ শেষ চোৱাত মানুহে নানা জাবৰ-জোথৰ পেলালে আৰু বহুলোকে কিছু অংশ বেদখল কৰিলে।

টোকোলাই নামটো লৈও বহুত কিম্বদন্তি আছে। জনা যায় যে মোৱামৰীয়াসকলে আহোম ৰাজত্বৰ ধ্বংসৰ হেতু আঁচনি কৰি টোকোলাই জানৰ পূৱ পাৰত অটব্য অৰণ্যৰ মাজত, ঠাই এডোখৰ হাবি-বননি কাটি টকলা কৰি গোপন ঘাটি পাতি লৈছিল। ঠাইডোখৰ টকলা কৰি লোৱাৰ বাবে টকলা নাম পালে আৰু মানুহৰ মুখ বাগৰি পাছত টোকোলাই হ'লহি। আন এটা কথাৰ মতে চন্দ্ৰকান্ত সিংহৰ ৰাজত্বকালত এই টোকোলাই নামৰ ঠাইতে টকলা নামৰ এজন বুঢ়াই বাম খেতি, ধান খেতি কৰি জীৱিকা নিৰ্বাহ কৰিছিল। সেই বুঢ়াজনৰ নামেৰে টকলা আৰু অপভ্ৰংশ হৈ টোকোলাই হ'ল। আগতে কোৱা মোৱামৰীয়াসকলে উক্ত ঠাইত ঘাটি পাতি থকা দেখি আহোম ৰজাৰ বিবুধিত পৰিল। একো উপায় নাপাই, চেউনী আলিৰ কাষৰ পৰা টোকোলাই জানৰ পশ্চিম পাৰেদি নগা পাহাৰলৈকে ৰুচিনাথ বুঢ়াগোঁহায়ে এটা ওখ গড় বন্ধালে, যাতে মোৱামৰীয়াসকলে সহজতে আহি আক্ৰমণ কৰিবহি নোৱাৰে। এই বিবুধি শব্দৰ পৰাই বিবুধি গড় নাম পালে আৰু পাছত ইয়াকে সমান কৰি আলিবাট কৰিলে, যাৰ নাম গড় আলি ৰখা হ'ল। এই গড়ৰ কিছু চিন চেনিমৰাৰ ওচৰত বহুত বছৰৰ আগতে আছিল। মোৱামৰীয়া বিদ্ৰোহ ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালত ১৭৫১ পৰা ১৭৬৯ চনলৈকে হৈছিল আৰু এটা কথা জনা হৈছে গদাধৰ সিংহই ৰজা হৈ যোৰহাটৰ উত্তৰ অঞ্চলৰ বেবেজীয়াৰ পৰা বহুত মহন্তক আনি টোকোলাইত বসতি কৰিবলৈ দিছিল। উদ্দেশ্য আছিল, এই মহন্তসকলক উপৰুক্ষভাৱে কষ্ট দিয়া। যাতে হাবি ভাঙি লৈ ঘৰ-দুৱাৰ সাজি তাকে খেতি পথাৰৰ উপযোগী কৰি লৈ বসবাস কৰি থাকে। এই টোকোলাই গাঁৱৰ পূৱ দিশত "বচা পথাৰ" নামৰ এখন সৰু পথাৰ আছিল। এই পথাৰখনৰ কিছু অংশত এতিয়াও মানুহে খেতি কৰি আছে।

যোৰহাটৰ গোঁসানী উটুৱা ডুবিৰ বিপৰীতে পাৰে শিলিখাতলীয়া দিহিং সত্ৰ নামৰ টোকোলাই থান এখন আছিল। একালত তাত ভকত ৰঞ্জনদেৱ এই থানৰ অধিকাৰ গোঁসাই আছিল। তেখেতৰ মৃত্যুৰ পাছত সত্ৰৰ ভিতৰতে সৎকাৰ কৰা হয়। সমুখত দিচৈ (ভোগদৈ) থকাৰ স্বত্বেও ইয়াক টোকোলাই থানহে বোলা হৈছিল। প্ৰায় ২১ বিঘা মাটিয়ে আগুৰি থকা গোঁসাই থানখনৰ এতিয়া সৰু টিনৰ ঘৰ এটাৰে সামান্য মাটিহে আছেগৈ। এই টিনৰ ঘৰটোৰ কাষতে গোঁসাইজনৰ সমাধিটো আছিল। বহুত বছৰৰ আগৰে পৰা তাত এটা শিৱ মন্দিৰ স্থাপন কৰি দুই এজন ফকিৰ থকাৰ কথা জনা গৈছে। শুনা যায় আৰু বুৰঞ্জীতো হেনো আছে যে যুৱৰাজ কামেশ্বৰ সিংহ এই থানতে গোঁসাই জনাক লগ কৰিছিলহি। সেইদিনা তাত লোকেৰে লোকাৰণ্য হৈছিল।

চেনিমৰা অঞ্চলৰ কথা লিখিবলৈ গ'লে চেনিমৰা চাহ বাগিছাৰ কথা লিখিবই লাগিব আৰু এই বাগিছাৰ কথা লিখিবলৈ হ'লে মণিৰাম দত্ত বৰভাণ্ডাৰ বৰুৱা দেৱান ওৰফে মণিৰাম দেৱানৰ ভূএঞা বংশধৰৰ পৰিনাতি আৰু অতীতৰ গৌৰধ্বজৰ পুত্ৰ কমলাকান্ত আদি পুৰুষ আছিল। বংশক্ৰমে বনমালী চাংকাকতিৰ পুত্ৰ শ্ৰীৰাম চাংকাকতি। তেওঁৰ পুত্ৰ বিকো চাংকাকতি আৰু এই বিকো চাংকাকতিৰে পুত্ৰ ৰাম দত্ত। এই ৰাম দত্তৰে পুত্ৰ মণিৰাম দেৱান। ৰামদত্তই কমলেশ্বৰ সিংহৰ দিনত দোলাকাষৰীয়া বৰুৱা পদবী পাইছিল। ৰামদত্তই মাজুলীৰ লহকৰ ভূএঞাৰ ঘৰৰ কন্যা কৌশল্যাৰ সৈতে বিবাহ পাশত আবদ্ধ হৈছিল। এই কৌশল্যাৰ গৰ্ভত ৰাম দত্তৰ ঔৰসত মণিৰাম দেৱানৰ শিৱসাগৰৰ অৰ্জুনগুৰিত ১৮০৬ চনৰ ১৩ ব'হাগত জন্মগ্ৰহণ কৰে। এই মণিৰাম দেৱানেই চেনিমৰা নামৰ ঠাইত ইংৰাজ চৰকাৰৰ পৰী-ফ্ৰী-চিম্পল গ্ৰাণ্ট স্বৰূপে ২০০০ বিঘা মাটি লৈ ১৮৪৩ চনত চেনিমৰা চাহ বাগানখন খোলে আৰু তেখেতেই প্ৰথম অসমীয়া চাহ খেতিয়ক বুলি জনাজাত হৈ আছে। দুই-এজনে আজি কালি ক'ৰবাত প্ৰকাশ কৰিছে যে বৰুৱা উপাধিধাৰী আন এজনেহে প্ৰথম অসমীয়া চাহ খেতিয়ক। পাছে, এইটো সম্পূৰ্ণ অসত্য আৰু অমূলক কথা। কাৰণ মণিৰাম দেৱানৰ আগতে ইংৰাজসকলে কাকো চাহ খেতি কৰিবলৈ মাটি দিয়া নাছিল। আনকি নিজৰ মাটিতো কোনো অসমীয়া লোকক চাহখেতি কৰিবলৈ অনুমতি দিয়া হোৱা নাছিল। All About Tea নামৰ বিখ্যাত কিতাপখনতো মণিৰাম দেৱানৰ নামহে পোৱা হৈছে। মণিৰাম দেৱানে ১৮৩৩ চনৰ পৰা ১৮৪০ চনলৈকে ইংৰাজ চৰকাৰৰ লগত সহযোগ কৰি বহুত কাম কৰি দিছিল। তেখেত আসাম কোম্পানীৰ দেৱানো আছিল। গতিকেই সেই সুবিধাটো পাইছিল। চেনিমৰা চাহ বাগিছাখন স্থাপন কৰাৰ পাছতে শিৱসাগৰৰ চেংলুঙতো ৬০০ বিঘা মাটিত আন এখন চাহবাগান খোলে। বৰ্তমানে সেই বাগানখনক চিমলৌ নাম দিয়া হৈছে। চেনিমৰা চাহ বাগানখনত ১৮৪৭ চনত চাহপাত প্ৰস্তুত কৰা হৈছিল আৰু সেই চাহপাত যাতে ৰাইজে কিনি খাব পাৰে তাৰবাবে বজাৰত বেচোৱাইছিল।

মণিৰাম দেৱানৰ সমাধিটোক লৈও বিতৰ্ক শেষ হোৱা নাই আৰু এতিয়ালৈ নিশ্চিত হৈ কোনেও ক'ব পৰা নাই যে নিৰ্দিষ্ট ঠাইতে সমাধিটো আছে। ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰীত দেৱানক আৰু পিয়লী বৰুৱাক বৰ্তমানে থকা ৪ নং পেক্তিচিং স্কুলৰ ওচৰতে ফাঁচী দিয়া হৈছিল। মুখ বাগৰা কথাৰ পৰাও জনা গৈছে যে ফাঁচী দিয়াৰ দিনা সন্ধ্যা লাগি ভগালৈকে শ দুটা ফাঁচী দিয়া ঠাইতে পৰি আছিল। কিন্তু পাছদিনা ৰাইজে শ দুটা যথাস্থানত দেখা নাপালে আৰু ইংৰাজসকলে ক'ত সমাধিস্থ কৰিলে তাৰো কোনো সম্ভেদ ৰাইজে নাপালে। হয়তো সন্ত্ৰাসৰ কাৰণে কোনেও অনুসন্ধান নকৰিলে। আমাৰ পিতৃ বৰ্তমান আমি থকা ঠাইতে (খেলমাটি) ১৮৮৫ চনত জন্ম হৈছিল। আমাৰ পিতৃৰ বুঢ়ীমাকে নিজ চকুৰে মণিৰাম দেৱান আৰু পিয়লী বৰুৱাক ফাঁচী দিয়া দেখা পাইছিল। পিতায়ে আমাক কোৱা মতে, ফাঁচী দিয়াৰ দিনা ৰাতিয়ে শ দুটা টোকোলাইত থকা অস্থায়ী ঘৰৰ কাষতে সমাধিস্থ কৰিছিল। আমি টোকোলাইত কাম কৰি থাকোতে ১৯৫৪-৫৫ চনত যেতিয়া চেনিমৰা কলঘৰৰ আশে-পাশে চাহ গছ পৰীক্ষা কৰিছিলো, তেতিয়া ওচৰতে থকা ইংৰাজ কবৰ স্থানৰ উত্তৰ-পশ্চিম চুকত পৰিত্যক্ত অৱস্থাত থকা মাটিৰ সৰু টিলা দুটা ওচৰা-ওচৰিকৈ থকা দেখা পাইছিলোঁ। ইংৰাজ কবৰবিলাক পৰিষ্কাৰ কৰি ৰাখিছিল। সেই দুটা হাবি-বনেৰে ভৰা আছিল। কিন্তু তেতিয়া আমাৰ মনে ঘৰেও নাছিল যে সেই দুয়োটা হয়তো মণিৰাম দেৱান আৰু পিয়লী বৰুৱাৰ সমাধি। উক্ত ইংৰাজ কবৰ স্থানখনত প্ৰথম ১৮৫৩ চনত এজন ইংৰাজ বিষয়াক কবৰ দিয়া হৈছিল। ২০০ বছৰীয়া যোৰহাট জয়ন্তীৰ স্মৃতিগ্ৰন্থখনৰ কাৰণে যোৰহাটৰ উপায়ুক্তৰ আদেশক্ৰমে যোৰহাট কাছাৰীৰ মহাফেজখানাৰ সকলো নথি-পত্ৰ পাঁচ মাহ সময় তন্ন তন্নকৈ চোৱা হৈছিল। অসমৰ বিভিন্ন ঠাইৰ ইংৰাজসকলৰ কৱৰ স্থানৰ কথা পোৱা হ'ল কিন্তু চেনিমৰা চাহ বাগানৰ মাজৰ কবৰ স্থানৰ কথা পোৱা হৈছিল যদিও ১৮৫৮-৫৯ চনৰ কথা তাত নাপালোঁ। আমি দেখাত এই ঠাইডোখৰৰ ওচৰতে আৰু চেনিমৰা কলঘৰৰ পূৱফালে ১৯৭৮-৭৫ চন মানলৈকে "দেৱান ছেকছন" নামৰ এডৰা চাহ গছ আছিল। বোধকৰো এতিয়া নাই। কলঘৰ কাম কাজ চাবলৈ দেৱানে কলঘৰৰ পূৱ কাষে এটা অস্থায়ী ঘৰ কৰি লৈছিল। তেখেতৰ আচল বাৰীখন, বৰ্তমানে থকা চক বজাৰৰ পাছফালৰ ককা নীলমণি ফুকনৰ ঘৰৰ পৰা বেজবৰুৱা হাইস্কুলৰ সমুখলৈকে আছিল। চেংলুঙত ১৯২৭ চন মানলৈকে "মানটিং" নামৰ এডৰা চাহগছ আছিল। এতিয়া সেই চাহ গছ নাই যদিও চাহগছ ডৰাৰ ওচৰতে "মানটিং" নামৰ বাট এটা কৰি দিছে।

১৮৮৫ চনত ককিলামুখৰ পৰা যোৰহাট নগৰৰ কাষেদি চেনিমৰা হৈ মৰিয়নীলৈ এটা "নেৰগজ" ৰেল বাট ইংৰাজসকলে স্থাপন কৰিছিল। চেনিমৰা পৰা আন এটা শাখা প্ৰভিঞ্চিয়েল ৰেল চমুকৈ J.P.R. বোলা হৈছিল। ১৯২১ চনত যেতিয়া মহাত্মা গান্ধী যোৰহাটলৈ আহিছিল, মৰিয়নীৰ পৰা এই ৰেলতে আহিছিল। তেখেতে তেতিয়া কৈছিল যে আগতে তেখেতে ইমান সৰু ৰেলত উঠি পোৱা নাছিল। যোৰহাটৰ পৰা ঘূৰি এই ৰেলতে উঠি মৰিয়নীলৈ গৈছিল। দুৰ্ভাগ্যবশতঃ বৰ্তমানে থকা বৌদ্ধ বিহাৰৰ ওচৰতে ৰেলখনৰ কপলিং এৰাই ইঞ্জিনৰ সৈতে দুটা ডবা আহি টোকোলাই গৱেষণা কেন্দ্ৰৰ ওচৰ পালেহি। মহাত্মা গান্ধী উঠি থকা কেইটামান ডবা বৌদ্ধ বিহাৰৰ ওচৰতে ৰ'ল। পাছত ইঞ্জিন চালকে গম পাই পাছ হুঁহকি গৈ কপলিং লগাই টানি আনিলে। এই কথাটোত মহাত্মা গান্ধীয়ে অকনো খং নকৰিলে। বৰং হাঁহি-হাঁহি ক'লে "এনেকুৱা সৰু ৰে'ল এখনৰ এনে হোৱাটো একো ডাঙৰ কথা নহয়।"

অতীজত মৰিয়নীৰ পৰা যোৰহাটলৈকে গড়আলিৰ পূৱ আৰু পশ্চিম কাষত জনবসতি নাছিল বুলি ক'ব পৰা যায়। আমাৰ মনত পৰাৰে পৰা (১৯৩০ চন) পূৱ পাৰে নাহৰবাৰী বাগান, দক্‌ লঙ্গিয়া, মুৰমুৰীয়া, চেনিমৰা বাগান আৰু টোকোলাই গৱেষণা কেন্দ্ৰ। তাৰ পাছতে মিছন হাইস্কুলখন। বৌদ্ধবিহাৰ ১৯৫২ চনতহে স্থাপন হোৱা। চেনিমৰা তিনিআলিত এঘৰ মাৰোৱাৰী আৰু দুই-তিনিঘৰ মুছলমান মানুহ আছিল। বাকী প্ৰতিষ্ঠান আৰু জনবসতি দ্বিতীয় মহাসমৰৰ পাছত হোৱা। সদৰৰ ৰে'ল গেটৰ ওচৰত চক্ৰৱৰ্তী উপাধিধাৰী এজন লোকে এটা চূণৰ ভোটা স্থাপন কৰিছিল। বহুতে মুৰমুৰীয়া নামটো মোৱামৰীয়া শব্দৰ পৰা হৈছে বুলি ভাবে, আচলতে সেইটো নহয়। মুৰমুৰীয়া চাহ বাগান যেতিয়া স্থাপন কৰিছিল তাৰ আগতে তাত মুৰমুৰীয়া গছৰ (Eurya acuminata) এখন হাবি আছিল। এই মুৰমুৰীয়া গছ চোম গছৰ দৰে খৰিৰ বাবে বৰ উপযোগী। সেইকাৰণেই মুৰমুৰীয়া নাম দিয়া হৈছিল।

বৰ্তমানে যি ঠাইত চৰকাৰৰ ওৱেৰ হাউচ ১৯ পৃষ্ঠাত...

# সম্পাদকীয়

## যুগবাৰ্তাৰ আৰু এঢাপ

চিনামৰা মহাবিদ্যালয়ৰপৰা তিনিমহীয়াকৈ প্ৰকাশিত 'যুগবাৰ্তাই তৃতীয় বৰ্ষত গতি অব্যাহত ৰাখিছে। উচ্চশিক্ষানুষ্ঠানবোৰ ৰাইজৰপৰা ক্ৰমাৎ বিচ্ছিন্ন হৈ যোৱা দিশলৈ লক্ষ্য ৰাখি চিনামৰা মহাবিদ্যালয়ে জনসংযোগৰ দিশটো শক্তিশালী কৰি ৰাখিবলৈ যিবোৰ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে তাৰ ভিতৰত যুগবাৰ্তা অন্যতম। বাৰ্তালোচনীখনৰ জৰিয়তে মহাবিদ্যালয়ত জনসংযোগ শক্তিশালী কৰা, অধ্যয়নৰ পৰিৱেশ সৃষ্টি কৰা, এচাম নতুন লেখক সৃষ্টি কৰা, সমাজৰ অন্যতম খনিকৰ শিক্ষক, শিল্পী, সাহিত্যিকক যথাযথ মৰ্যাদা প্ৰদান কৰা, আঞ্চলিক ইতিহাসক পোহৰলৈ অনা, শৈক্ষিক দিশ টনকিয়াল কৰা, ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তোলা আদি যিবোৰ লক্ষ্য আছি সেই লক্ষ্যৰে যুগবাৰ্তা গতিশীল হোৱাত ৰাইজে কাকতখন আদৰি লৈছে। এইক্ষেত্ৰত উদাহৰণ দিব পাৰি কাকতখনৰ উদ্দেশ্যৰ মহানতাক উপলব্ধি কৰি ড. হৰেন্দ্ৰ নাথ গগৈ, ড. গিৰীশ চন্দ্ৰ বৰুৱা, ড. বিপিন খাউণ্ড, বিজয় বৰুৱা, বীণাপাণি মহন্ত আদি বিদ্বৎ ব্যক্তিসকলে অৰ্থ আৰু বৌদ্ধিক চিন্তাৰ যোগান ধৰিছে। যুগবাৰ্তাৰ জৰিয়তে গঠন কৰা 'ছাত্ৰবন্ধু' শীৰ্ষক ছাত্ৰ কল্যাণ ন্যাসৰ বাবে বহুজনে অৰ্থৰ যোগান ধৰিছে। বিভিন্ন সংখ্যাত তেওঁলোকৰ নাম আমি সন্নিৱিষ্ট কৰি আছো। অসমৰ বিভিন্ন ঠাইৰ ন-পুৰণি লেখক-লেখিকাসকলে অকৃত্ৰিম স্নেহ দিছে, প্ৰতিভা শিতানত প্ৰকাশিত শিল্পী, সাহিত্যিক, শিক্ষকসকলে আমাক স্নেহ দিছে, বাচকবণীয়া লেখাৰে 'যুগবাৰ্তা' নামেৰে এখন গ্ৰন্থ প্ৰকাশ হৈছে আৰু ৰাইজে শলাগ লৈছে। অসমৰ বিভিন্ন স্থানৰপৰা চিঠি আৰু ফোনৰ জৰিয়তে ৰাইজে আমাক আগ্ৰহ দেখুৱাইছে। ছাত্ৰ-ছাত্ৰীসকল উপকৃত হৈছে। এয়ে আমাৰ মূলধন। উপদেষ্টা শ্ৰীযুত আনন্দ শইকীয়াছাৰৰ বিদ্যুৎসাহী মনোভাৱেই আমাক প্ৰেৰণা দিছে। ব্যৱস্থাপক অধ্যক্ষ ড. অঞ্জন শইকীয়াদেৱে নেৰানেপেৰাকৈ লাগি থাকি বাৰ্তালোচনীখনক মৰ্যাদাসম্পন্ন কৰি তুলিলে। তেখেতৰ প্ৰচেষ্টাতেই যুগবাৰ্তাই আৰ এন আই নম্বৰ লাভ কৰিলে। আমাৰ আশা, এই আন্তৰিক সহযোগিতা, মৰম আৰু আশীৰ্বাদতেই যুগবাৰ্তা গতিশীল হৈ থাকিব।

### ছাত্ৰবন্ধু শৈক্ষিক ন্যাসলৈ আৰ্থিক বৰঙণি

- কছাৰীপথাৰীয়া যুৱ মঞ্চ, যোৰহাট ১০০০.০০ টকা
- অধ্যাপক অচ্যুৎ দত্ত ৫০০.০০ টকা

### যুগবাৰ্তাৰ কথা

- ৰাজনীতি, ধৰ্ম, সম্প্ৰদায়, ব্যক্তি আদিৰ প্ৰতি উদ্দেশ্য প্ৰণোদিত আক্ৰোশযুক্ত সমালোচনামূলক লেখাৰ বিপৰীতে গঠনমূলক, চিন্তাশীল,মৌলিকতা থকা প্ৰবন্ধহে যুগবাৰ্তাৰ বাবে প্ৰেৰণ কৰিব।
- যিকোনো বিষয়ৰ শৈক্ষিক বিশ্লেষণমুক্ত লেখাই যুগবাৰ্তাত অগ্ৰাধিকাৰ পাব।
- বিভিন্ন অঞ্চলৰ সংস্কৃতিবান ব্যক্তিৰ কৰ্মজীৱনৰ পৰিচয় প্ৰকাশৰ বাবে ফটোসহ চমু লেখা প্ৰেৰণ কৰিব।

## গীতাৰ নীতি দৰ্শন আৰু আধুনিক জীৱন

❑ ড° গিৰীশ বৰুৱা

গীতাৰ নীতি দৰ্শন বুলিলে বহুতো কথাই আহি পৰে- গীতাৰ নিষ্কামবাদ, কৰ্মযোগ, জ্ঞানযোগ, ভক্তিযোগ, হিংসা, অহিংসা, আত্মা, দেহ, মুক্তি আদি। এই সকলোবোৰ কথা এই চমু প্ৰবন্ধত অন্তৰ্ভুক্ত কৰা সম্ভৱ নহয়। তথাপি গীতাৰ নীতি-দৰ্শনৰ সন্দৰ্ভত এইবোৰ কথা আলোচনাৰ মাজলৈ আহিবই। তাৰে ওপৰত আলোকপাত কৰিবলৈ ওলাইছো।

কোনো এখন পুথিৰ নীতি-দৰ্শন তাৰ আধিবৈজ্ঞানিক বা দাৰ্শনিক আদৰ্শটোৰ ওপৰত নিৰ্ভৰ কৰে। গীতাৰ ক্ষেত্ৰটো এই কথাটো খাটে। গতিকে গীতাৰ নীতি-দৰ্শনৰ আলোচনালৈ যোৱাৰ আগতে ইয়াৰ দাৰ্শনিক ভিত্তিটো সুনিশ্চিত কৰি ল'ব লাগিব।

ভগৱদগীতাৰ দৰ্শন ভাববাদী দৰ্শন। আত্মা আৰু ঈশ্বৰক দিয়া গুৰুত্বই এই কথা ঠাৱৰ কৰে। ইয়াৰ দৰ্শন মুক্তিকামী, অৰ্থাৎ আধিবৈজ্ঞানিক মুক্তি। এই মুক্তি মানে আত্মাৰ সংসাৰবন্ধন বা দেহবন্ধনৰ পৰা মুক্তি আৰু ঈশ্বৰৰ লগত মিলন। গীতাৰ মতে যি কৰ্মই এনে মুক্তি ঘটায় সিয়েই নীতিগতভাৱে ভাল কৰ্ম।

মানুহে জীৱন নিৰ্বাহ কৰিবৰ বাবে কৰ্ম কৰিব লগা হয় আৰু জ্ঞানাৰ্জনৰ বাবে জ্ঞানৰ পথ ল'ব লগীয়া হয়। তদুপৰি এক ধৰ্মীয় জীৱন কটাবৰ বাবে ভক্তিৰ পথ অৱলম্বন কৰিব লগা হয়। কৰ্ম, ভক্তি আৰু জ্ঞান এই তিনিওটাক গীতাই 'যোগ' অৰ্থাৎ মুক্তিৰ 'পথ' বা 'অনুশীলন' বুলি অভিহিত কৰিছে। গীতাই এই তিনিওটা পথৰ এক সম্মিলিত প্ৰচেষ্টাৰ ওপৰত গুৰুত্ব দিয়ে।

ওপৰুক্ত তিনিটা পথৰ লগত গীতাই এটা বিশেষ কথা সাঙুৰিব বিচাৰে, সি হ'ল নিষ্কাম। অৰ্থাৎ মানুহে কৰ্ম আচৰিবলৈ গ'লেও নিষ্কাম ভাৱে অৰ্থাৎ ফলাফলৰ কোনো আশা নকৰি আচৰিব লাগিব। ভক্তি আচৰিবলৈ হ'লেও তাৰ বিনিময়ত ভগৱানৰ পৰা একো নুখুজি বা একো কামনা নকৰি আচৰিব লাগিব আৰু আচৰিবলৈ হ'লে কামনাহীন ভাৱেই আচৰিব লাগিব। গতিকে গীতাৰ নীতি-দৰ্শন প্ৰধানতঃ নিষ্কামবাদ।

গীতাখন ৰচিত হৈছে কুৰুক্ষেত্ৰ সমৰৰ পটভূমিত। যুদ্ধ ক্ষেত্ৰত কৃষ্ণ আৰু অৰ্জুনৰ মাজত হোৱা কথোপকথনেই গীতাৰ মূল কথা। এই কথোপকথনৰ মাজেৰে গীতাই অৰ্থাৎ গীতাৰ লিখকে তেওঁৰ নিজৰ দৰ্শন উপস্থাপন কৰিবলৈ চেষ্টা কৰিছে। ইয়াত কৃষ্ণ হৈছে অনুভূতিপ্ৰৱণ অৰ্জুনৰ বিবেক।

অৰ্জুনে প্ৰথমতে যুদ্ধ নকৰোঁ বুলি গাণ্ডীৱ সামৰি থৈছে। এই কথাত কৃষ্ণ সচকিত হৈ পৰিছে, কাৰণ তেওঁ যুদ্ধ নকৰিলে সৰ্বনাশ হ'ব, যিহেতু তেওঁ যি উদ্দেশ্যেৰে মৰ্ত্যত অৱতীৰ্ণ হৈছে সেই উদ্দেশ্য সফল নহ'ব। সেয়ে তেওঁ যেনেতেন প্ৰকাৰেণ অৰ্জুনক যুদ্ধ কৰিবলৈ সৈমান কৰাবলৈ প্ৰচেষ্টা চলাইছে। ইয়াৰ আলমতে গীতাৰ নীতি-দৰ্শনে ভুমুকি মাৰিছে।

অৰ্জুনে বুজিছে যে যুদ্ধত অৱতীৰ্ণ হ'লে মানুহ মাৰিব লাগিব, তাকো নিজৰ মানুহক। এই কাম তেওঁ কৰিব খোজা নাই, কাৰণ এই কাম এক নীতি গৰ্হিত কাম। মানুহ মৰাটো নিশ্চয়কৈ এক গৰ্হিত কাম। এই গৰ্হিত কাম তেওঁ কৰিব খোজা নাই। কিন্তু কৃষ্ণ নাচোৰবান্দা। তেওঁ যেনেতেনে অৰ্জুনক যুদ্ধ কৰিবলৈ সৈমান কৰাবই লাগিব।

যদি কৃষ্ণই অৰ্জুনক মানুহ মাৰিবলৈ উদগাইছে তেন্তে কৃষ্ণ হিংসাবাদৰ প্ৰবক্তা নে কি? এই সন্দৰ্ভত বিচাৰ কৰিব লাগিব গীতাই হিংসাবাদক প্ৰচাৰ কৰিছে নেকি?

হিংসাৰ কথা ক'লেও গীতা হিংসাবাদী নহয়। হিংসাবাদে বাচ-বিচাৰ নকৰাকৈ কেৱল হিংসা কৰাটোকে বিচাৰে। গীতা এই মতবাদত বিশ্বাসী নহয়। গীতাই নিৰ্দিষ্ট পৰিস্থিতিতহে হিংসাৰ কথা কৈছে। ই ব্যক্তিগত স্বাৰ্থ পূৰণৰ হকে হিংসাৰ আশ্ৰয় ল'বলৈ কোৱা নাই; সামূহিক স্বাৰ্থতহে কৈছে, তাকো প্ৰয়োজন বশতঃহে। (ইয়াৰ হিংসাৰ কথাটো ঠিক মাৰ্ক্সবাদৰ দৰেই।) তদুপৰি যুদ্ধ ক্ষেত্ৰত বিৰুদ্ধ দলৰ সৈন্যক হত্যা কৰাটো দোষণীয় কথা নহয়।

অৰ্জুনক যুদ্ধ কৰিবলৈ প্ৰত্যয় নিওৱাৰ ক্ষেত্ৰত কৃষ্ণই আৰু এটা যুক্তি দিছে; আত্মাতকৈ দেহৰ গুৰুত্ব কম বা নায়েই। সেয়ে দেহক মাৰিলে একো দোষ নহয় বুলি কোৱা হৈছে। গীতাই কৈছে, "ন হন্যতে হন্যমানে শৰীৰে"। অৰ্থাৎ দেহক মাৰিলেও আত্মাক মৰা নহয়, কাৰণ আত্মাক মাৰিব নোৱাৰি, যিহেতু ই অমৰ।

গীতাৰ নীতি-দৰ্শনক অহিংসাবাদ বুলিও ক'ব ১২ পৃষ্ঠাত...

## সাংস্কৃতিক পৰিৱৰ্তনৰ প্ৰেক্ষাপটত বিহু সংস্কৃতি

❑ ড০ অনিল কুমাৰ শইকীয়া

সাংস্কৃতিক পৰিৱৰ্তনৰ প্ৰেক্ষাপটৰ সম্পৰ্কে আলোচনা কৰা প্ৰাকমুহূৰ্তত সাংস্কৃতিক মৌলিকতাৰ ভেটি কৃষিজীৱী সমাজখনৰ প্ৰসংগ উত্থাপন প্ৰয়োজনবোধ কৰা হৈছে। প্ৰকৃততে আমি আজি যি সাংস্কৃতিক উপাদান আকোৱালি লৈ আগবাঢ়িছো সেইবোৰ সাংস্কৃতিক উপাদান বহু ধ্বংস আৰু সৃষ্টিৰ মাজেদি আহিহে আমাৰ কাষ পাইছেহি আৰু সেইয়া আছিল মুলতঃ কৃষিজীৱী সমাজৰ সংস্কৃতি। কৃষিজীৱী সমাজৰ সংস্কৃতিক যি লোক সংস্কৃতি বুলি ভবা হয় তাক সামন্তবাদৰ প্ৰাধান্যৰ সময়ছোৱাত অভিজাত শ্ৰেণীটোৱে অশিক্ষিত লোকৰ মাত কথা বুলি ইতিকিং কৰিছিল। ইউৰোপত অষ্টাদশ শতিকাৰ আগভাগলৈকে পৃথিৱীৰ লোক সংস্কৃতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হোৱা নাছিল। তথাপিও সেই সময়ত মধ্যবিত্ত শ্ৰেণীৰ মাজত ইয়াৰ যথেষ্ট সমাদৰ আছিল। অৱশ্যে অভিজাত সকলৰ কিছুসংখ্যক শিক্ষিত লোকে সেই সময়ত লোককৃষ্টিৰ অন্যতম উপাদান লোকগীত সংগ্ৰহ কৰি প্ৰকাশো কৰিছিল। অষ্টাদশ শতিকাৰ শেষৰফালে এনে লোকগীতৰ বহু সংখ্যক প্ৰকাশ হোৱা দেখা গৈছিল। সেইবিলাকৰ পাঠক আছিল প্ৰধানকৈ ব্যৱসায় শ্ৰেণী, নিম্ন পদস্থ চৰকাৰী কৰ্মচাৰী আৰু কৃষকৰ শিক্ষিত অংশ। ঊনবিংশ শতিকাৰ শেষৰ দশকত শিক্ষিত সমাজে লোককথা সম্বন্ধে গৱেষণাত মনোনিৱেশ কৰিবলৈ লয়। সেইটো সময় আছিল পুঁজিবাদৰ বিকাশৰ সময়। তাৎপৰ্যপূৰ্ণ কথাটো হৈছে যে সেই সময়ত লোক সংস্কৃতি প্ৰতি নতুন পুঁজিপতি শ্ৰেণীৰ বুদ্ধিজীৱীও আকৃষ্ট হৈছিল। ইয়াৰ অন্তৰালত আছিল পুঁজিপতি শ্ৰেণীয়ে সামন্তবাদৰ বিৰুদ্ধে কৰা সংগ্ৰামত জনসাধাৰণৰ সমৰ্থন লাভৰ প্ৰচেষ্টা। ইয়োৰোপত তেতিয়া ৰমন্যাসবাদ প্ৰভাৱত জাতীয় চেতনা জনমানস আদি বিমূৰ্ত ধাৰণাৰ প্ৰচলন আছিল আৰু লোকসংস্কৃতি তথা লোক সাহিত্যই পণ্ডিত সমাজৰ স্বীকৃতি লাভ কৰিছিল। নতুন পুঁজিপতি শ্ৰেণীয়ে তেতিয়া নিজৰেই জাতিৰ সমগ্ৰ জনগণৰ প্ৰতিনিধি ৰূপে প্ৰতিষ্ঠা কৰিব খুজিছিল আৰু সেয়ে তেওঁলোক বিশ্বজনীন দৃষ্টিভংগীৰে নিজৰ জাতীয় চৰিত্ৰৰ অধিকাৰী হিচাপে দাঙি ধৰিব বিচাৰিছিল।

পল লাফাগৰ লোক কথাৰ ঐতিহাসিক তাৎপৰ্য সম্পৰ্কে তেখেতৰ মূল্যবান গ্ৰন্থ "Sketches of the history of primitive culture" ত এই মত প্ৰকাশ কৰিছিল যে লোক কবিতা শ্ৰমজীৱী জণগণৰ জীৱন যাত্ৰাৰ ধৰণৰ পৰা প্ৰত্যক্ষভাৱে উচ্চাৰিত। জনসাধাৰণে তেওঁলোকৰ মনোভাৱ, হৃদয়ঙ্গম, অভিজ্ঞতা আদিৰ কেতিয়াবা গীত বা কবিতাৰ মাধ্যমেদি ব্যক্ত কৰে, যিবোৰত স্বতঃস্ফূৰ্ততা আৰু সত্য-নিষ্ঠা অতি প্ৰকট ৰূপত বিৰাজমান।

কৃষিজীৱী সমাজ একান্তভাৱেই প্ৰকৃতিৰ নিয়মত চলে আৰু ঋতুৰ সৈতে তেওঁলোকৰ ভাগ্য বিজড়িত। সেয়ে সমাজৰ সংস্কৃতিত তেওঁলোকৰ জীৱনযাত্ৰাত তাৰ মানস সৃষ্টিত প্ৰভাৱ অত্যন্ত প্ৰবল। ভাৰতবৰ্ষত পাঁচহাজাৰ বছৰৰ আগৰ পৰা আৰম্ভ হোৱা কৃষি সভ্যতাৰ প্ৰথম কৃষিকাৰ্য্য আৰু সু-সংবদ্ধ সু-সভ্য জীৱনৰ পাতনি মেলে অষ্ট্ৰিক জাতিৰ লোকসকলে। তেওঁলোকে ধান, পান, কল, নাৰিকল আদিৰ খেতি কৰিছিল। সেয়ে যুগ যুগ ধৰি ভাৰতীয় সংস্কৃতি কৃষিভিত্তিক। সংস্কৃতিৰ কৃষিৰূপ বহু পৰিৱৰ্তনৰ পিছৰে পৰাৰ কৃষি সংস্কৃতি আজিও বিকশিত ৰূপত বৰ্তি আছে। প্ৰথম মহাসমৰৰ সময়তেই অৱশ্যে আমাৰ দেশত আধুনিক শিল্প উদ্যোগৰ সূচনা হৈছিল।

আমাৰ দেশ কৃষিপ্ৰধান হোৱা সত্বেও পূৰ্বতে আত্মনিৰ্ভৰশীল নাছিল আৰু আজিও এশ শতাংশ নিৰ্ভৰশীল হৈছে বুলি ক'ব নোৱাৰি। স্বাভাৱিকতে কেতিয়া কৃষকসকলে অসমৰ দেৱতাৰ ১৮ পৃষ্ঠাত...

# অসমীয়া জাতিৰ আয়ুস ৰেখাৰ এটি বিন্দু

❑ শেৱালি শইকীয়া বৰদলৈ

চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি
ফুলিলে ভেবেলি লতা
কৈ নো কৈ থাকিলে ওৰকে নপৰে
ব'হাগৰ বিহুৰে কথা

সহজ-সৰল চহা কবিৰ ভাষাত ব'হাগ বিহুৰ কথা কৈ শেষ কৰিব নোৱাৰি। বহুবোৰ বিহুগীতৰ যোজনাও ব'হাগ বিহু 'অতি চেনেহৰ', 'নেপাতি কেনেকৈ থাকে', 'বহাগতে ধেমালি কৰো' ধৰণৰ। অসমৰ লোক-সংস্কৃতিবিদসকলৰ মতে ব'হাগ বিহু হ'ল উৰ্বৰা বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত, লোক বিশ্বাসেৰে ভৰপূৰ এক কৃষিভিত্তিক উৎসৱ। অসম ৰত্ন তথা সঙ্গীতসূৰ্য ড০ ভূপেন হাজৰিকাদেৱে বহাগ বিহুৰ সৰ্বশ্ৰেষ্ঠ মাত্ৰা প্ৰদান কৰি কৈ গৈছে-

ব'হাগ মাথোঁ এটি ঋতু নহয়
নহয় ব'হাগ এটি মাহ
অসমীয়া জাতিৰ ই আয়ুস ৰেখা
গণজীৱনৰ ই সাহ।

কৃষিজীৱি গণজীৱনৰ গোঃধন সমস্ত অসমীয়া জাতিৰ সাহ। গো-ধনৰ সৈতে কৃষকৰ আয়ুস ৰেখা বান্ধ খাই আছে। অসমীয়া জাতিৰ এই আয়ুস ৰেখাডালৰ প্ৰথম বিন্দুটোৰ নামেই গো-ধনক আদৰ সন্মান জনোৱা কৃষকৰ হেঁপাহৰ গৰু বিহু। কৃষিজীৱি জীৱনৰ প্ৰধান সম্বল গৰুহাল। অসমীয়া সমাজত 'গো লক্ষ্মী, মহালক্ষ্মী বুলি গৰুক পৱিত্ৰ জ্ঞান কৰা হয়। ততে স্বয়ং ভগৱান শ্ৰীকৃষ্ণইও বাল্যকালছোৱা গো-পালকৰূপেই পাৰ কৰিছিল বুলি শাস্ত্ৰ-শাস্ত্ৰাদিত বৰ্ণিত আছে। ফকৰা যোজনাতো সমাজত গো-ধনৰ গৰাকীক উচ্চস্থান দিয়া বুলি উল্লেখ আছে- 'যাৰ নাই গৰু সি সবাতোকৈ সৰু'

অসমীয়া কৃষিজীৱি গণজীৱনৰ আদৰৰ গৰু বিহুৰ দিনা পৰম্পৰাগত লোকাচাৰসমূহ পৰম আগ্ৰহেৰে পালন কৰাৰ মাজত যেন প্ৰতিজন অসমীয়া মানুহৰ আয়ুস বান্ধিবলৈ যত্ন কৰে।

গৰুবিহুৰ দিনা উষা লগ্নত কৃষিজীৱি পৰিয়ালৰ লোকসকলে পোৱা শেতেলি এৰি অন্তহীন ব্যস্ততাৰে মুখৰ হৈ পৰে। গো-ধনক গা-ধুৱাবৰ বাবে খাটি মাহ আৰু হালধী পিহি জাতি লাউ, বৰবেঙেনা, মাটি কেৰেলা, মাটি তিয়ঁহ, বৰথেকেৰা, হালধী টুকুৰা টুকুৰকৈ কাটি বাঁহৰ চাটত গুঠি গৰুৰ চাট তৈয়াৰ কৰে। দীঘলতি পাতেৰে গৰুৰ গাত কোবাই সুবিধা অনুসৰি নদী বা পথাৰলৈ গৰুক গা ধুৱাবলৈ লৈ যোৱা হয়। তাতে গৰুৰ গালৈ চাটৰ সকলো বস্তু দলিওৱাটো নিয়ম। অঞ্চল বিশেষে গৰুৰ চাটৰ বস্তু মানুহৰ গালৈ দলিয়াই আনন্দ স্ফুৰ্টি কৰে। তাৰ পাছত গৰু চাট যি কোনো এঘৰৰ সৈতে সলাই আনি গৰুৰ গোহালিত গুজি থোৱা হয়।

বিয়লি পৰত পথাৰৰ পৰা গো-ধন ঘৰলৈ অহাৰ সময়ত পদূলিৰ মূৰত আৰু গোহালিত তুঁহ জুই জ্বলাই ডাঙৰ জাগ আৰু মাখিয়তি পাতেৰে গৰুৰ জাগ তৈয়াৰ কৰা হয়। বিশ্বাসমতে এই জাগৰ ধোঁৱাই গো-ধনক ম'হ-ডাঁহে আক্ৰমণ কৰাৰ পৰা ৰক্ষা কৰে। তৰা পাতেৰে পকোৱা ন-পঘাৰে সৈতে তুলসীৰ মালা পিন্ধাই গো-ধনৰ বাবে ন-বস্ত্ৰৰ জ্ঞান কৰা হয়। ঘৰৰ মূল মহিলাগৰাকীয়ে গোহালিত সেই সময়তে পিঠা খুৱাই কীৰ্তন ঘৰত গৰু বিহুৰ প্ৰসাদ দিয়াৰ নিয়মো ঠাই বিশেষে আছে। গৰুৰ জাগ জ্বলি থকাৰ সময়তে বিচনীৰে জাগত বা দি গৰুৰ গাত বা দিয়াৰ পাছতহে মানুহে বিচনীৰ বা লোৱাটো নিয়ম। লোক বিশ্বাস অনুসৰি এনে কৰাৰ অন্তৰালত মানুহৰ মুৰ ঘূৰোৱা ৰোগ নহয়।

গৰুৰ বিহুৰ দিনা নাহৰ গছৰ পাতত 'দেৱ দেৱ মহাদেৱ/নীলগ্ৰীৱ জটাধাৰ/বাতং বিষং হৰং দেৱ/ নমস্তুতে মহাদেৱ" মন্ত্ৰ লিখি ঘৰৰ ছালত খুচি ৰখা হয়। লোক বিশ্বাসমতে সেই দিনা মন্ত্ৰপুত এই পত্ৰ আঁৰি ৰাখিব পাৰিলে বতাহ ধুমুহাৰ পৰা বাসগৃহটো অনিষ্ট নোহোৱাকৈ ৰক্ষা পৰে।

আবেলি গৰুৰ চাটৰ বস্তুৰ সৈতে নহৰু আৰু মাহ-হালধী বটাৰে সৈতে পনীয়া মিশ্ৰণ তৈয়াৰ কৰি ঘৰৰ চাৰিওকাষে চটিয়ায়। বিশ্বাসমতে এনে কৰাৰ ফলত ঘৰৰ ভিতৰলৈ সৰ্প নোসোমায়।

গো-ধনক লালন পালন কৰি দিনটো উপবাসে থকাৰ অন্তত গধূলিলৈ এশ এবিধ শাকেৰে আঞ্জা ৰান্ধি খোৱাটো অসমীয়া সমাজৰ এক পৰম্পৰাগত লোকাচাৰ আৰু লোক বিশ্বাস। অসমৰ প্ৰতিবিধ তৰু, তৃণ-লতিকা ঔষধি গুণেৰে ভৰপূৰ। গৰু বিহুৰ দিনা এশ এবিধ শাকৰ আঞ্জা ৰান্ধি খালে বহুবোৰ ৰোগৰ পৰা দূৰত থাকিব পাৰি বুলি বিশ্বাস কৰা হয়। লগতে পুৱাতেই যোগাৰ কৰা গৰুৰ চাটৰ পাচলি সমূহৰো আঞ্জা ৰান্ধি খোৱাৰ লগতে কেঁচাতেই পুৱা বেলাতে খোৱাৰ নিয়ম প্ৰচলিত আছে। বিহুৰ দিনা আমৰলি বৰুৱাৰ টোপৰ লগত হাঁহ কণী ভাজি খালে নাকৰ এঁৱা ভগা ৰোগ নহয় বুলি বিশ্বাস কৰা হয়।

গৰু বিহুৰ দিনাই নামঘৰত শৰাই এভাগি দিয়াৰ নিয়ম আছে-

গৰু বিহুৰ দিনা শৰাই আগবঢ়োৱা
তেহে পাবা বৈকুণ্ঠ স্থান (থান)

জ্যেষ্ঠসকলে কনিষ্ঠসকলক নতুন বস্ত্ৰ দান কৰাৰ পৰম্পৰাও প্ৰচলিত আছে। গাঁৱৰ জ্যেষ্ঠ অথবা বৰমূৰীয়াজনৰ পৰা আৰ্শীবাদ লৈ গৃহস্থৰ কুশল কামনা কৰি হুচৰি গোৱা পৰম্পৰাৰ আৰম্ভনি গৰু বিহুৰ দিনাৰ পৰাই কৰা হয়।

গধূলিলৈ জীয়াৰী-বোৱাৰীহঁতে হাতত জেতুকাৰ বোল লয়। জেতুকা পাতৰ লগত বৰ্হমথুৰি, কেঁহাৰাজ, ডালিমৰ কোঁহ, পানৰ পিপলি বা পকাপান জেতুকাৰ সৈতে পিহি লগালে জেতুকাৰ ৰঙ গাঢ় হোৱাৰ লগতে গৰু বিহুৰ দিনা জেতুকাৰ বোল লগালে চৰ্মৰোগ নাশ হয় বুলি প্ৰচলিত লোক বিশ্বাস আছে।

মুঠ কথাত বিহুৰ যোজনাত উল্লেখ থকাৰ দৰে ব'হাগ বিহুৰ কথা কৈ অন্ত পেলাব নোৱাৰি। সাদিনীয়া ব'হাগ বিহুৰ প্ৰথম দিন গৰু বিহুৰে অন্তহীন কথাৰ লগতে অসমীয়া জাতিৰ আয়ুস ৰেখাডালৰ ই মাথো আৰম্ভণি বিন্দু আৰু এই বিন্দুতেই ফুটি উঠিছে অসমীয়া জাতিৰ সিন্ধু।

*ভ্ৰাম্যভাষঃ ৯৮৬৪৭০৭০২৮*

## বহাগ

### কিছু অনুভৱ, কিছু ভাৱনা

❑ বৰ্ণালী দুৱৰা বৰা

দৃশ্যপট-১

পুৱা চৰাইৰ কিচিৰ-মিচিৰ মাতত সাৰপাই মোৰ কোঠাৰ খিৰিকীখন খুলি দিলো। হুৰমূৰকৈ সোমাই আহিল এচাটি বতাহ। চেঁচা বতাহচাটিয়ে চুই গ'ল দেহ মন। ইচ্ছা কৰিয়েই খিৰিকীখন জপাই নিদিলো। মনৰ জপাটোতে ভৰাই থওঁচোন দেহ-মন চুই যোৱা এই মলয়া চাটি। এৰা, গাঁওবোৰ নগৰ হ'বলৈ ঢাপলি মেলিছে। প্ৰকৃতিজনীও সলনি হৈছে নেকি বাৰু। নাই, ভাবিবলৈ মন নাযায়চোন। ৰৈ থাক ফাগুনী পচোৱা গালে মুখে চুই .... হয়তো বৰদৈচিলাজনী মাকৰ ঘৰলৈ যাবলৈ যো-যা চলাইছে... নে 'কুঁহিপাত'ৰ বুকুতে থাকি যাব চ'তৰ শেষত বৰদৈচিলা মাকৰ ঘৰলৈ যায়।

দৃশ্যপট-২

লাহেকৈ ওলাই আহিলো আগফালৰ চ'ৰাঘৰৰ গাতে লাগি থকা বাৰান্দালৈ। দুহাতৰ মণিবন্ধনেৰে পিৰিকটি মোহাৰি চাই পঠিয়ালো মোৰ ঘৰৰ দীঘল পদুলিটোলৈ। কাষৰে বৰদেউতাৰ ছোৱালী ভনীমাইয়ে তাঁতবাটি কৰাৰ আয়োজন কৰিছে। মই আগুৱাই গৈ সিজাই থোৱা সূতাবোৰ আৰু উঘাকেইটা পিটিকি চালো। সিদিনা প্ৰদৰ্শনীত দেখা কেইটাতকৈ সুগঢ়ী আৰু মসৃণ। হয়তো আঘোণী বাইৰ শৈল্পীক হাতৰ পৰশে গঢ়া সেইবাবেই ছাগে মনে মনে গুণগুণালো, 'সৰু সূতাৰ চেলেংখনি, বৈ দিয়া সৰুভনী, হুঁচৰি গাবলৈ যাওঁ...'। কিন্তু হুঁচৰি গাবলৈ সৰুভনীৰ চেলেংখনি ল'বলৈ কোনজন ডেকাৰ সময় ওলাব? যদিহে ওলায়ো তেনে নিশ্চয়কৈ সেই বিহু হুঁচৰিৰ দলে বৰগছৰ তলত নহয়, কোনোবা বিহু প্ৰতিযোগিতাৰ মঞ্চহে শুৱনি কৰিবগৈ। আজিকালি সকলোবোৰ প্ৰতিযোগিতাতেই ৰৈছেগৈ নেকি বাৰু? সম্প্ৰতি এই বিহুনামবোৰ গাঁৱৰ সমাজৰ ৰীতি-নীতি আগতে সদা ব্যৱহৃত সাঁ-সঁজুলি সকলোবোৰ কোনোবা গৱেষকৰ গৱেষণাগাৰহে সমল। এইয়া



ছাগে আমাৰ উত্তৰণ।

দৃশ্যপট-৩

হাতত মৰাপাটৰ মুঠা এটা লৈ ওচৰৰে কণল'ৰা দাইটিয়ে মুখেৰে ভোৰভোৰাই অহা শুনি মাত দিলো, বোলো দাইটি কি ভোৰভোৰাই আহিছানো হয়নে? দাইটিয়ে টপৰাই ক'লে- কি কবি আইজনী, এই দুখন হাতেৰেই দুবিঘা-তিনিবিঘা মাটিত মৰাপাটৰ খেতি কৰিছিলো। চাচোন বাৰু, এই মুঠি মৰাপাটৰ দাম দুকুৰি দহ টকা হ'ব লাগেনে? দেশখনত জুই লাগিল বুজিছ। গৰুৰ পঘা কেনেকৈ বতিবি আৰু? মনত পৰি গ'ল 'ডাৱৰ আৰু নাই'ৰ সেই প্ৰস্তাৱনাৰ শাৰীটিলৈ 'বজাৰত জুই লাগিছে...' কিন্তু এইয়া জানো মহাযুদ্ধৰ সময়? তেন্তে কি? কৰ্মবিমুখ আমি অসমীয়াই মৰাপাটেই কিয়, গাখীৰৰ পৰা তিললৈকে সকলো কিনিছো আৰু কিনিব লাগিব। নহ'লে যে বিহু বুলিও কোনোবা এজন আলহী ঘৰলৈ আহিলে মুখৰ আগত যাচিবলৈকে একো এটা নাথাকিব। বজাৰৰ পৰা কিনি অনাই হওঁক লাগিলে। অন্ততঃ পৰম্পৰাৰ খাতিৰতে...।

বাউলী ফাগুনীজনীয়ে লঠঙা কৰি থৈ যোৱা গছ-বনবোৰে বসন্তৰ পৰশ পাই কুঁহিপাত মেলিছে। কংক্ৰিটেও ধৰি ৰাখিব পৰা নাই বহাগীজনীক। কেকো জেকোকৈ হ'লেও উপস্থিতিৰ উমান দিবলৈ যেন উঠি পৰি লাগিছে তাই। নাজানো কুলীজনীৰ সুৱদি মাতে মন চুই গৈছেনে নাই, নে কেতেকীৰ বুকু ভঙা বিননিয়ে হিয়াত কঁপনি তুলিছে। স্বপ্নৰ চহৰ আৰু ফৰলেন নিৰ্মাণৰ বাবে ওখ গছবোৰে চোন প্ৰাণ আহুতি দিলে। কুলি-কেতেকীয়েনো ক'ত বহি বহাগৰ বাতৰি দিব।

তথাপিও বসন্তৰ কোলাত বহাগ আহিছে আৰু আহি থাকিব। প্ৰকৃতি শুৱনি কৰা বসন্তৰ উন্মাদনাই উন্মনা কৰে প্ৰতিজন অসমীয়াক। চেনাইৰে আলফুলীয়া কপৌফুলপাহ বিহুনামতেই ফুলি নাথাকি শুৱনি কৰকহি যেন চেনেহীৰ কলডিলীয়া খোপাটি। প্ৰেম আৰু মিলনৰ সাক্ষী হৈ ৰওক বৰগছৰ তল। নতুন প্ৰত্যাশাৰে আদৰি আনিম সকলোৱে এইবেলিৰ বহাগক। ৰঙালীৰ ৰঙেৰে ৰঙীন হৈ প্ৰাপ্তিৰ আনন্দৰে ভৰি উঠক সকলোৰে মন।

৯১০১২৭৯০৪১

# জাপানী কথা সাহিত্যৰ প্ৰাণ শক্তি কেনজাবুৰো

❑ ৰুবুল মাইবেলা

আধুনিক বিশ্ব কথাসাহিত্যত যিকেইগৰাকী বিশিষ্ট সাহিত্যিকে নিজস্ব প্ৰতিভাৰ স্বাক্ষৰ বহ ন কৰিবলৈ সক্ষম হৈছে সেইসকলৰ ভিতৰত কেনজাবুৰো ৱই অন্যতম। লেখক হিচাপে তেওঁৰ উত্থান বিংশ শতিকাৰ ষাঠি দশকত যদিও জাপানী সাহিত্যৰ তেওঁৰ প্ৰথম গৰাকী লেখক যি মানুহৰ আভ্যন্তৰীণ চিন্তা-ভাৱনাক প্ৰাসঙ্গিকতা প্ৰদান কৰিছিল। মানৱ মনৰ যি চিন্তাস্ৰোত অস্তিত্বশীলতাসেয়া প্ৰায় স্বাভাৱিকভাৱে উচ্চাৰণৰ মাধ্যমেৰে প্ৰকাশ নহয়। ভাৰ্জিনিয়া উল্‌ফ, জেমছ জয়ছ. চৈয়দ ৱালী উলশ্বাহ আদি লেখক সকলে সেই মনস্ৰোতধাৰাক বাণীৰূপ দিয়াৰ চেষ্টা কৰিছিল তেওঁলোকৰ সাহিত্য বিষয়ৰ লগত সংগতিপূৰ্ণভাৱে। কেনজাবুৰোৰ ওপৰত এইসকলৰ কম-বেচি পৰিমাণে প্ৰভাৱ পৰাৰ পৰিলক্ষিত হয়। তথাপি কেনজাবুৰোৱে পশ্চিমীয়া ভাৱকল্পক সাৰ্থকভাৱে ব্যৱহাৰ কৰি জাপানৰ কথা সাহিত্যক নতুন প্ৰাণশক্তি সঞ্চাৰিত কৰে।তেওঁৰ ফৰাচী সাহিত্যৰ পাঠৰ বিষয়টোৱে নতুন মাত্ৰা সংযোজন কৰে। জ্যাঁ পল চাৰ্ত্ৰে আৰু আলবেয়াৰ কেমুৰ অস্তিত্ববাদী ৰচনাৰ মাজেদি নিজৰ বাবে এক নতুন পথ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত জাপানী সাহিত্যৰ এই গৰাকী নমস্য সাহিত্যিক সফল হৈছিল বুলি ক'ব পৰা যায়।

জাপানত আধুনিক সাহিত্যৰ যুগ আৰম্ভ উনৈশ শতিকাৰ মাজৰ সময়খিনিত। ১৯৮০ চনৰ পৰা বৰ্তমান সময়লৈকে যি আধুনিক সাহিত্যৰ ধাৰা প্ৰৱাহিত হৈ আহিছে তাত পশ্চিমৰ প্ৰভাৱ লক্ষণীয়। গ্ৰেট ব্ৰিটেনৰ শ্ৰেষ্ঠ সাহিত্য কৰ্মসমূহ আৰু বিশেষকৈ আমেৰিকাৰ বিশ্ব শ্ৰেষ্ঠলেখকসকলৰ লেখনিসমূহ এই সময়খিনিত জাপানী ভাষালৈ ব্যাপক হাৰত অনুবাদ কৰা হৈছিল। লগতে আগ্ৰহী পাঠকসকলৰ সন্মুখত মুকলি হৈছিল নতুন দিগন্তৰ। কোনো সন্দেহ নোহোৱাকৈ পশ্চিমীয়া শিক্ষা,ভাৱধাৰা আৰু সংস্কৃতি আধুনিক জাপানৰ সমাজ জীৱনৰ লগত মিলি গৈছিল। এছিয়া মহাদেশৰ উন্নতম এই দেশ বৰ্তমান বিশ্বত উপযুক্ত ভাৱপ্ৰকল্পত অন্তভুৰ্ক্ত হৈছে। কিন্তু জাপানীসকল অতি ঐতিহ্য সচেতন। কাৰ্যততেওঁলোকৰ আধুনিক সাহিত্যৰ ভিত্তিমূলত প্ৰাচীন জাপান সদায় সক্ৰিয় ৰূপত থাকে। জাপানী লেখকসকল প্ৰাণচেতনাৰ দিশৰ পৰা জাপানী কিন্তু শিল্প সাহিত্যৰ ৰূপকৰ্মৰ দিশৰ পৰা পাশ্চাত্যৰ। পশ্চিমীয়া শিল্পকলাৰ আংগিক আৰু গঠন ৰীতি জাপানীসকলৰ চিন্তাপ্ৰৱাহত অতীতৰে পৰা প্ৰৱাহিত হৈ আছিল। এই চিন্তা প্ৰৱাহতকেনজাবুৰোৱে সৃষ্টিশীলতাৰ নতুন দিগন্ত উন্মোচন কৰে।

জাপানী সাহিত্যত আধুনিকতাৰ লক্ষণ প্ৰথম দেখা গৈছিল ৪৫০ বছৰৰ পূৰ্বে। ১৫৫৫ বৰ্ষৰ পিছত বৰ্হিবিশ্বৰ লগত জাপানৰ যোগসূত্ৰ স্থাপন হয়। যোগসূত্ৰ ঘটে প্ৰধানত চীনৰ যোগেদি। প্ৰাচ্যৰ বহু দেশৰ চিন্তা-চেতনাই জাপানত প্ৰৱেশ কৰে। ফলস্বৰূপে জাপানত নতুনধৰণৰ শিল্প সৃষ্টি হয়। বিশিষ্ট আঙ্গিকৰ কাব্য 'হাইকু' আৰু 'কিৱকা' এই সময়ৰ সৃষ্টি। পুতলা নাচৰো এই সময়খিনিতে প্ৰৱৰ্তন হয়। নৃত্য-নাটকৰ মাজতো নতুন ভাৱনা,নতুন প্ৰাণ সঞ্চাৰিত হয়। পৃথিৱীৰ বিভিন্ন দেশলৈ জাপানৰ চিন্তা-চেতনা প্ৰৱাহিত হয়।

কেনজাবুৰো ৱইৰ জন্ম ১৯৩৫ বৰ্ষত। টোকিও বিশ্ববিদ্যালয়ৰ পৰা ফৰাচী সাহিত্যৰ উচ্চতৰ ডিগ্ৰী গ্ৰহণ কৰে। ছাত্ৰাৱস্থাত প্ৰকাশিত তেওঁ প্ৰথম গল্প সংকলন 'অদ্ভুত বৃত্তিয়ে'(A Strange job) পাঠক-সমালোচকৰ দৃষ্টি আকৰ্ষন কৰিবলৈ সক্ষম হয়। ইয়াৰ পিছৰ গল্প সংকলন Lavish Are The Dead য়ে পাঠকৰ পৰা ব্যাপক সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ কিছু বছৰৰ পিছত প্ৰকাশ হয় আন এখন গল্প সংকলন 'নগদ প্ৰাপ্য' (The Catch)ৰ। এই সংকলনে তেওঁলৈ কঢ়িয়াই আনে আকুতাগৱাৰ জাপানৰ সন্মানীয় বঁটা। বিশ্ববিদ্যালয়ৰ দুৱাৰ দলিত ভৰি দিয়াৰ আগতে তেওঁ এগৰাকী লিখক হিচাপে স্বীকৃতি লাভ কৰাৰ লগতে পৰিচিতহৈ পৰে। এয়া ১৯৫৬-৫৭ বৰ্ষৰ কথা। চীন-জাপানৰসাহিত্য প্ৰতিনিধি দ'লৰ সদস্য হিচাপে তেওঁ১৯৬০ বৰ্ষত জাপান ভ্ৰমণ কৰে। ১৯৬১ বৰ্ষত ইউৰোপ যাত্ৰা কৰে। পেৰিছত তেওঁৰ সাক্ষাৎ ঘটে জ্যাঁ পল চাৰ্ত্ৰেৰ লগত।

কেনজাবুৰোৰ গল্প-উল্যাস আখ্যান বা কাহিনী আধাৰিত হলেও স্বদেশভিত্তিক, আঙ্গিকৰ বিচাৰত সেই সমূহ ইউৰোপীয়। ফলস্বৰূপে এইগৰাকী লেখকৰ যিবিলাকলেখনি ইংৰাজীলৈ অনুবাদ হৈছিল সেই বিলাকে মাৰ্কিন, বিট্ৰিছ আৰু ফৰাচী সমালোচকসকলৰ ব্যাপক প্ৰশংসা অৰ্জন কৰিছিল। দৃষ্টিভংগী আৰু প্ৰকাশ ৰীতি উভয় কাৰণতেই কেনজাবুৰোৰ লেখনিয়ে বিশ্বসাহিত্যৰ মৰ্যাদা অৰ্জন কৰাৰ বাবে সক্ষমতা লাভ কৰিছে। অতি উচ্চখাপৰ উৰ্বৰ কল্পনা শক্তি,বহুমুখি বিষয়বস্তু, উদাৰ-গভীৰ আত্ম দৰ্শন, সৰ্বোপৰি শক্তিশালী নিৰ্মাণ



শৈলীয়ে তেওঁক দেশ-বিদেশৰ আধুনিক কথা সাহিত্যৰ পৰা স্পষ্ট ৰূপত পৃথক কৰি তুলিছে।

একমাত্ৰ জাপানতে নহয় বিশ্বৰ আন দেশতো কেনজাবুৰোৰ সমতুল্য কোনো লেখককে আমি বিচাৰি পোৱা নাই। অতি কল্পনা যদিও বিপজ্জনক কিন্তু তেওঁ ভাৱে অতিনিৰাসক্তি ( যিটো শুদ্ধ কথা সাহিত্যৰ এক বৈশিষ্ট্য)য়ে কল্পানাৰ লেকাম ডাল অধিক টানি ধৰিব বিচাৰে। তেওঁ এই সীমাৱদ্ধতাক অতিক্ৰম কৰিব বিচাৰিছিল। উপন্যাসত ব্যক্তিগত অনুষঙ্গ আৰু স্বীকাৰোক্তি ব্যৱহাৰৰ বিষয়েও তেওঁ অতি সৰ্তক। প্ৰসংগ ক্ৰমে উল্লেখ কৰিব পৰা যায় 'আই ন'ভেল'ৰ কথা। 'আই ন'ভেল' হৈছে কেনজাবুৰোৰ আবিৰ্ভাবৰ পূৰ্বে সুপ্ৰতিষ্ঠিত এক সাহিত্য ৰীতি, যি বিশেষ কোনো প্ৰক্ৰিয়া বা পূৰ্বনিদ্ধাৰিত পদ্ধতি অনুসৰণ নকৰে। কেনজাবুৰোৰ বৃহৎ সাৰ্থকতা এইখিনিতেই যে তেওঁ 'আই ন'ভেল'ৰ সৃজনশীলতাকো অতিক্ৰম কৰি গৈছে। এই বিশেষ সাহিত্য ৰীতিৰ সফলতম খনিকৰ হ'ল শিখা নাৱইয়া। A Dark Night`s Passing তেওঁৰ অন্যতম কীৰ্তিস্তম্ভ। কিন্তু এই উপন্যাসখন বিশুদ্ধ সাহিত্যৰ উৎকৃষ্ট নিদেৰ্শন,ইয়াৰ সকলো ইতিবাচক দিশ সত্বেও। আত্মৰ্দ্বন্দ্ব আধুনিক কথা সাহিত্যৰ এখ উল্লেখযোগ্য দিশ। কিন্তু নাৱইয়াৰ উক্ত উপন্যাসত দেখা যায় যে,প্ৰকৃতি আৰু নিজৰ মাজত সংঘাত পৰিহাৰ কৰা বাবে নায়কে নিজেই প্ৰকৃতিৰ লগত মিলি গৈছে। গ্ৰন্থখনৰ শেষত কোনো আত্মপ্ৰতীতি বা নতুন ভাৱনাৰ ইংগিত আমি বিচাৰি পাব নোৱাৰো। উপৰোক্ত কল্পানা-ভাৱনাৰ বহুমুখিতাৰ অভাৱ লক্ষ্য কৰা যায়।

কেনজাবুৰোৰ উল্লেখনীয় গ্ৰন্থসমূহ হ'ল- A Personal Matter(১৯৬৮), The Football Game of the First year of Man`s(১৯৬৫), The Silent Cry(১৯৬৭),The Waters Have Come in Unto My Soul(১৯৭৩), The Pinch-runner Memorandum(১৯৭৮), The Game of Contemporareity(১৯৭৯),A collection of Modern Grotesque Stories(১৯৮১), Wommen Who Listen to The Rain tree(১৯৮৩) Rouse Up oyoung Men of the New age(১৯৯০) ।

শেষৰ উপন্যাসখন 'আই ন'ভেল' শৈলীৰ। গতিকে সেই বৃত্তকো লেখকে ইয়াত অতিক্ৰম কৰিছে। এই গ্ৰন্থখন ৱাচাৱাগী জিৰো পুৰষ্কাৰে সন্মানিতহৈছে। The Waters Have Come in Unto My Soul য়ে লাভ কৰে নোমা সাহিত্যৰ পুৰষ্কাৰ। The Football Game of the First year of Man`s উপন্যাসখনে জয় কৰিছিল তাকিনাকি জুনিচিৰো পুৰষ্কাৰ। A Personal Matter উপন্যাসখনৰ স্থান এই সকলো বিলাকৰওপৰত। কিয়নো এইখন উপন্যাসৰ বাবেতেওঁ লাভ কৰিছিল বিশ্বৰখ্যাতি আৰু সন্মান। ১৯৯৪বৰ্ষত এই উপন্যাসৰ বাবে প্ৰথমতে চিনচো চা বএটা আৰু নোবেল বঁটা লাভ লাভ কৰে। উল্লেখযোগ্য যে কেনজাবুৰো দ্বিতীয় গৰাকী জাপানী লেখক যি নবেল বঁটাৰে সন্মানিতহৈছে। ইয়াৰ আগতে কাৱয়াবাতা ইয়াসুনাৰিয়ে ১৯৬৮ বৰ্ষত নোবেল বঁটা লাভ কৰিছিল।

দীৰ্ঘদিন ধৰি কেনজাবুৰো জাপানৰ সাহিত্যৰ মহলত বিৰ্তকিত ব্যক্তি। সাহিত্য প্ৰযুক্ত ভিন্নমত আৰু কলা-কৌশলেই এই বিৰ্তকৰ অন্যতম কাৰণ। ১৯৫৯ বৰ্ষত তেওঁ 'আমাৰ সময়'নামৰ এখন উপন্যাস লিখিছিল যাৰ মূল বক্তব্য হৈছে বৰ্তমানৰ সাফল্যৰ বাবে অতীতৰ সমৰ্থনক অস্বীকাৰ কৰা। জাপানী ঐতিহ্য অনুসৰি বৰ্তমান অস্তিত্বৰ সাফল্যৰ বাবে অতীতৰ সমৰ্থন কামনা অতি প্ৰয়োজনীয় বিষয়। কেনজাবুৰোৱে ইয়াক একেবাৰে গুৰুত্ব নিদি নাস্তিকতাবাদ আৰু শূণ্যতাৰ জয় ঘোষণা কৰিছে। এনেদৰে জাপানৰ শিক্ষিত সমাজত যাৰ বিৰাট অংশ ৰক্ষণশীল, তেওঁলোক বিৰাগভাজন হৈ পৰিছিল।

কেনজাবুৰোয়ে ২২-২৩ বছৰ বয়সত অদ্ভূত ধৰণৰ ভাৱ-কল্পানা আৰু ৰূপকৰ আশ্ৰয় গ্ৰহণ কৰিছিল তেওঁৰ কাহিনীত। বক্তব্যসমূহ অতি অভিঘাতী কৰি তোলাৰ লক্ষ্যেৰে Grotessque reality চিন্তা প্ৰয়োগ কৰিছিল। নৃতত্ব,মনসতত্ব আৰু নানাবিধ লোকাচাৰৰ ওপৰত ভিত্তি কৰি সাহিত্যৰ পটভূমি নিমাৰ্ণ কৰাৰ অন্তৰালত সৰ্বদাক্ৰিয়াশীল বুলি ক'ব পৰা যায়। অতি সুক্ষ্মভাৱে পৰ্যালোচনা কৰিলে দেখা যায় যে এই সাহিত্যসমূহৰ মাজত গঠনমূলক,আন নালাগে শিক্ষামূলক ভূমিকাও নথকা নহয়। অদ্ভুত বাসনাৰ বহুৰূপী চেহেৰা তুলি ধৰি সাহিত্যত চমক সৃষ্টি কৰা সাহিত্যিক গৰাকীয়ে বহুতো লেখনিত অতি সহজ-সৰল বৰ্ণনাভংগী প্ৰয়োগ কৰিছে। বিশেষকৈ বিদেশৰ মাটিত থকাৰ সময়ত ৰচনা কৰা গল্পসমূহত ইয়াৰ প্ৰভাৱ দেখা যায়। A Strage job আৰু Lavish Are the Dead¯ নামৰ গল্প দুটা ইয়াৰ বৈশিষ্ট্য বিৰাজমান। অৱশ্যে তেওঁ উত্তৰকালৰ ৰচনাসমূহতো এনে বিশেষত্ব দেখা যায়। লেখকৰ গাঁৱৰ লৰালি,জাপানৰ পৰাজয়, সম্ৰাটৰ স্বৰ্গীয় প্ৰতিমূৰ্তি,লেখকৰ প্ৰতিবন্ধী সন্তানৰ জন্ম, ৰূপান্তৰিত বাক প্ৰতিমা,নতুন আৰু আজৱ উপমা, বিচিত্ৰ বিষয়ৰকৌতূহল, আবেগৰ বিশিষ্ট প্ৰকাশ আৰু বহুতো দিশে কেনজাবুৰোৰ কথাসাহিত্যিকৰ ভাৱমূৰ্তি তৈয়াৰ কৰাৰ অন্তাৰালত ক্ৰিয়া কৰিছে। সকলোবোৰ লগ হৈ শেষৰ ফালেতেওঁৰ সাহিত্যই এক জটিল ৰূপ গ্ৰহণ কৰিছে। তেওঁৰ স্বতন্ত্ৰ আৰু প্ৰভাৱশালী ভাৱমূৰ্তি গঢ়ি তোলাৰ ক্ষেত্ৰত এইবিলাকৰ অৱদান অনস্বীকাৰ্য। এইবিলাকৰ মাজৰ একাধিক উপাদান লেখকৰ পৈণত বয়সৰ লেখনিৰ মাজতো বাৰে বাৰে ভুমুকি মৰা দেখা যায়। যেনে- ভানাবেগৰ বিশেষধৰণৰ প্ৰকাশ-কৌশল কেনজাবুৰোৰ সাহিত্যৰ এটা পুনৰাবৃত্ত বিষয়। তদুপৰি প্ৰতিবন্ধী সন্তানৰ জন্ম,লেখকৰ মানস চাঞ্চল্য আৰু আত্মৰ্দ্বন্দ্ব A Personal Matter উপন্যাসৰ মূল বিষয়, বাৰেবাৰে উভতি আহে তেওঁৰ লেখনিত। A Personal Matter উপন্যাসখনত অস্তিত্ববাদী ভাৱনাৰ প্ৰকাশ ঘটিছে। অতি সংক্ষেপত অস্তিত্ববাদ হ'ল পৃথিৱীৰ নিষ্ঠুৰতা, সমাজৰ পৰিৱেশৰ শত্ৰু ভাবাপন্ন, ফলত মানুহৰ বাবে বিষন্নতা অনিবাৰ্য। তাৰপিছতো মানুহে সুখ বিচাৰে। প্ৰকৃত সুখৰ সলনি বিচাৰি পায় নকল সুখ। ফলত প্ৰহেলিকা আৰু বিপদৰ মাজেৰে জীৱন অতিবাহিত কৰিব লগা হয়। এয়া কোনো নতুন ধাৰণা নহয়, সাহিত্যত বহুবাৰ বিষয়টো ব্যৱহাৰ হৈছে। উপন্যাসখনৰ অসাধাৰণ প্ৰকাশ ৰীতিয়ে পাঠকক বিশেষভাৱে আকৰ্ষিত কৰে। ইয়াত কোনো কাহিনী নাই। আছে এজন বিক্ষুদ্ধ হতাশ মানুহৰ বিহ্বল অনুভূতিৰ ধাৰাভাষ্য। বাৰ্ড নামৰ লোকজন ভয়ংকৰ, অতি বেদনাদায়ক এক অভিজ্ঞতাৰ সন্মুখীন হৈছে। তেওঁৰ পত্নীয়ে জন্ম দিছে এটি বিকলাংগ পুত্ৰ সন্তান। মস্তিষ্কৰ হাৰ্নিয়াৰ বাবে সন্তানটোৰ মূৰৰ অংশটো অস্বাভাৱিক ধৰণে স্ফীত। এই ঘটনাত প্ৰচণ্ড মানসিক আঘাতত জৰ্জৰিত হৈ পৰে বাৰ্ড। তেওঁ অসাধাৰণ বুদ্ধিসম্পন্ন,সংবেদনশীল লোক। ফলত ব্যৰ্থতাবোধ,হতাশাই তেওঁকনিমজ্জিত কৰি তুলিছে। আফ্ৰিকালৈ পলাই যোৱাৰ কথা ভাবিছে। এটা পৰ্যায়ত শিশুটোক হত্যা কৰাৰ কথাও ভাবিছে । হত্যাৰ দৰে জঘন্য কাম কৰাৰববে আগবাঢ়ি পৰিশেষত জ্ঞানচেতনা আৰু দায়িত্ববোধে তেওঁক এনে অপকৰ্ম কৰাৰ পৰাবিৰত ৰাখিছে। এই যুগৰ মানুহে সাংঘাটিক বিকাৰ, বীভৎসতাৰ মাজত জীৱন যাপন কৰিব লগা হৈছে,তাৰে প্ৰতীক উপন্যাসখন। আহত নায়কৰ মনোভাৱ আৰু চিন্তাস্ৰোত অনুসৰণ কৰাটো সাধাৰণ পাঠকৰ বাবে অতি কঠিন। কিন্তু যিসকল পশ্চিমৰ আধুনিক উপন্যাসৰ লগত পৰিচিত তেওঁলোকে ৱাৰ্ডৰ বিক্ষিপ্ত মনৰ ভাৱনাস্ৰোতৰ মাজতো অতীত, বৰ্তমান আৰু ভৱিষ্যতক বেলেগ কৰিব পাৰিব। যদিও উপন্যাসিকে এই ক্ষেত্ৰত অতীত পৰম্পৰাক সচেতনভাৱে। বিকৃত মূৰ লৈ জন্ম হোৱা পুত্ৰ সন্তান দেখাৰ পিছত ৱাৰ্ডৰ কেনেধৰণৰ প্ৰতিক্ৰিয়া হৈছিল তাক বৰ্ণনা কৰিছে এক অনন্য গদ্যশৈলীত। ৱাডক্ক নামৰ নায়কজন লেখক নিজেই এই কথা প্ৰায় স্পষ্ট হৈ পৰে। Bird gazed for bearingly at the incubator the nurse had indicated.He had been ১৭পৃষ্ঠাত...

১ পৃষ্ঠাৰ পৰা

# ঢোল

লোকসংস্কৃতি বহু পৰিমাণে ঐতিহ্য আৰু পৰম্পৰা নিৰ্ভৰ। মানসিক প্ৰশান্তিৰ সৰ্বোৎকৃষ্ট উপাদান সংগীত। সংগীত আৰু বাদ্যযন্ত্ৰ দুয়োটাৰে সম্বন্ধ একেটা মুদ্ৰাৰ দুটা পিঠিৰ দৰে। এটা জাতিৰ সংগীত প্ৰীতি আৰু শিল্পকলাৰ চেতনাৰ এক নিদৰ্শন বাদ্যযন্ত্ৰ। অসমতো অতি প্ৰাচীন কালৰে পৰা বিভিন্ন জনগোষ্ঠীৰ মাজত গীত-মাতৰ সমান্তৰালভাৱে বাদ্য সংগত কৰাৰ প্ৰথা প্ৰচলিত হৈ আহিছে। অসমৰ প্ৰাচীন আৰু জনপ্ৰিয় লোকবাদ্য ঢোল। লোকবিশ্বাস অনুসৰি বিশ্বাস কৰা হয় যে ঢোলৰ উৎপত্তি ব্ৰহ্মাৰ পৰা হোৱা। ঢোল সভ্যতাৰ আদিম বাদ্যযন্ত্ৰ। প্ৰত্নতাত্ত্বিকসকলৰ মতেও পৃথিৱীত প্ৰস্তৰ যুগৰ পৰাই ঢোলবাদ্যৰ প্ৰচলন পোৱা গৈছে। তদুপৰি বিজ্ঞসকলে মত পোষণ কৰে যে এক উন্নত সভ্যতা সিন্ধু উপত্যকাৰ অন্তৰ্গত মহেঞ্জোদাৰো আৰু হৰপ্পা সভ্যতাত অতীতত দীঘল আকৃতিৰ ঢোল ব্যৱহাৰ হৈছিল। অথৰ্ব বেদতো নৃত্যগীতৰ লগত ঢোলবাদ্য সংগত কৰাৰ উল্লেখ পোৱা গৈছে। লোকবিশ্বাস মতে ঢোল 'দেৱবাদ্য'। কৈলাশত এইবিধ দেৱবাদ্য উৎপত্তি স্থান। কৈলাশৰ পৰা ইয়াক মধ্যম পাণ্ডৱ অৰ্জুনে পৃথিৱীলৈ নমাই আনে বুলিও বহুজনে মন্তব্য কৰে। ঢোলৰ উৎপত্তিৰ লগত অম্বিক সকলো জড়িত। লোকবিশ্বাসমতে অম্বিকসকলে অতীজত পৃথিৱী উৰ্বৰা কৰিবলৈ, শস্য বৃদ্ধি কৰিবলৈ নাচিছিল, গাইছিল আৰু ঢোল বজাইছিল।

অসমত ঢোলৰ প্ৰচলন সুদূৰ অতীতৰ পৰা। অতীজৰে পৰা অসমত সংগীত চৰ্চাৰ সমানুপাতিকভাৱে বাদ্যযন্ত্ৰৰ প্ৰচলন হৈ আহিছে। কিয়নো আজিৰ পৰা শ শ বছৰৰ আগতেই ৰজা-মহাৰজাসকলে কোনো গুৰুত্বপূৰ্ণ সিদ্ধান্তপ্ৰজাক জনাব বিচাৰিলে সেনাপতিক দিয়া আদেশ 'ঢোলপিটি শুনাই হওঁক' কথাষাৰে প্ৰাচীন অসমত ঢোলৰ প্ৰচলন আৰু গুৰুত্বক সূচায়। প্ৰাচীন অসমৰ মঠ-মন্দিৰ, শিলালিপি, তাম্ৰলিপি, ভাস্কৰ্য, চিত্ৰপুথি, ধৰ্মপুথি, বুৰঞ্জীৰ সমল, বিশেষকৈ ৰামায়ণ, মহাভাৰত, পুৰাণৰ বিভিন্ন আখ্যান আদিত ঢোলবাদ্যৰ উল্লেখে ইয়াৰ গুৰুত্বৰ গভীৰতাকেপ্ৰকাশ কৰে।



ঢোলৰ নিৰ্মাণ শৈলীলৈ লক্ষ্য কৰিলে দেখা যায় ঢোলৰ মূল খোলাটো কাঠেৰে তৈয়াৰী। সহজলভ্য কঁঠালৰ কাঠেই ঢোল নিৰ্মাণৰ বাবে উত্তম। পুৰঠ কঁঠাল গছৰ ১৫ ফুটমান ওপৰৰ অংশ ঢোলৰ বাবে উপযুক্ত। আমাৰ ডাক পুৰুষেও কৈছে- বাবহাতে ঢোল তেৰহাতে খোল। ঢোলৰ তালি ফালটোৰ ফালে ছাগলীৰ ছাল আৰু কোবনি ফালটোৰ ফালে গৰুৰ ছাল ব্যৱহাৰ কৰা হয়। ছালকেইখন জোখত কাটি ছামৰাৰ বৰতীৰে টানি টানি বন্ধা হয়। বৰতীৰ টান কম বেছি কৰি ঢোলৰ সুৰ বন্ধন কৰা হয়। বুঢ়া গুৰি বাঁহৰ টুকুৰা মাজত গাঁথি ৰাখি চাঁচি-চাঁচি ঢোল বজোৱা মাৰিডাল বনোৱা হয়। ঢোলটো কান্ধত ওলমাবৰ বাবে ব্যৱহাৰ কৰা দীঘল জৰীডালক কান্ধজৰী বোলা হয়। ঢোলৰ অংগবোৰ হৈছে (ক) খোলা (খ) কোবা (খ) তালি (ঘ) মলুৱা (ঙ) কাটনিছাল (চ) পুলি (ছ) বৰতি (জ) ফৰিঙা (ঝ) কুনাই।

ঢোলৰ আকাৰ ভিন ভিন। সেয়ে ঢোলৰ আকাৰৰ লগতে পৰিৱেশিত অনুষ্ঠান আৰু বাদন পদ্ধতিভেদে ঢোলবাদ্যক জয়ঢোল, ঢেপাঢোল, বৰঢোল, বিহুঢোল, ওজাঢোল বা পাতিঢোল আদি ভাগত বিভক্ত। অৱশ্যে এটা কথা মন কৰিবলগীয়া যে দেখিবলৈ পৃথক হ'লেও প্ৰস্তুত পদ্ধতি সকলো প্ৰকাৰৰ ঢোলৰে একে।

সমগ্ৰ ভাৰতবৰ্ষ তথা অসমতে ঢোলক মাঙ্গলিক বাদ্য হিচাপে গণ্য কৰা হয়। সেয়ে অসমৰ প্ৰায়ভাগ শুভ অনুষ্ঠানতেই ঢোল পৰিবেশন কৰা হয়। বিশেষতঃ ঢোলৰ অবিহনে অসমীয়াৰ প্ৰাণৰো প্ৰাণ বিহুতলীখন আৰু বিবাহৰ লগত জড়িত পানীতোলা অনুষ্ঠানতো তেনেই নিঃসাৰ। অসমৰ জনজীৱন আৰু অসমীয়াৰ সাংস্কৃতিক মনটোক উদঙাই তোলে ঢোলৰ চেৱটোৱে ঢোলৰ মাজতেই প্ৰতিজন অসমীয়াৰে চহা প্ৰাণটো সোমাই আছে। ঢোলৰ প্ৰতিটো চেৱতে লুকাই আছে কৰ্মদক্ষতা, সংস্কৃতিপ্ৰিয়তা আৰু প্ৰাণস্পন্দন। সেয়ে অসমৰ সকলো জনগোষ্ঠীৰে যিকোনো উৎসৱ অনুষ্ঠানত ঢোল অপৰিহাৰ্য।

আকাৰগত দৃশ্যত ঢোলবোৰ পৃথক পৃথক হোৱাৰ দৰে বজোৱা ধৰণ আৰু বোলৰ মাজতো পাৰ্থক্য আছে। একেখন অসমতে পৰিবেশন ৰীতিত উজনিৰ লগত নামনিৰ ঢোলৰ চেৱৰ পাৰ্থক্য পৰিলক্ষিত হয়। সভ্যতাৰ আদিম অৱস্থাৰে পৰা ঢোলৰ ব্যৱহাৰ হ'লেও বৰ্তমান বিশ্বায়নৰ প্ৰভাৱত ইয়াৰ বাদনশৈলী আৰু পৰিবেশনৰ নীতি-নিয়মত নতুনত্ব আহি পৰিছে। বৰ্তমান যুগ পৰিবৰ্তনৰ লগে লগে মানৱ সমাজত নতুন নতুন চিন্তা চেতনাৰ আগমণৰ ফলশ্ৰুতিত ঢোলে পূৰ্বৰ ৰীতি-নীতিৰ পৰা কিছু পৰিমাণে আঁতৰি আহিলেও বৰ্তমান লুপ্তপ্ৰায় নহৈ বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা হোৱাৰ অভিমুখে গতি কৰাহে পৰিলক্ষিত হয়। শেষত এটা কথা ক'ব পাৰি ঢোলৰ মাদকতাই অসমৰ জাতি-উপজাতিক একতাৰ ডোলেৰে বান্ধি ৰাখিবলৈ সক্ষম হৈছে।

*ভ্ৰাম্যভাষঃ ৭০০২৯৭৮৩৭৪*

১ পৃষ্ঠাৰ পৰা

# বিহুনাম . . .

এপৰ দুপৰ কৰি নিশা পাৰে হ'ব
আমাৰ বিহুত আমনি নাই,
ৰাতিৰ পৰে পৰে ফেঁচাই কুৰুলিয়াই
আমাৰ বিহু ভাঙোতা নাই।

আজি বিহু বিহু কালি বিহু বিহু
নাহৰ ফুল ফুলিবৰ বতৰ,
নাহৰ ফুলৰ গোন্ধ পাই লাহৰীৰ তৎ নাই
উজুতিত ভাঙি যায় যঁতৰ।

কঠীয়া তলিতে পানী চলু চলু
জাকৈ থেৰেচেৰেক বাওঁ,
পাৰেঁ কি নাপাৰেঁ আমাৰে শৰাইখন
খৰিকা মঙলখন চাওঁ।

এটা বাতিত নহৰু এটা বাতিত পনৰু
এটা বাতিত খুতৰা শাক,
মূৰৰ চুলি ছিঙি আশীৰ্বাদ কৰিছোঁ
গৃহস্থ কুশলে থাক।

লুইতৰ পাৰৰে গোধাকৈ শিমলু
গোৰ মাৰি ভাঙি যাওঁ ডাল,
গোৰ মাৰি ভাঙি যাওঁ বাটৰে জপনা
সিওঁ হ'ল শতৰু কাল।

অতিকৈ চেনেহৰ মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো,
তাতোকৈ চেনেহৰ বহাগৰ বিহুটি
নেপাটি কেনেকৈ থাকোঁ।

বিহুৰে বিৰিণা পাতে সমনীয়া
বিহুৰে বিৰিণা পাত,
বিহু থাকেমানে বিহুকে বিনাবি
বিহু গ'লে বিনাবি কাক।

বিহু মাৰি থাকিবৰ মনে সমনীয়া
বিহু মাৰি থাকিবৰ মন,
বিহু মাৰি থাকোঁতে পলুৱাই নিনিবি
ভৰিৰ লাগিব ধন।

এইবেলি বিহুটি মলঙি যাবগৈ
অহাবেলি বিহুটি পাম,
এইটো যৌৱনো কাল ভটীয়াই গলেগৈ
আৰু কাহানিকে পাম।

ওপৰে উৰিলে ক'ৰেছোন কনুৱা
পাখিতে পাখি লগাই,
আমি যোৰে পাতি উৰিবলৈ নেপালোঁ
আমাৰে জানো কপালত নাই।

হাতী পানী খালে ঐয়াঙে দৈয়াঙে
ঘোঁৰাই পানী খালে বৈ,
চেনাই পানী খালে পীৰিতি নিজৰাৰ
থিয়গৰাত খোপনি লৈ।

নৈলে হালিলে নদামি ভলুকা
পথাৰলৈ হালিলে কাক,
বুকুৰ হাড় ওলালে ডালি ডালি কৰি
কালৈ চিন্তা কৰি থাক।

তোমাৰ ঘৰ সিপাৰে আমাৰ ঘৰ ইপাৰে
মাজত বৰতানি হাবি,
খৰি শুকুৱাদি শুকালোঁ লাহৰী
তোমাক দিনে-ৰাতি ভাবি।

চকুৰে চকুৰে কি চাৱ মইনা
মই চালে তলমূৰ কৰ,
তই নৌ মাতোঁতেই মাতিব পাৰোঁ মই
জানোচা কেটেৰাই যাব।

ৰাতি মাজে নিশা বৰে ঘৰ এৰি যাম
এৰি যাম পেটৰে ভাত,
তুমি চাবা আমালৈ আমি চাম তোমালৈ
দেহাটি পৰিব শাঁত।

আগলৈ নেচালো ঘুৰিটি কাটিলোঁ
চিলা পৰেৱতৰ বাঁহ,
নিবিগৈ মিচিমিৰ দোৱানো বুজিলোঁ
চেনাই নুবুজিলোঁ আঁহ।

কানে চাই জাংকাই দিব পৰা যদি
গানো চাই খৰীয়া দিম,
মোক যদি চেনাই ঐ মোৰে বুলি লৰ
দেহা উবুৰাই দিম।

যোজনাঃ
আঁহো বৰৰ তলে, যাওঁ বৰৰ তলে
বৰৰে ঢপলা ঐ পাত,
পদুলী মুখতে সুহুৰী মাৰিমগৈ ঐ
ওলাই আহি লগাবি মাত।

বিহু নামঃ
এবাটি পানীতে এ সুৰ্বণ তোমাৰ নাম
আয়ে গা ধুৱালে এ সুৰ্বণ তোমাৰ নাম
পথালি কোলাতে লৈয়ে সুৰ্বণ তোমাৰ নাম
ডেকা জীৱনত বিহু গাম,
বুঢ়া হ'লে ল'ম হৰি নাম।

যোজনাঃ
ভোগদৈ নৈতে এ এ ভনী পলনো বাই আছিলো
এ এ ভনী চাবতনো পায়ে গলো কাছ।
একেজন ঈশ্বৰে এ এ ভনী তোকে মোকে স্ৰজিলে
এ এ ভনী কিনো ভালে বেয়া বাছ।।

যোজনাঃ
চতিয়নাৰ ওপৰো বেলি ঘৰে দুপৰে
মেলেঙত গধুলি ঐ হ'ল।
তুমি চোৱা আমালৈ আমিও চাওঁ তোমালৈ
মনৰ কথা মনতে ৰ'ল।।

বিহুনামঃ
হাম্বাৰ চাইকেল হাত ঘড়ী
লংপেণ্ট জোতা চুট কৰি, তুমি যদি
নাহা মাকন, সোমামগৈ মই মিলিটেৰীত।।

যোজনা ঃ
পল বায়ে বায়ে কান্দুলী তুলিলো
ঐ আমাৰ সৰুজনে নাখায়।
জুলুকী ভাঙিলো খালৈও ভাঙিলো, ঐ
থেকেচি ভাঙিলো ঐ জকাই।।

বিহুনাম ঃ
শেৱালি, বকুল ফুল যোৰহাটৰ গোলাপ ফুল
চেনিমৰা বাগিছাৰ চিঠি।
তোমাৰ লগতে মৰো শুকাই খিনাই
আমালৈ নিদিবা পিঠি।।

*সংগ্ৰহ - লীলা গগৈৰ 'নৈ বৈ যায়' (বিহুৰ চিত্ৰৰ পৰা)*

# পৰাগ চলিহা ছাৰৰ সান্নিধ্যত

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত যেতিয়া মই এম. এ. পঢ়িবলৈ গৈছিলো, তেতিয়া পৰাগ চলিহা চাৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক আছিল। তেখেতৰ নাম যদিও পৰাগধৰ চলিহা আছিল, সকলোৱে তেখেতক পৰাগ চলিহা বুলিয়েই জানিছিল। তেখেতৰ পিতৃ পদ্মধৰ চলিহা, নিজৰ অশেষ কষ্ট আৰু ৰাইজৰ সহযোগত জয়সাগৰৰ পাৰত জন্ম হোৱা শিৱসাগৰ কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল। তেখেতৰ সুযোগ্য পুত্ৰ পৰাগধৰ চলিহা আছিল এই কলেজৰে প্ৰতিষ্ঠাপক উপাধ্যক্ষ। পদ্মধৰ চলিহা একেধাৰে সাহিত্যিক, নাট্যকাৰ, গীতিকাৰ আৰু একাগ্ৰ কৰ্মনিষ্ঠাৰে পৰিপূৰ্ণ ব্যক্তি। পুত্ৰ পৰাগধৰ চলিহা পিতৃৰ সকলো গুণৰ অধিকাৰী হোৱাৰ উপৰিও তেখেতৰ আছিল অসীম সাংগঠনিক শক্তি। পিতৃ আৰু পুত্ৰৰ আশাসুধীয়া প্ৰচেষ্টাত অসমৰ ভিতৰতে চালে চকুৰোৱা কলেজ হিচাপে শিৱসাগৰ কলেজ গঢ় লৈ উঠিল। আজিও এই কলেজে সকলো দিশৰ পৰাই নিজৰ গৌৰৱ অক্ষুন্ন ৰাখিছে। পিতৃৰ অৱসৰৰ পিছতেই চলিহা চাৰে এই কলেজৰ অধ্যক্ষ পদত নিযুক্ত হয় আৰু তেখেতৰ অধ্যক্ষতাৰ কালতেই এই কলেজ দোপত দোপে আগবাঢ়ি গৈ এক নতুন মাত্ৰা লাভ কৰিলে। তেখেতৰ কাৰ্য্যকালতেই শিৱসাগৰ কলেজত অধ্যয়নকক্ষৰে সৈতে আটকধুনীয়া গ্ৰন্থাগাৰ, মাধৱ বেজবৰুৱাৰ নামত গঢ়ি তোলা বৃহৎ প্ৰেক্ষাগৃহ, পুৰাতাত্বিক বস্তুৰ সংগ্ৰহৰ বাবে নিৰ্মাণ কৰা যাদুঘৰে সেইসময়ত অসমৰ যিকোনো মহাবিদ্যালয়কে চেৰ পেলাই, এই মহাবিদ্যালয়ক উচ্চ আসনত বহুৱাবলৈ কোনেও কুণ্ঠাবোধ কৰা নাছিল।

১৯৬৮ চনত শিৱসাগৰ কলেজৰ অধ্যক্ষ পদ এৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত বেজবৰুৱা আসনৰ প্ৰথমগৰাকী প্ৰাধ্যাপক হিচাপে তেখেতে যোগদান কৰে। অতি দ্ৰুতগতিৰে যিকোনো বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰিব পৰা চলিহা চাৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰ্য্যবাহী পৰিষদৰো সদস্য আছিল। সেই সময়ত তেখেতৰ সবল সিদ্ধান্তক সকলোৱে সন্মান সহকাৰে গ্ৰহণ কৰিছিল। নিজৰ জাতি, নিজৰ ভাষা, নিজৰ দেশ, নিজৰ কৃষ্টি সংস্কৃতিক ঐকান্তিক ভালপোৱা চাৰে কেতিয়াও অন্যায়ৰ লগত আপোচ কৰা নাছিল। প্ৰয়োজন সাপেক্ষে যুঁজিবলৈও প্ৰস্তুত আছিল। কোনোবাই তাৰবাবে বেয়া পালেও আক্ষেপ কৰা নাছিল। চাৰ বৰ খঙাল আছিল। খঙত কাৰোবাক প্ৰথমতে বেয়াকৈ কলেও পিছত ভুলটো বুজি পালে পৰিস্থিতি সহজ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগটো চাৰৰ হাতত ঠন ধৰি উঠিছিল। খদ্দৰৰ চুৰিয়া আৰু দীঘল কুৰ্ত্তা পৰিহিত দীৰ্ঘদেহী, সুন্দৰ অৱয়বৰ চাৰ যেতিয়া শ্ৰেণী কোঠালে সোমাই আহে, এক গুৰুগম্ভীৰ পৰিৱেশো যেন লগতে লৈ আহে। আশ্ৰমত হে যেন আমি শিক্ষা গ্ৰহণ কৰিছোঁ তেনে অনুভৱ হয়। অসমৰ সাংস্কৃতিক বুৰঞ্জী 'গাঁওবুঢ়া' নাটক তেখেতে আমাক পঢ়ুৱাইছিল। নাটকখন পঢ়ুৱাওতে ইমান প্ৰাণঢালি পঢ়াইছিল যেন আমি বাস্তৱত এখন নাটকৰ অভিনয়হে চাই আছো। সময় কেনেকৈ পাৰ হৈছিল ক'বই নোৱাৰিছিলো। কিন্তু তেখেতে মুখৰ আগত পঢ়ুৱা কিতাপখন নাথাকিলে বেয়া পায়, খং উঠে, কেতিয়াবা কিতাপ নানিলে ছাত্ৰ বাহিৰলৈ ওলাই যাব লগা হয়। সেয়ে ল'ৰা চামৰ মাজত চাৰ 'বাঘ' নামেৰে পৰিচিত হয়। কিন্তু সেই 'বাঘ'ৰ অন্তৰ কিমান যে কোমল, পৰিস্থিতি সাপেক্ষে সকলোৰে বোধগম্য হয়। চাৰে এবাৰ মোক এটা প্ৰবন্ধ কপি কৰি দিবলৈ মাতি নিছিল ক্লাছ নথকা অৱস্থাত। চাৰৰ সময় নাই, আখৰ বেয়া। গতিকে মোক দায়িত্ব দিলে আৰু গান্ধীজীতকৈও বেয়া আখৰ পঢ়িব ভালদৰে পাৰিমনে সুধিলে। মই পঢ়ি দিলত চাৰ আশ্বস্ত হ'ল আৰু ময়ো সুন্দৰকৈ কপি কৰি দিলো। চাৰৰ আখৰ বুজি পোৱাত শলাগ ল'বলৈ নাপাহৰিলে।

চাৰ যেতিয়া ভাৰত চৰকাৰৰ সাংস্কৃতিক বিনিময় আঁচনিৰ অধীনত পূৱ জাৰ্মানিলৈ গৈছিল, আমি ছাত্ৰ-ছাত্ৰীসকলে বিমান বন্দৰত চাৰক আগবঢ়াই থ'বলৈ গৈছিলো। সেইবোৰ সুবিধা চাৰে কৰি দিছিল। সেইয়া ৭০ চনৰ কথা। আমাৰ খুব ভাল লাগিছিল। সঁচাকৈয়ে সেই সময়ত শিক্ষক ছাত্ৰৰ মধুৰ সম্পৰ্ক আছিল। এইজন চাৰেই ১৯৭২ চনত মোৰ বিয়াৰ আগদিনা উপাধ্যক্ষ পতিত পাৱন দাস চাৰৰ লগত যোৰহাটৰ ৰজাহাউলিত আমাৰ ঘৰত গধুলি ওলাইছিলগৈ। মই অভিভূত হৈ পৰিছিলো। আনন্দত মোৰ চকুৰ পানী বিৰিঙি উঠিছিল। মই আমাৰ বিভাগৰ সকলোকে বিয়ালৈ মাতিছিলো, কিবা কামত চাৰ যোৰহাটলৈ আহিছিল আৰু বিচাৰি বিচাৰি আমাৰ ঘৰ উলিয়াইছিলগৈ। এখন

❑ অমিয়া ভট্টাচাৰ্য বৰুৱা



বিশ্ববিদ্যালয়ৰ এটা বিভাগৰ এজন মুৰব্বী হিচাপে এজনী ছাত্ৰীৰ ঘৰত উপস্থিত হোৱাটো ইমান সহজ কথা নহয়। চাৰে মোৰ দেউতাক কৈছিল- 'অমিয়া আপোনাৰে ছোৱালী নহয়, মোৰো ছোৱালী।' এজনী ছাত্ৰীক কন্যা ৰূপত ভাবিব পৰাটো চাৰৰ মহানুভৱতা। এইয়া চাৰৰ সংবেদনশীল মনৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা নিভাজ মৰমৰ উজ্জ্বল চানেকী। চলিহা চাৰৰ সেই আশীৰ্বাদ আমাৰ জীৱনৰ বাবে পাথেয় হৈ ৰ'ব।

চাৰ এজন কৃতী শিক্ষকেই নহয়, এজন সমাজ দায়বদ্ধ ব্যক্তি। তেখেতৰ ব্যক্তিত্বৰ আগত অন্যায় অবিচাৰে তিষ্ঠিব নোৱাৰিছিল। হয়তো সেয়ে তেখেত এজন সফল ৰাজনীতিজ্ঞ হ'ব নোৱাৰিলে।

সৰুৰে পৰা নৃত্য, গীত, অভিনয়, সাহিত্যৰ লগত জড়িত থকা চলিহা চাৰে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালত পঢ়ি থাকোতেই গীত ৰচনা কৰিছিল। তেখেতৰ প্ৰথম গীতটি আছিল 'গীতৰ তৰি দিলো এৰি...'। প্ৰায় এশৰো অধিক গীত ৰচনা কৰা চাৰে বহুতো গীতৰ সুৰ নিজেই আৰোপ কৰিছিল। নিজে গাইছিল। কল্পনা বৰুৱা গুপ্তা, দিপালী বৰঠাকুৰ, তুলতুল ভৰালী আদিয়েও তেখেতৰ গীত পৰিৱেশন কৰিছিল বুলি জনা যায়। আনকি প্ৰথম স্বাধীনতা দিৱসত নিশা বাৰ বজালৈকে চাৰৰ দেশপ্ৰেমমূলক গীতৰ সুৰে গুৱাহাটীৰ ইমুৰৰ পৰা সিমুৰলৈ শ্ৰোতাৰ মন মুহিছিল।

সুললিত কণ্ঠৰ অধিকাৰী চাৰে হিন্দী, বঙালী, উৰিয়া আদি ভাষাৰো গীত পৰিৱেশন কৰিছিল। অল ইণ্ডিয়া ৰেডিঅ'ত বিহুগীত, আধুনিক গীত পৰিৱেশন, নাটকত কৰা অভিনয় আদিয়ে ভুয়সী প্ৰশংসা লাভ কৰিছিল। তেখেতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'অ' বন বসন্ত মঞ্জৰী, জিলিকা পাখিৰে আদিৰ বহুকেইটা গীতত সুৰ সংযোজন কৰিছিল। জ্যোতিপ্ৰসাদক এই সুৰে বৰ আপ্লুত কৰিছিল। তেখেতৰ গীতৰ সুৰ অসমৰ মাটিৰ সুৰ। বিহুগীত, বনগীত, আইনাম, বিয়ানাম আদি লোকগীতৰ প্ৰাধান্য বিদ্যমান। লোকগীত আৰু মাৰ্গীয় সঙ্গীতৰ অপূৰ্ব সমাহাৰে চলিহা চাৰৰ গীতক এক নতুন মাত্ৰা প্ৰদান কৰিছে। শিৱসাগৰ কলেজৰ সমবেত সঙ্গীত চাৰৰ নিজা সৃষ্টি। সেই সঙ্গীতৰ সুৰ, তাল, লয় আৰু শব্দশৈলীয়ে চাৰক সদায় সুঁৱৰিব, সুঁৱৰিব তেখেতৰ পাণ্ডিত্যক-

"পোহৰ বিচাৰি যাওঁ  
পোহৰ বিচাৰি যাওঁ  
আন্ধাৰৰ কাল যৱনিকা ভেদি  
সিপাৰে কি আছে চাওঁ।'

এশতকৈও অধিক চৰিত্ৰৰ সমাবেশেৰে ৰচনা কৰা "চাৰি হেজাৰ বছৰৰ অসম" তেখেতৰ বিৰল প্ৰতিভাৰ উজ্জ্বল চানেকি। ইমানবোৰ চৰিত্ৰৰ সমাবেশেৰে আলেখ্য ৰচনা কৰা ইমান সহজ কথা নহয়। চাৰৰ দৰে সুসংগঠক প্ৰকৃত শিল্পী এজনৰ বাবেহে ই সম্ভৱ হৈ উঠিছে। ড০ নগেন শইকীয়া চাৰে 'চাৰি হেজাৰ বছৰৰ অসম'ক চলিহা চাৰৰ অসম প্ৰেমৰ এক ঐতিহাসিক দলিল আখ্যা দিয়াৰ উপৰিও এই আলেখ্যখনিয়ে চাৰৰ 'সাংস্কৃতিক দৃষ্টিভঙ্গী, তেওঁৰ চিন্তা, অনুভৱ, দক্ষতা' এই সকলোৰে পৰিচয় বহন কৰিছে বুলিও মত প্ৰকাশ কৰিছে। অকল অসমতেই নহয়, দিল্লীতো এই নাট্যানুষ্ঠানৰ অভিনয়ে অভিলেখৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। 'সোন ৰূপ নেওচি' নাট আৰু 'চাৰি হেজাৰ বছৰৰ অসম'ক তেখেতে বোলচবিৰ ৰূপ দিয়াৰ আশা কৰিছিল। কিন্তু সি বাস্তবায়িত নহ'ল।

চাৰ এজন সফল অভিনেতা আছিল। পিয়লি ফুকন নাটকত নাৰায়ন চৰিত্ৰৰ অভিনয়, বানৰজা, চক্ৰেটিছ আদি ডিব্ৰুগড় অনাতাৰ কেন্দ্ৰত অভিনয়, অপৰাজেয়, এন্থনী মোৰ নাম আদি বোলছবিত অভিনয় কৰা চলিহা চাৰৰ অভিনয় দক্ষতা ইতিহাসে সুঁৱৰিব।

চলিহা চাৰৰ মহান কীৰ্তিৰ ভিতৰত শিৱসাগৰ নাট্য মন্দিৰলৈ আঙুলিয়াব পাৰি। শিৱসাগৰ নাট্য সমাজৰ সভাপতি হৈ থাকোতেই ভাৰতৰ ভিতৰতে উচ্চমান বিশিষ্ট এই আধুনিক নাট্য মন্দিৰটো নিৰ্মাণ কৰি থৈ গ'ল। অকল সেয়ে নহয়, শিৱসাগৰৰ সেউজীয়া সমাজ সঙ্গীত বিদ্যালয় প্ৰতিষ্ঠা কৰিলে। বিহুক গছতলৰ পৰা আনি মঞ্চত প্ৰতিষ্ঠা কৰাতো তেখেতে আগভাগ ল'লে বুলি জনা যায়।

কলেজৰ এশ একুৰি কামৰ মাজতো চাৰে খেলা ধূলা এৰি দিয়া নাছিল। বেডমিণ্টন, টেনিচ আদি খেলাৰ সু-খেলুৱৈ হোৱাৰ উপৰিও তেখেত সংগঠক আছিল, শিৱসাগৰত ষ্টেডিয়াম নিৰ্মাণত হাত দি খেলুৱৈক খেলাৰ প্ৰতি আগ্ৰহ জন্মাবলৈ সক্ষম হৈছিল। গাঁৱৰ সুপ্ত হৈ থকা বহুতো প্ৰতিভাক বাহিৰলৈ উলিয়াই আনিলে। মঘাই ওজাকো চাৰেই বৃহত্তৰ সমাজৰ আগলৈ উলিয়াই আনিছিল।

সময়ৰ নাটনিৰ মাজতে বহুমুখী প্ৰতিভাৰ গৰাকী চাৰে কেইবাখনো গ্ৰন্থ লিখি উলিয়ালে। সেইবোৰ হ'ল 'অসমীয়া সাহিত্য আৰু সংস্কৃতি', 'আমাৰ সমাজত মূল্যবোধ', 'অসমীয়া সংস্কৃতিৰ সুভাগ্য', 'চিত্ৰ বিচিত্ৰ', 'বনপোনাৰ মনগীত', 'ৰংপুৰৰ ৰূপৰেখা', 'অসমীয়া সংস্কৃতিলৈ বিভিন্ন জনগোষ্ঠীৰ অৱদান', 'অ' মোৰ চিকুনী দেশ', 'চাৰি হেজাৰ বছৰৰ অসম', 'সোনৰূপ নেওচি', Aspects of Assamese Culture, 'বৰ ভুঁইকপৰ আলেখ্য', 'ৰূপকোঁৱৰ সৌৱা আহিল' ইত্যাদি। অসম সাহিত্য সভাৰ লগতো চাৰ সক্ৰিয় ভাবে জড়িত আছিল। তেখেতৰ সম্পাদনাত 'An Outlook on NEFA' আৰু 'সীমান্ত সম্ভেদ' নামৰ দুখন গ্ৰন্থ প্ৰকাশিত হৈছিল। অৰুণাচলৰ লগত অসমৰ সম্পৰ্ক সুন্দৰ কৰিবলৈ আৰু সাহিত্য সভাৰ সাংগঠনিক দিশ মজবুট কৰিবৰ বাবে আপ্ৰাণ চেষ্টা চলাইছিল।

অসম আন্দোলনৰ লগত জড়িত হৈ পৰা চলিহা চাৰ বিশবাৰ জেললৈ যাব লগা হৈছিল বুলি জনা যায়। আঞ্চলিক দলৰ পৰা তেখেতে ৰাজনৈতিক ক্ষেত্ৰখনতো প্ৰৱেশ কৰিছিল। ভুৱন বৰুৱা চাৰৰ মতে "আচলতে ৰাজনীতি আছিল তেখেতৰ বৰ্ণাঢ্য জীৱনৰ বৰ্ণময় ৰূপৰ এছাটি ক'লা ডাৱৰহে।"

শৈক্ষিক, সাংস্কৃতিক, ৰাজনৈতিক, সামাজিক, ভাষিক আদি সকলো দিশলৈকে চলিহা চাৰৰ অৱদান অসীম। বৰ্তমান অসমীয়া কথিত ভাষা সম্বন্ধে তেখেতে কোৱা এফাকি কথা আগবঢ়াব পাৰি- "বনোৱা শব্দ আমাৰ এনে আপোন হৈ পৰিল যে, চাহ বনোৱাৰ পৰা ঘৰ বনোৱালৈকে, ঘৰ বনোৱাৰ পৰা মানুহ বনোৱালৈকে, বন-বনাইয়ে থাকে। চাহ কৰা, ভাত ৰন্ধা, ঘৰ সজা, মানুহ তৈয়াৰ কৰা সকলো ক্ৰিয়া শব্দ যেন অসমীয়া কথিত ভাষাৰ পৰা আতৰি গ'ল। নিজৰ সোপা খেদিলো, আনৰ সোপা চপাই ল'লো।" তেখেতৰ ভাষা অতি ওজস্বী আছিল। ইংৰাজী, অসমীয়া দুয়োটা ভাষাতে সমানে পটু আছিল। বহু গুণৰ সমাবেশেৰে চলিহা চাৰৰ ব্যক্তিত্ব আছিল আকৰ্ষণীয়।

৭৬ বছৰ বয়সত চলিহা চাৰে জীৱন নাট সামৰি আমাৰ পৰা বিদায় ল'লে। কিন্তু তেখেতৰ সমাজৰ প্ৰতি দিয়া অৱদানে তেখেতক আমাৰ মনৰ মাজত জীয়াই ৰাখিব- 'নিৰ্বাৎ নিস্কম্প ইব প্ৰদীপঃ'ৰ দৰে। তেখেতে গোৱা গীত সদায় অসমীয়াৰ মাজত প্ৰাসঙ্গিক হৈয়ে থাকিব।

"উঠ অসমীয়া, জাগ অসমীয়া  
আজি তোৰ জাগিবৰ হ'ল  
অতদিনে তই পিছ পৰি ৰ'লি  
আজি আগবাঢ়ি যাওঁ ব'ল।"

## ৰহস্যময়ী নাৰী

# মাদাম কোৱাত

❑ সোণাৰাম শইকীয়া

*News Lound খ্যাত যুদ্ধ সাংবাদিক সৌৰিন সেনৰ বঙালী গ্ৰন্থ "ভিয়েটনাম"ৰ আধাৰত লিখা ৰাজনৈতিক ৰহস্যমূলক কাহিনী (১৯৭৫ চনত ভিয়েতনাম স্বাধীন হয়। আৰু মাত্ৰ সাত বছৰৰ পাছত স্বাধীনতাৰ সোণালী বৰ্ষ অতিক্ৰম কৰিব। তাৰেই প্ৰতিক্ষাত আগতিয়াকৈ ভিয়েতনামী মুক্তি যুঁজাৰুসকলৰ স্মৃতিত প্ৰৱন্ধটি উচৰ্গা কৰা হ'ল)*

আমেৰিকান এচচিয়েটেদ প্ৰেছৰ এচিয়াস্থ যুদ্ধ সাংবাদিক সৌৰিন সেন। কোৰিয়া, কঙ্গোৰ পৰা লিয়াপোল্ডভিল, তাৰপৰা মেনিলা, অৱশেষত মেনিলাৰ পৰা ভিয়েতনাম, চায়গণত ভৰি দিয়েই তেওঁৰ ধাৰণা হ'ল- ই যেন তেওঁৰ সাংবাদিক জীৱনৰ বাবে এক প্ৰত্যাহ্বান।

ভিয়েত কং, সংক্ষেপে ভি, চি, বিশ্বৰ আটাইতকৈ কাৰ্যক্ষম মুক্তি ফৌজ। স্বাস্থ্য আৰু চেহেৰা চকুত লগা নহয়। উচ্চতাত পাঁচ ফুটৰ অলপ বেছি। অসম্ভৱ কষ্টসহিষ্ণু। পুৰুষৰ কথা বাদেই, শিশু সন্তান পিঠিত বান্ধি গেৰিলা ছোৱালীহঁত ৰাইফল চলোৱাত পাকৈত। অফুৰন্ত প্ৰাণশক্তি। একোজন টুলুঙা নাঁৱত নামমাত্ৰ অস্ত্ৰ বোজাই কৰি আমেৰিকান সপ্তম নৌ-বহৰৰ লগতো ফেপেৰি পতা মুক্তি ফৌজ বিশ্বৰ ভিতৰতেই অন্যতম। ভিয়েতনামৰ মুক্তিয়েই তেওঁলোকৰ জীৱনৰ ব্ৰত। চায়গণ চৰকাৰৰ মতে তেতিয়ালৈকে ৭৫ হাজাৰ ভিয়েতনাম গেৰিলা হত্যা কৰিছে। হাতে লোতে ধৰা পৰিছে ১৪ হাজাৰ।

প্ৰেছ গেলেৰীত অগ্নিগৰ্ভা ভিয়েতনাম সম্পৰ্কত কথা পাতি থাকোতেই এদিনাখন মাদাম কোৱাতৰ কথা ওলাল। মাদাম কোৱাত-একে আষাৰে কবলৈ হ'লে অপূৰ্ব্ব সুন্দৰী নাৰী। ওখপাখ চেহেৰা। প্ৰায় পাঁচফুট আঁঠ ইঞ্চি ওখ। ইংৰাজী, ফৰাচী আৰু চীনা ভাষাত অনৰ্গল কথা ক'ব পাৰে। চায়গনৰ স্বৰাষ্ট্ৰ বিভাগৰ জনসংযোগৰক্ষী উচ্চপদস্থ বিষয়া, ওপৰ মহলালৈকে সকলোৰে লগত হলিগলি। সামৰিক আৰু অসামৰিক যিকোনো উচ্চপদস্থ বিষয়াই মাদাম কোৱাতৰ সান্নিধ্যৰ বাবে উৎসুক।

এক অৰ্দ্ধসামৰিক সাংবাদিক অনুষ্ঠানত প্ৰথমবাৰৰ বাবে কোৱাতৰ লগত সৌৰিন সেনৰ সাক্ষাৎ। ১৯৬৫ চন। ঠিক তাৰিখ মনত নপৰে, চায়গনৰ কেইবাজনো দামী নামী সাংবাদিকৰ লগতে তেৰোঁ আমন্ত্ৰণ পাইছিল। চায়গন বিমান বন্দৰ লোকে লোকাৰণ্য। দুৰগামী জেট বিমানৰ পৰা সেইদিনা নামি আহিছিল দুশ মাৰ্কিন সেনা। তেওঁলোকৰ হাতে হাতে শিকলিৰে বন্ধা একোটাকৈ এলচেচিয়ান। চিটা বাঘৰ দৰে হিংস্ৰ এলচেচিয়ানবোৰ গেৰিলা উপদ্ৰুত অঞ্চললৈ পঠোৱা হ'ব। অনুষ্ঠানত মাদাম কোৱাতে আমেৰিকান বিশেষজ্ঞ আৰু সাংবাদিকসকলক ফৰাচী দোভাষী হিচাবে সহায় কৰিছিল। এই সাক্ষাতেই এদিন সৌৰিন সেন আৰু কোৱাতৰ মাজত বন্ধুত্ব গঢ়ি উঠিছিল। হোটেল কাৰাভেলী হৈ পৰিছিল তেওঁলোকৰ ভাৱৰ আদান-প্ৰদানৰ স্থলী।

হোটেল কাৰাভেলীৰ বেলকনিত এদিন মাদাম কোৱাত আৰু সৌৰিন সেন আলোচনাত ব্যস্ত। দাইনিং টেবুলত চাইনীজ দিচৰ অপূৰ্ব গন্ধ। হঠাৎ ফোনৰ ক্ৰিং ক্ৰিং শব্দ, ইটো মূৰৰ পৰা ডাঃ থিনৰ কণ্ঠ শুনা গ'ল।

সেন, আপোনাক কালিয়েই বিচাৰিছিলো, নাহিল, আজি আহক, সময় আছে যদি এতিয়াই আহক।

- আপুনি ক'ৰ পৰা কৈছে?

- ঘৰৰ পৰা, দয়া কৰি চাপাৰৰ পাছতেই আপুনি আহক।

- মোৰ হাতত সময় তেনেই তাকৰ। জৰুৰী প্ৰেছ ৰিপৰ্ট এটা লিখি আছো, কথাদিলো যাম।

- অশেষ ধন্যবাদ আপোনাক।

ডাঃ থিনৰ কথা শুনি মাদাম কোৱাত যেন অপ্ৰস্তুত হ'ল। গধূলি হৈছিল। এতিয়া বিদায় লোৱাৰ পাল। কাৰাভেলীৰ তিনি তলাৰ বাৰৰ পৰা সেনে মাদামক খটখটিৰে শেষ চিৰিত নমাই থৈ গ'লহি।

দুনিয়াৰ এক ব্যস্ত চহৰ চায়গন। আমেৰিকান ডলাৰৰ পৰশ পাই চিৰ যৌৱনা। বিজুলী বাতিৰ আতচবাজিত দিনৰাতি ধৰিব নোৱাৰি। বাটে পথে জাক-জাক মাৰ্কিন সেনাৰ পায়চাৰী আৰু কুচ-কাৱাজ, সন্ধ্যা নামিল। সেনে আকৌ এবাৰ প্ৰেচকাৰ্ড আৰু আইদেনটিটি কাৰ্ড হাতেৰে পোৱা ঠাইতে আছেনে নাই ৰোমন্থন কৰিলে। যেতিয়া ডাঃ থিনৰ বাৰান্দাৰ কলিংবেলত হাত বুলাইছে তেতিয়া ঘড়ীত ন বাজিবলৈ পোন্ধৰ মিনিট বাকী।

ডাঃ থিন এজন পৌঢ় ভদ্ৰলোক। বয়স ষাঠি বছৰমান হ'ব। মোটাফিজৰ এজন দামী চৰ্নি। এখন নাৰ্চিং হোমৰ মালিক। দক্ষিণ ভিয়েতনামৰ মেডিকেল এচচিয়েচনৰ এজন পাণ্ডা। উচ্চ মহলত অবাধ গতিবিধি "আজিৰ পৰা তিনিদিনৰ আগত হোটেল তিনি তলাৰ বাৰত ডাঃ থিনক লগ পাইছিলো। তেখেতৰ নাৰ্চিং হোমৰ ব্যৱসায় কেনে চলিছে কথাও পাতিছিলো। আজি আকৌ কি কথাৰ বাবে মাতিছে নুবুজিলো।" মোক দেখি ডাক্তৰে হাঁহিৰে সম্ভাষণ জনালে। নহাহ'লে বেয়া পালোহেঁতেন।

- কওঁক মোক কিয় মাতিছিল?

ডাঃ থিনৰ দ্বিধা আৰু সংকোচত যেন কথা ক'ব পৰা নাই, ক'ৰ পৰা আৰম্ভ কৰিব হয়তো ঠিক কৰিব পৰা নাই।

- সেন, আপুনি কথাবোৰ কি ভাবে লয়, মই ভাবিয়েই পোৱা নাই। ই মোৰ নৈতিক দায়িত্ব। তাৰোপৰি মই আপোনাৰ মঙ্গল কামনা কৰোঁ।

- আপুনি নিঃসংকোচে কওঁক, মোৰ অমঙ্গলৰ কথাই বা আপুনি কিয় ভাবিলে?

ডাঃ থিন চোফাৰ পৰা উঠি খিৰিকিৰে বাহিৰলৈ চালে, দৰ্জাৰ হুকটো ভালদৰে পৰীক্ষা কৰিলে।

- সেন, তৃতীয় কোনো ব্যক্তিয়ে যাতে এইবোৰ কথা নাজানে।

- মই সকলো কথা গোপনে ৰাখিম।

- সকলো কথা খোলাকৈ নকলে আপুনি নুবুজিব। কথাষাৰ কৈয়েই পকেটৰ পৰা স্বয়ংক্ৰিয় ৰিভলভাৰ উলিয়াই টেবুলৰ ওপৰত থ'লে। পূৰ্ব্বস্মৃতি অনুসৰি ৰহস্যময় এটি কাহিনী ডাঃ থিনে ক'বলৈ আৰম্ভ কৰিলে।

... দুবছৰৰ আগতে ডাঃ থিন এদিন ঘৰলৈ বুলি নাৰ্চিং হোমৰ পৰা আহিছিল। এটা অস্ত্ৰোপচাৰৰ বাবে ঘৰলৈ আহোঁতে ৰাতি হৈছিল। নিজৰ গাড়ীখনৰ দৰ্জা খুলিয়ে অচিনাক্ত আততায়ীৰ দ্বাৰা আক্ৰান্ত হয় ডাঃ থিন। নিজৰ ড্ৰাইভাৰজনৰ পৰিৱৰ্ত্তে আন এজনে ইতিমধ্যে গাড়ীৰ চালকৰ আসনত বহি ক্ষণ গণিছে। মোৰ সোঁৱে-বাঁৱে চাৰিজন অস্ত্ৰধাৰী। এজনৰ হাতত এটা উদ্যত ৰিভলভাৰ। লক্ষ্য মোৰ কলিজা, গাড়ী তেতিয়া ৬২ নং ৰাষ্ট্ৰীয় পথৰ মসৃণ বুকুৱেদি দুৰন্ত গতিত চলিব ধৰিছে। স্পিডমিটাৰত কাটা ৬০ৰ ওপৰত।

- ডাঃ থিন গৰজি উঠিল। তোমালোকক কি লাগে?

- আপোনাৰ সহযোগ।

- মোক কলৈ নিব ধৰিছা?

- আপুনি আমাক বাধা নিদিব। আমাৰ কথা নুশুনিলে আমি জোৰ-জুলুম কৰিবলৈ বাধ্য হ'ম। কথা দিছো, সময়ত আপোনাক আকৌ ঘৰত থৈ অহা হ'ব। অস্ত্ৰধাৰী যুৱককেইজনে ডাঃ থিনৰ পেন, ঘড়ীৰ লগতে ৰিভলভাৰটোও হস্তগত কৰিলে। গাড়ী তেতিয়া চায়গনৰ জনাৰণ্যৰ পৰা গভীৰ অৰণ্যৰ ফালে তীব্ৰ গতিৰে ঢাপলি মেলিছে। সম্পূৰ্ণ অপৰিচিত ঠাই।

- আপুনি বেয়া নাপাব। আমি আপোনাৰ দুয়োটা চকু বান্ধিম। এজনে ক'লে।

- কিয়?

- আমাক এনে নিৰ্দেশেই দিয়া হৈছে।

- যদি বাধা দিওঁ।

- আমি জোৰ কৰিবলৈ বাধ্য হ'ম। আমি এইবোৰ সমুলি ভাল নাপাওঁ। ক'লা চিল্কৰ কাপোৰেৰে দুয়োটা চকু বান্ধি গাড়ীখনে যেন নিজকে হেৰুৱাই ঢাপলি মেলিছে। অনুমান, গাড়ীৰ গতি আশী মাইলৰ কম নহয়। কেইঘণ্টামানৰ পাছত ডাঃ থিনক এজেগাত গাড়ীৰ পৰা নমোৱা হ'ল। সকলোকে নমাই গাড়ীখন ঝাৰণিৰ এটা সৰু ৰাষ্টাইদি ক'ৰবাট অদৃশ্য হৈ গ'ল। ডাঃ থিনৰ সোঁৱে-বাৱে দুজন মানুহ। ভৰিৰ শব্দ শুনি ডাক্তৰে অনুমান কৰিছিল, পিছফালে আন এজন লোকো আহি আছিল। এইবাৰ ডাঃ থিনক এখন নাঁৱত উঠালে। তেতিয়া পুৱতি ৰাতি। নাঁৱৰ পৰা নামি ওখ চাপৰ পথ অতিক্ৰম কৰি অৱশেষত সমতল জেগাত ভৰি দিলেহি। ভালে কেইজন মানুহৰ ভৰিৰ শব্দ শুনি ডাঃ থিনৰ অনুমান হ'ল হয়তো এয়াই তেওঁলোকৰ আড্ডা। তেওঁক আথেবেথে এখন চকীত বহুৱাই অপৰিচিত এজন মানুহে চকুৰ বান্ধ খুলি দিলে।

- আপোনাক আজিৰ ৰাতিটো বিশ্ৰাম দিব পৰা হ'লে ভাল আছিল। কিন্তু উপায় নাই। আমাৰ সাতজন ভি. চি. গেৰিলাৰ গাত গুলি লাগিছে। গুলি বাহিৰ কৰিব পৰা নাই। দয়া কৰি আপুনি এতিয়াই কামত লাগি যাওঁক।

ভিয়েৎ কঙৰ কথা শুনি ভয়ত ডাঃ থিনৰ বুকু ধৰফৰাইছিল। ভয়ত মুখ টেমিৰ দৰে হৈছিল। তথাপি সাহস দেখুৱাই ক'লে- ইয়াত, এই জঙ্‌ঘলত অপাৰেশ্যন সম্ভৱ? অষ্ট্ৰোপচাৰ মুৰ্গীৰ চাল বখলিওৱা বিদ্যা নহয়। কেৰাচিন চাকি আৰু পেট্ৰমাক্সৰ পোহৰত চুৰি চলোৱাতকৈ গুলি কৰি মাৰি পেলোৱাই ভাল।

- আপুনি সকলো পাব। আপোনাক উচ্চ পোহৰ সম্পন্ন ডায়নামো দিয়া হ'ব। অপাৰেশ্যন চেবুলৰ প্ৰয়োজনীয় সকলো সামগ্ৰী দিয়া হ'ব।

এখন বাঁহৰ কাঠিৰে বনোৱা দৰ্জা খুলি ডাঃ থিনক লৈ যোৱা হ'ল এটি জৰাজীৰ্ণ ঘৰলৈ। আগে আগে দুজন ভিয়েতনামী ডাক্তৰো ভৰিত টায়াৰ নিৰ্মিত হোচিমিন চেণ্ডেল। এটা বাৰ বছৰীয়া সৰু লৰাই চাবমেচিগানেৰে পহৰা দিছে। ল'ৰাটো মসৃন দেৱালৰ এটা বুটামত স্পৰ্শ কৰাৰ লগে লগে দুৱাৰ খোল খালে। সন্মুখত খটখটি, আগে আগে ডাক্তৰ দুজন। ডাঃ থিনক ভূগৰ্ভস্থ অট্টালিকাৰ এটা কোঠালৈ লৈ যোৱা হ'ল। কোঠাত উপস্থিত হৈয়েই এক অপ্ৰকাশ্য উত্তেজনাত সৰ্ব্বশৰীৰ ৰোমাঞ্চিত হ'ল। সম্পূৰ্ণ এখন নতুন জগত। এখন অত্যাধুনিক হস্পিতাল। "চিমেঞ্চ এক্সৰে মেচিন' দেখি হতবাক হৈ ডাঃ থিনে প্ৰায় চিঞৰি উঠিল। চিমেন্স এক্সৰে...

- "এইবোৰ আমি আমেৰিকান সৈন্যৰ পৰা হস্তগত কৰিছো"। শাৰী শাৰী বিধে বিধে যন্ত্ৰপাতি। পশ্চিম জাৰ্মানীৰ এক্সৰে কৰ্ডিঅ'গ্ৰাফমেচিন, কানাডাৰ অত্যাধুনিক অস্ত্ৰোপচাৰ চুৰি, বৃটিছ এণ্টিবায়টিক আৰু যাৱতীয় ঔষধ।"

অপাৰেশ্যন থিয়েটাৰত সোমাই ডাঃ থিন অভিভূত হ'ল। কেইবাঘণ্টা ধৰি অপাৰেশ্যন কাৰ্য চলিল। পাঁচজন যুৱক, এগৰাকী বয়সীয়া মহিলা আৰু এজনী তৰুনী গাভৰু। ঠিকে ঠাকে কাম শেষ, কথামতে ডাঃ থিনক অচিনাকি যুৱক কেইজনে তেওঁৰ ঘৰত থৈ গ'লহি।

কাহিনীটো শেষ কৰি ডাঃ থিন উত্তেজনাত ফোঁপাইছিল। ডাঃ থিন নিচল পাথৰৰ দৰে স্তব্ধ হৈ গ'ল। সম্বিত ঘূৰাই পায় প্ৰকৃতিস্থ হৈ সুধিলে,

- সেন, সেইদিনা ডিনাৰৰ টেবুলত বহাৰ আগতে লাউঞ্জত যে এগৰাকী লোকৰ লগত আপুনি কথা পাতিছিল, মনত পৰেনে? সেই যে ক'লা পোচাক পিন্ধা তজবজীয়া গাভৰুজনী?

- অ', আপুনি মাডাম কোৱাতৰ কথা কৈছে?

- সবিশেষ নাম নাজানো, মই তেওঁৰ কথাই কৈছো।

- আপোনাৰ কাহিনীৰ লগত মাডাম কোৱাতৰ কি সম্বন্ধ থাকিব পাৰে?

- দুবছৰৰ আগেয়ে গভীৰ জংঘলৰ ভূগৰ্ভস্থ হস্পিতেলত এই তৰুনীৰ দেহত মই শেষ অষ্ট্ৰোপচাৰ কৰিছিলো। তেওঁ মোক চিনি নাপাব পাৰে। মোৰ কিন্তু অলপো ভুল হোৱা নাই। ছোৱালীজনীৰ গুলি লাগছিল। পিছফালে। নিতম্বৰ ঠিক তলতে। আঘাট গুৰুতৰ নাছিল। বিশেষ প্ৰমাণ আজি মই দিব নোৱাৰো। তথাপি সেই ঠাইত গুলিৰ আঘাট আৰু অষ্ট্ৰোপচাৰৰ দাগ থাকিবই লাগিব।

মাডাম কোৱাত সম্পৰ্কে ডাঃ থিনৰ মন্তব্যত সৌৰিন সেন অবাক হ'ল। কোৱাত চায়গনৰ ধনী সমাজত সকলোৰে পৰিচিত। এৰিষ্ট্ৰক্ৰেটিক জগতৰ এগৰাকী নামী মহিলা। মাৰ্কিন বিশেষজ্ঞৰ খাকি ৰঙৰ বুইক গাড়ীত নিসংকোচে ঘুৰি ফুৰি ভিয়েতকং গেৰিলা নিঃশেষ কৰিবৰ বাবে বছৰ বছৰ ধৰি পেণ্টাগনক গোপন নথি পত্ৰ যোগান ধৰি আহিছে। তেওঁ কেনেকৈ ভি চি হ'ব পাৰে। অসম্ভৱ। ডাঃ থিনৰ পৰা বিদায় লৈ হোটেল পাওঁতে ৰাতি দহ বাজো বাজো।

এদিনৰ পাছত হোটেল কাৰাভেলীৰ নিৰ্দ্দিষ্ট কোঠাত সোমাওতেই মুখামুখী মাদাম কোৱাতৰ সতে। লাউঞ্জত এঘণ্টা ধৰি আলোচনা চলিল। হানয়ত ৰুছ ৰাষ্ট্ৰপতি কচিগিনিৰ উপস্থিতি, হোচিমিনৰ পিকিং প্ৰীতি, কিউবা, ৰাষ্ট্ৰপতি ফিডেল কেষ্ট্ৰো, চে গুয়েভাৰা, দুৰভেদি ক্ষেপনাষ্ট্ৰ, মাও-চে-তুঙৰ যুদ্ধনীতি আদিৰ পক্ষে-সপক্ষে বহু মতামত বিনিময় হ'ল। হঠাতে হোটেল কাৰাভেলীত দৌৰাদৌৰি আৰম্ভ হ'ল। এজনে কোৱা শুনিলো- "কৰোনাৰী থ্ৰম্বচিচত মৰিল। আন এজনে কৈছে - বিহখাই আত্মহত্যা।" হোটেলৰ ১৯৭ নং কোঠাত যেতিয়া উপস্থিত হ'লো, চিনিব পাৰিলো, এয়া যে ডাঃ থিন। পিছে পিছে অহা মাডাম কোৱাতে কোৱা শুনিলো- এৰা, ডাঃ থিনক কালি মই আপোনাৰ সৈতে হোটেলৰ লাউনজত লগ পাইছিলো। হে মহান ডাঃ থিন বিদায়। মাদাম কোৱাতে চকুপানী টুকিলে।

১৬ পৃষ্ঠাত...

# কাব্যজগতৰ এটি উজ্জ্বল জ্যোতিষ্ক কবি হৰেশ্বৰ নাথৰ সৃষ্টি 'লুইতৰ পাৰে পাৰে প্ৰেম'

❑ ড° দ্বীপেন নাথ

শব্দশিল্পৰ চাতুৰ্য সাহিত্যৰ অন্যৰূপতকৈ কবিতাত বেছি সুন্দৰকৈ প্ৰকাশ কৰিব পৰা যায়। তাকে কৰিবলৈ যাওঁতে মন আৰু মগজুৰ কছৰতৰ সমান প্ৰয়োজন হয়। ভাল কবিতা এটা লিখিবলৈ যাওঁতে হৃদয়ানুভূতিৰ গাঢ়তাৰ প্ৰয়োজন যিমান বিবেকবোধৰ ভাৰসাম্যতাৰো প্ৰয়োজন সিমানেই। পাঠকৰ বাবেও ভাল কবিতাই পাঠকক মন আৰু মগজু উভয়কে জোকাৰি যায়। আধুনিক বাস্তৱবাদী কবিতাই পাঠকৰ বোধ আৰু বুদ্ধিৰ জড়তা ভাঙি ব্যঞ্জনাময় ৰূপত প্ৰতীকৰ ধ্বনিশীল স্পন্দন তোলে। সাধাৰণ পাঠকৰ বাবে কিছু দুৰূহ হ'লেও তেনে কবিতাত অন্তর্নিহিত হৈ থাকে গভীৰ জীৱনবোধ। কবিতাই জীৱনৰ ৰহস্যময় স্বৰূপ উদঘাটনৰ আকাংক্ষাৰ লগে লগে পাঠকে লাভ কৰে কলাত্মক আনন্দ।



অতি সাম্প্ৰতিক কালৰ কবিতাসমূহ অধ্যয়ন কৰিলে সাধাৰণতে দুটা দিশ চকুত পৰে। এচাম কবিৰ কবিতাই পাঠকৰ ৰুচিবোধ লক্ষ্য কৰি বিষয় উপস্থাপনত গুৰুত্ব দিয়ে। এনেবোৰ কবিতাৰ সৰ্বকালিক আবেদন থাকিলেও বিশেষ এক শ্ৰেণীৰ পাঠকৰ মাজতেই সীমাবদ্ধ হৈ ৰয়। আন এচাম কবিৰ কবিতাই সৰ্বকালৰ সকলো শ্ৰেণীৰ পাঠককেই নতুনত্বৰ সন্দেহ দিয়ে। কলাত্মক আনন্দ দিয়াৰ উপৰিও এইচাম কবিৰ কবিতাই পাঠকৰ মন আৰু মগজুৰ পৰিধি ভাঙি বৃত্তৰ বৰ্হিজগতলৈ পাঠকক আহ্বান জনাই। তেনে এজন প্ৰচাৰ বিমুখ নিৰৱ সাধক কবি মাজুলীৰ হৰেশ্বৰ নাথ। ১৯৯৬ চনতে যুটীয়াভাৱে 'তেজাল পৃথিৱী' নামৰ কাব্যসংকলন প্ৰকাশ কৰাৰ পাছত ২০০৫ চনত 'লুইতৰ পাৰে পাৰে প্ৰেম' নামৰ কাব্য সংকলন প্ৰকাশ কৰে। তেখেতৰ কবিতা সম্পৰ্কত কবিৰ নিজা অভিমত-

মই তোমালৈ কঢ়িয়াই আনিছো
পুৰণি দিনৰ গান
নতুন দিনৰ সুৰ
যি সুৰত বাজিব বিশ্ব ভাতৃত্ববোধ।

পুৰণি ভেঁটিলৈ নতুনক জনাব লাগিব আদৰণি। ন-পুৰণিৰ সমাহাৰে জীৱনক যুগ সাপেক্ষে কৰি সজাব পাৰিব লাগিব। তেতিয়াহে জীৱনৰ মোহনীয়তা আৰু সুন্দৰতাৰ মাজতো থাকিব প্ৰগতিশীলতা।

'লুইতৰ পাৰে পাৰে প্ৰেম' নামৰ কবিতা পুথিখনত প্ৰকাশিত কেউটা ধাৰাতেই জীৱনৰ অন্তৰ্লীন সত্যৰ অফুৰন্ত প্ৰকাশ ঘটিছে। জীৱনৰ অন্তহীন সত্য প্ৰকাশৰ বাবেই কবিতা পুথিখন পাঠকৰ হৃদয়গ্ৰাহী হৈ পৰিছে। কবিতাগুচ্ছত ধৰা দিয়া ধাৰা কেইটা হ'ল- প্ৰেম, স্মৃতি আৰু স্মৰণ, বিদ্ৰোহৰ জাগৰণ, জাতীয় চেতনা আৰু বিশ্বজনীন মানৱতাবোধ। কবিজনাৰ কবিতাত ধৰা দিয়া প্ৰেম নৰনাৰীৰ সাধাৰণ প্ৰেমৰ পৰা মহানুভৱ বিশ্বপ্ৰেম পৰ্যন্ত পৰ্যৱসিত হৈছে। 'প্ৰেম' 'প্ৰেমৰ বতৰা' আদি কবিতাই ইয়াৰ উৎকৃষ্ট নিদৰ্শন। 'হে মাতৃ কিমান শুনিবা বক্ষ বিদাৰণ নিনাদ' পংক্তিৰে আৰম্ভ কৰি কৰি জাতীয় চেতনাৰে উদ্বুদ্ধ হৈ অনুভৱৰ তীব্ৰ হেঁচাত দেশৰ জনতাৰ অশুভ শক্তিক নাশ কৰি শুভশক্তি প্ৰতিষ্ঠাৰ আকাংখ্যাত পোনপটীয়া বক্তব্যৰেই বিদ্ৰোহৰ জাগৰণ তুলিছে-

'মানৱতাৰ জোঁৱাৰ তুলি
নিঃশেষ কৰা নাই কিয়
চিটিকি পৰা কেঁচা তেজৰ গোন্ধ। (পোহৰ বিচাৰি যাওঁ)

সেইদৰে 'আক্ষেপ'ত আছে -

"অ' মোৰ নিৰবধি
. ইয়াৰ অমৃত ফালি
তোমাৰ অমিয়া আভাই
কৰা নাই কিয় অহমিকা বধ।"

'আমি' কবিতাত আছে-

"জাতিসত্বাৰ প্ৰেমৰ ঢৌৰে
ধুই নিকা কৰক
চিটিকি পৰা কেঁচা তেজৰ
গোন্ধ।"

এনেদৰে কেইটাও কবিতাত একেটি মাথোন কেন্দ্ৰীয় ভাৱৰ পুনঃ উন্মেষ দেখা যায়।

কবি নাথদেৱৰ কেইবাটিও কবিতাৰ ভাৱবস্তু বিশ্বজনীন মানৱতা বোধ। এনে ভাৱগধুৰ কবিতাসমূহৰ বাবেই পাঠক আশাবাদী হৈ পৰে।

"তুমি ঢৌ খেলি আঁহা
ইকনি যাওঁ
প্ৰশান্তৰ বুকুত।"

পংক্তিৰ দৰে কবিতাত জীৱনৰ আত্মমুখীনতাও প্ৰকাশ নোহোৱাকৈ থকা নাই। হ'লেও ক'বই লাগিব শ্ৰী নাথদেৱৰ কবিতাৰ বক্তব্যৰ বিষয় স্পষ্ট। একোৱিয়ামত নিৰ্মল পানী দি তলি জিলিকা কৰি ৰাখিছে। মাণিক বিচাৰি কষ্ট কৰিব লগা নহয়। চোলা নিপিন্ধোৱাকৈ আঁকে মানুহৰ বুকু। উপলদ্ধিৰ থল আছে কবিৰ হৃদয়লৈ যেন বাহিৰৰ পৰা নিক্ষেপ কৰা শৰ ঠেলি ঠেলি কবি ভাগৰি পৰিছে। কোনো সময়ত নজনাকৈ ওলাই আহিছে ত্ৰাসিত ধ্বনি। তাৰ মাজতো 'সত্বা', 'শেষ', 'মৰম', 'সমান্তৰাল' বজাৰখন ইয়াতে কবিতাত কবিৰ আন্তৰিকতাৰ স্বাক্ষৰ আছে। 'অভাৱ' 'পুত্ৰস্নেহ' 'সোণালী অতীত' এই কেইটা স্মৃতি কবিতা। দুই এটা কবিতাৰ শব্দ বিন্যাসত উজুটি নুখুৱাকৈ থকা নাই। 'মুকলি চিঠি'ক কবিতা বুলিব নোৱাৰি। চিঠিৰ শাৰীতে থাকিল। 'ফাইল' কবিতাৰূপত আছে যদিও 'ফাইলৰ আত্মকথা' লিখাৰ দৰে হৈছে।

সামগ্ৰিক ভাৱে চাবলৈ গ'লে দেখা যায় কবিতাপুথিখনত 'লুইতৰ পাৰত প্ৰেমৰ উৰ্বৰতাত চামপাতি গজি উঠা সেউজীয়া কঁহুৱাবনত কোনো ৰূপহী গাভৰুৰ ভাঁজদিয়া চুলিৰ দৰে ভাৱৰ বতাহে ঢৌ খেলি যায়। কেতিয়াবা লুইতেদি যোৱা নাৱৰীয়াই তাত ৰং চটিয়ায়। কবিয়ে বৰষুণক আহ্বান জনাই তেজৰ চেঁকা ধুই উজলাই তোলক প্ৰাণৰ যিমান ৰং চিৰ সেউজীয়া- এই ভাৱবস্তু কেন্দ্ৰীকেই নাথদেৱৰ কবিতা। আমাৰ আশা লুইতৰ পাৰৰ পৰা কবিৰ যাত্ৰা হওঁক হিমালয়ৰ কোনো উচ্চ শৃঙ্গলৈ। য'ৰপৰা কবিয়ে লুইতৰ পাৰৰ প্ৰেমৰ ধাৰা মহাসাগৰৰ পাৰতো দেখিব। তেখেতৰ কবিতাত স্পষ্টকৈ আছে অনুভৱৰ বিশালতা আৰু গভীৰতা, বিশ্ব প্ৰেমৰ মহানুভৱতা। তেখেতৰ কবিতা অধ্যয়ন কৰি ক'ব পাৰি তেখেতৰ কবিতাৰ বিপ্লৱ, বিদ্ৰোহৰ মূলতে তেখেতৰ সমাজ সংস্কাৰৰ মনোভাৱ। শোষণ, নিষ্পেষণ, প্ৰতাৰণা কবিৰ সহ্যৰ অতীত। কবিয়ে সংস্কাৰ বিচাৰে। ব্যক্তিজীৱনৰ পৰা সমাজ জীৱনলৈকে সংস্কাৰৰ কামনা কৰি সত্য, সুন্দৰৰ সমাজ গঢ়াত কবিৰ মন নিমগ্ন। কবি সুন্দৰৰ সাধক। শান্তি কবিৰ লক্ষ্যবস্তু। হৃদয় সন্ধানী কবিৰ কলমত নিগৰিছে প্ৰেমৰ বৰলুইত। বাস্তৱিকতে কবিৰ ঘৰো বৰলুইতৰ বুকুত। বৰলুইতেই কবিৰ প্ৰাণশক্তি। সেইবাবে কবিক 'লুইতপ্ৰাণ কবি'ৰূপে অভিহিত কৰিব পাৰি।

## চিনামৰা মহাবিদ্যালয়ৰ ছাত্ৰীৰ কৃতিত্ব



যোৱা ৯, ১০ ফেব্ৰুৱাৰীত মুম্বাইত অনুষ্ঠিত হোৱা 24th Assam International Wesko open Karate Championship প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ১৬ বছৰ শাখাত দ্বিতীয় স্থান লাভ কৰি চিনামৰা মহাবিদ্যালয়ৰ ছাত্ৰী মধুস্মিতা বড়াই দেশৰ লগতে নিজৰ অঞ্চল তথা মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। প্ৰশিক্ষক বিষ্ণু শৰ্মাৰ তত্ত্বাৱধানত প্ৰশিক্ষণ লোৱা মধুস্মিতা বড়া কৰঙা নিবাসী সুৰেন বড়া আৰু দীপা বৰাৰ কন্যা। মধুস্মিতা বড়া চিনামৰা মহাবিদ্যালয়ৰ দ্বিতীয় সান্মাষিকৰ অসমীয়া সন্মান বিষয়ৰ ছাত্ৰী।



শতাব্দীৰ তমসা আঁতৰাবলৈ মানুহে শ্ৰম কৰিবই লাগিব, ক্লান্তিহীন শ্ৰমৰ মৰ্যদাৰে জীয়াই থকাৰ হাবিয়াসত বন্দী হৈ মুম্বাইত অনুস্থিত এছিয়ান ইণ্টাৰনেশ্বনেল কাৰাটেত অসম ভেলী মাৰ্চ একাডেমীৰ খেলুৱৈ হিচাপে বিষ্ণুপ্ৰসাদ শৰ্মা চাৰৰ অনুপ্ৰেৰণাত কৰঙা ভকত চেউনী গাঁৱৰ ৰাজীৱ নেওগ আৰু জুনমনি নেওগৰ সুপুত্ৰী প্ৰাঞ্জনা নেওগে দ্বিতীয় পুৰস্কাৰ আজুৰিবলৈ সক্ষম হ'ল। প্ৰাঞ্জনা চিনামৰা মহাবিদ্যালয়ৰ দ্বিতীয় সান্মাষিকৰ অসমীয়া সন্মান বিষয়ৰ ছাত্ৰী। তেওঁৰ কৃতিত্বত কৰঙা অঞ্চলৰ লগতে মহাবিদ্যালয় পৰিয়ালেও গৌৰৱবোধ কৰিছে।



চিনামৰা মহাবিদ্যালয়ৰ ছাত্ৰী দীপিকা গগৈয়ে ৰাষ্ট্ৰীয় আৰু আন্তৰ্ৰাষ্ট্ৰীয় পৰ্যায়ৰ কেইবাখনো ফুটবল মেছত কৃতিত্ব অৰ্জন কৰিছে। তেওঁ ২০১৫ চনত গোৱাত অনুষ্ঠিত জুনিয়ৰ গাৰ্লছ নেশ্যনেল ফুটবল, একেবছৰতে ৰাঁচীত অল ইণ্ডিয়া ইণ্টাৰ ছাই নেশ্যনেল ফুটবল টুৰ্ণামেণ্ট (১৭ বছৰ অনুৰ্ধ) দিল্লীত অনুষ্ঠিত সুব্ৰত কাপ ইণ্টাৰনেশ্যনেল ফুটবল টুৰ্ণামেণ্ট ২০১৬-১৭ চনত পাঞ্জাৱত অনুষ্ঠিত নেশ্যনেল ফুটবল চেম্পিয়নশ্বিপ আৰু ২০১৭-১৮ বৰ্ষত কোটাকত অনুষ্ঠিত চিনিয়ৰ অ'মেন নেশ্যনেল ফুটবল চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰি বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। মহাবিদ্যালয়লৈ তথা অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনা দীপিকা গগৈ মৰিয়নী নতুনমাটিৰ বনগাঁৱৰ বিজয় গগৈৰ কন্যা তথা চিনামৰা কনিষ্ঠ মহাবিদ্যালয়ৰ একাদশ বৰ্ষৰ ছাত্ৰী।

## অসমৰ লোক সংস্কৃতিৰ অন্যতম সম্ৰাট

# দক্ষিণ যোৰহাটৰ গৌৰৱ নৰাম বৰা (ওজা)

❑ ড° অঞ্জন শইকীয়া

কবিয়ে কৈছে—

'আমাক নালাগে যুদ্ধ  
বনে বনে ফুলিছে কপৌ,  
পাহাৰে পাহাৰে উঠে প্ৰতিধ্বনি প্ৰহত আৱাজ  
পথাৰৰ কেঁচাসোণ কৃষকে তুলিব আক' নিজা ভঁৰালত  
আমাক নালাগে ৰণ, ভাল পাওঁ শুৱনি কপৌ।'

অসমৰ এগৰাকী খ্যাতনামা কবি তথা যশস্বী সমাজবিজ্ঞানী ড° অমলেন্দু গুহৰ উক্ত কালজয়ী কবিতাৰ পংক্তিয়ে অসমৰ লোক সংস্কৃতিৰ অন্যতম সম্ৰাট দক্ষিণ যোৰহাটৰ গৌৰৱ প্ৰয়াত নৰাম বৰা (ওজা)লৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ। স্মৰ্তব্য যে, অসমৰ বাৰেবৰণীয়া সংস্কৃতিৰ 'ঢোল বাদ্য' হৈছে অন্যতম অপৰিহাৰ্য অংগ। ঢোল বজোৱা শিল্পীসকলক ঢুলীয়া আৰু অনুৰূপভাৱে পাৰ্গতসকলক 'ওজা' বুলি আখ্যা দিয়া হয়। অসমৰ লোক সংস্কৃতিৰ পথাৰখনৰ সৈতে ঢুলীয়া ওজাসকলৰ এৰাব নোৱৰা সম্পৰ্ক। অসমৰ জনজীৱনৰ বিহু আৰু বিয়াৰ লগত ঢোলৰ যি সম্পৰ্ক, সেই বিষয়ে বহলাই কোৱাৰ প্ৰয়োজন নাই। ঢুলীয়া কৃষ্টিক লৈ অসমৰ ভিতৰতে দক্ষিণ যোৰহাটৰ অন্তৰ্গত কৰঙাই গৌৰৱ কৰিব পৰা অৱকাশ বাৰুকৈ আছে। ঢোলৰ



আন এগৰাকী প্ৰসিদ্ধ শিল্পী দোমাই ওজাৰ জন্মস্থান কৰঙা গন্ধীয়া গাঁৱত। একেদৰে অসমৰ লোক সংস্কৃতিৰ গৱেষক শ্ৰীযুত জয়কান্ত গন্ধীয়া কৰঙাৰে সুযোগ্য সন্তান। ইতিমধ্যে উল্লেখ কৰা দোমাই ওজাৰ সুযোগ্য শিষ্য হৈছে অসমৰ লোক সংস্কৃতিৰ অন্যতম সম্ৰাট নৰাম বৰা (ওজা)। এই লেখকে নিজৰ জন্মস্থান কৰঙাই অসমৰ ঢোল সংস্কৃতিলৈ কেনেধৰণেৰে আগবঢ়াইছে,সেই বিষয়ে কিছু কথা জানিব পাৰি, বিশেষকৈ নৰাম বৰা (ওজা)ৰ শিল্পী জীৱনৰ বিষয়ে আলোকপাত কৰাই হৈছে এই লেখনিৰ প্ৰতিপাদ্য বিষয়।

কোৱা বাহুল্য মাথোন, আজিও অসমৰ জনসাধাৰণৰ মন জয় কৰা অসমৰ গণনাট্য সংঘৰ অন্যতম শিল্পী মঘাই ওজাৰ পিছতে কৰঙাৰ গৌৰৱ নৰাম বৰা (ওজা)ই বিশেষ স্থান অধিকাৰ কৰিছিল।

"জয় নমো নাৰায়ণ আদি নিৰঞ্জন  
অনন্ত শয্যাত প্ৰভু কৰিলা শয়ন  
শয়ন কৰিয়া পাচে..."



উল্লিখিত গুৰু স্তুতিৰ জৰিয়তে আমাৰ শিল্পী তথা ঢোলৰ যাদুকৰ নৰাম ওজাই ঢোল বাদন আৰম্ভ কৰিছিল। নৰাম ওজাই মঞ্চত উঠি 'তেল টুপিৰ জন্ম কথা শুনা সৰ্বজন' বুলি ঢোলত চাপৰ মৰাৰ লগে লগে ৰভাৰ তলত থকা দৰ্শকবৃন্দ কাঁহ পৰি জিন যায়। ঢোলৰ মাতত যি অমিয়া লহৰ সৃষ্টি হয়, সেই লহৰে শ্ৰোতাসকলক মন্ত্ৰমুগ্ধ কৰি তোলে। উল্লেখ্য, অসম বিখ্যাত ঢোলৰ যাদুকৰ মঘাই ওজায়ো নৰাম ওজাৰ তেল টুপি হাতখন বজাব নোৱাৰি কেইবাবাৰো হাৰ মানিছিল। প্ৰসংগক্ৰমে কওঁ, অসমৰ ঢোল বাদনৰ প্ৰতি থকা অনুৰক্ত গুণমুগ্ধ শিল্পী সমাজত এটা কথা প্ৰায়েই শুনা যায়, মঘাইৰ মেঘে গজা, দোমাই ওজাৰ ঔ বাগৰা আৰু নৰাম ওজাৰ তেল টুপি হাত অসম বিখ্যাত। মঘাই ওজাই জীৱিত কালতে কৈ গৈছিল— 'কৰঙাৰ নৰাম ওজাৰ নিচিনাকৈ তেল টুপি হাত অসমৰ কোনো ঢুলীয়া ওজাই বজাব নোৱাৰে।' অসমৰ এগৰাকী প্ৰগতিশীল তাত্বিক নেতা, কৰঙাৰে অন্য এগৰাকী প্ৰসিদ্ধ ব্যক্তি দধী মহন্তৰ উদ্যোগত কৰঙাৰ এখন সমাৰোহত যোগদান কৰিবৰ বাবে এবাৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা আহিছিল। সভাত ইজন-সিজনক অনুসন্ধান কৰি কৰঙাৰ ঢুলীয়া ওজা নৰাম বৰাক সভাতে লগ পাই ৰাতিলৈ নৰাম বৰাৰ ঘৰত আলহী হ'লগৈ। শিল্পীয়েহে বুজে শিল্পীৰ মোল। সভাস্থলীৰ কাষত সমাৰোহৰ উদ্যোক্তাসকলে ৰাজকীয়ভাৱে আয়োজন কৰা থকা-মেলা বাদ দি নৰাম ওজাৰ ঘৰত মাটিত ধানখেৰ পাৰি শুইছিল। ওজাৰপৰা জনামতে শিল্পীৰ বুলনিখন ৰাতিটোৰ ভিতৰতে ৰাভাই লিখি নৰাম ওজাক দিছিল। দুদিন ওজাৰ ঘৰত থাকি ৰাভাই তেখেতক অসমৰ কৃষ্টি-সংস্কৃতিৰ ওপৰত অনেক দিহা-পৰামৰ্শ দিছিল। বাংগালোৰ, জয়পুৰ, মুম্বাই, কলকতা আদিকে ধৰি ভালেমান ঠাইত ঢোল বাদ্য পৰিৱেশন কৰি নৰাম ওজাই অসমৰ লোকবাদ্য ঢোলক এক নতুন মাত্ৰা প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। এনেদৰে ১৯৬৭ চনত অসমৰ এগৰাকী সিংহপুৰুষ তথা সফল ৰাজনীতিজ্ঞ, প্ৰয়াত দুলাল বৰুৱাৰ উদ্যোগত দিল্লীলৈ যোৱা বিহু দলত কৰঙা-হালোৱা-গন্ধীয়া গাঁৱৰ বাচকবনীয়া শিল্পীক লৈ এযোৰা হুঁচৰি গঠন কৰা হৈছিল। সেই হুঁচৰি দলৰ ঢোলবাদক আছিল নৰাম ওজাদেৱ আৰু গন্ধীয়া গাঁৱৰ তথা চিনামৰা মহাবিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক শ্ৰীযুত লক্ষী গগৈ। বোধকৰো অসমৰপৰা দিল্লীত পৰিৱেশন কৰা এইটোৱেই প্ৰথম হুঁচৰি দল। (এই হুঁচৰি দলৰ দুষ্প্ৰাপ্য ফটোখন চিনামৰা মহাবিদ্যালয়ৰ সংগ্ৰহালয়ত সযতনে সংৰক্ষিত হৈ আছে)। নিচেই দুখীয়া কৃষক পৰিয়ালত জন্মগ্ৰহণ কৰিও, ঢোলবাদ্যৰ জৰিয়তে হেমাংগ বিশ্বাস, ড° ভূপেন হাজৰিকা, খগেন মহন্ত আদিৰ দৰে খ্যাতনামা শিল্পীসকলৰ সান্নিধ্যই নৰাম বৰা (ওজা)ৰ শিল্পী জীৱন মহান কৰি তুলিছিল আৰু সাংস্কৃতিক জীৱনলৈ এক নতুন গতি আনি দিছিল।

ইতিমধ্যেই উল্লেখ কৰা হৈছে অসমৰ জাতীয় জীৱনৰ বিয়া উৎসৱত ঢোল পৰিৱেশন এক সন্মানৰ বিষয় হিচাপে বিবেচিত হৈছিল আৰু বৰ্তমানেও হৈ আছে। দৰা আৰু কন্যা পক্ষৰ দুজন ওজাৰ কন্যা ঘৰত (কন্যা সম্প্ৰদানৰ সময়ত) ঢোল প্ৰতিযোগিতা চলিছিল। কোনে কাৰ হাত কাটিব পাৰে। অসমৰ গ্ৰাম্য অঞ্চলত হোৱা এনেধৰণৰ ঢোলৰ প্ৰতিযোগিতাৰ জৰিয়তে অসমত ভালেকেইজন ওজা বিশেষকৈ উজনি অসমত প্ৰখ্যাত হৈ পৰিছিল। এনেবোৰ প্ৰতিযোগিতাত ওজাসকলে যাদুমন্ত্ৰৰো সহায় লৈছিল বুলি এটা জনবিশ্বাস মানুহৰ মুখে মুখে চলিছিল। কিন্তু মুখ্য বিষয় আছিল 'ঢোল চাপ'ৰ, 'মালিতা' অথবা 'হাত' পৰিৱেশন। এসময়ৰ অসমৰ গ্ৰাম্য জীৱনৰ হুঁচৰি আৰু বিয়াৰ ঢোল মঞ্চলৈ আহিল। অসমত ঢুলীয়া শিল্পী সন্মিলন সংস্থা প্ৰতিষ্ঠা হ'ল। আজিও ঢুলীয়া শিল্পীসকলৰ মাজত — "মঘাইৰ মাত, নৰামৰ হাত, মেথোন বা বনচোমৰ মাত, ৰঙৰ ৰগৰ আৰু ৰত্নৰ টোকৰ' অতি জনপ্ৰিয় তথা শ্ৰদ্ধাৰ বাণীৰূপে পৰিগণিত হৈ আছে। উল্লিখিত ওজাসকল কোনো এজন বিয়ালৈ ঢোল বাদনৰ বাবে অহাৰ লগে লগে বিয়াৰ ৰভাতলিত নিমন্ত্ৰিত আৰু অনিমন্ত্ৰিত লোকে ঠাহ খাই পৰিছিল। আমাৰ পিতৃ তথা চিনামৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰীযুত আনন্দ শইকীয়াদেৱৰপৰা জনামতে ১৯৫৮ চনত মোৰ জন্মস্থান কৰঙা কাটনী গাঁৱৰপৰা প্ৰয়াত খগেশ্বৰ নাথ নামৰ এগৰাকী শিক্ষাবিদৰ বিয়াত কন্যাঘৰ সাপেখাটিলৈ নৰাম ওজা গৈছিল। কন্যাৰ ঘৰত দৰাঘৰীয়া ৰাইজক জোৰানামেৰে থকা-সৰকা কৰাত নৰাম ওজাই ঢোলতে জোৰানাম আৰম্ভ কৰিলে আৰু কন্যাঘৰৰ নামতি কেইগৰাকীয়েতো হাৰ মানিলেই, ৰাতিপুৱালৈকে ৰভাতলৰ ৰাইজক নিজৰ যাদুকৰী ঢোলটোৰ জৰিয়তে মন্ত্ৰমুগ্ধ কৰি ৰাখিছিল। কেৱল ঢোলৰ ওপৰতে নৰাম ওজা পাৰ্গত আছিল তেনে নহয়, খোলৰ ওপৰতো দখল সমানেই আছিল। কৰঙাত আঞ্চলিক ভিত্তিত শংকৰ উৎসৱসমূহত ৰাতিলৈ হোৱা ভাওনাত য'ত নৰাম ওজা বায়নৰূপে থাকে, সেই ভাগত দৰ্শকৰ ভিৰ চাবলগীয়া হৈছিল। ভাওনাৰ বাজনাও আছিল অতি খৰ। ভাৱৰীয়া তেখেতৰ বাজনাত টাকুৰী ঘূৰাদি ঘূৰিব লাগিছিল। ভাওনাৰ নাট পৰিৱেশন কৰোঁতেও তেখেতৰ সুৰ-সঞ্চাৰ, তাল-মান অতি আকৰ্ষণীয় আছিল।

পঁইসত্তৰ বছৰীয়া জীৱন অতিবাহিত কৰা অসমৰ এইজন মহান শিল্পীৰ আৰ্থিক অৱলম্বন আছিল টোকোলাই চাহ গৱেষণাগাৰৰ এটা নিচেই সামান্য চাকৰি আৰু খেতি কৰিব পৰা কেইডৰামান ৰূপিত মাটি। টোকোলাই চাহ গৱেষণা কেন্দ্ৰৰপৰা অৱসৰ পালেও গৱেষণা কেন্দ্ৰত পেঞ্চনৰ ব্যৱস্থা নাই. তদানীন্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্ত চৰকাৰৰ দিনতে এককালীন সাহায্য পোৱাৰ বাহিৰে আমৃত্যু শিল্পীগৰাকীয়ে কোনো চৰকাৰী পেঞ্চন লাভ কৰিব নোৱাৰিলে। নিজৰ পৰিয়ালটোক আৰ্থিকভাৱে কোনো নিৰাপত্তা দি যাব নোৱাৰিলেও প্ৰকৃতাৰ্থত তেখেত এজন সাৰ্থক গণশিল্পীৰূপে সকলোৰে মাজত পৰিচিত হৈ ৰ'ল। কৰঙাত তেখেতে ঢুলীয়া সংস্কৃতিৰ এটা পৰম্পৰা এৰি থৈ গৈছে। তেখেতৰে শিষ্য চিনামৰা মহাবিদ্যালয়ৰ প্ৰাক্তন কৰ্মচাৰী শ্ৰীজীৱন গন্ধীয়া এজন প্ৰখ্যাত ঢুলীয়া ওজা। নিজৰ কনিষ্ঠ পুত্ৰ যদুমণি বৰাই ঢোল বাদনৰ ক্ষেত্ৰত ৰাইজৰপৰা সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। সাম্প্ৰতিক সময়ত এইগৰাকী মহান শিল্পীৰ কাৰণে এক স্থায়ী চিন্তা কৰাৰ অৱকাশ বাৰুকৈ পৰিলক্ষিত হৈছে। সেই আহ্বান আমাৰ থাকিল। মুঠৰ ওপৰত কৰঙাৰ মাটিত জন্ম হোৱা আৰু অসমৰ সাংস্কৃতিক প্ৰেক্ষাপটৰ অন্যতম উপহাৰ এইগৰাকী প্ৰাতঃস্মৰণীয় শিল্পীজন জীয়াই থাকিব এটি সজীৱ প্ৰেৰণা হৈ— গণসংস্কৃতি আন্দোলনৰ পথাৰে-সমাৰে আৰু আমাৰ মণিকোঠাত শ্ৰদ্ধাৰে।

*ভ্ৰাম্যভাষঃ ৯৪৩৫৭ ৩৮৬৪৫*

# আনন্দ অৰ্ণেল্ড

❑ কস্তুৰি বৰঠাকুৰ

এগৰাকী শৰীৰ চৰ্চাবিদ। বহুতৰে আদৰ্শ তেওঁ। অনেকৰ নয়নৰ মণি। এক সুগঠিত শৰীৰৰ অধিকাৰী হোৱা বাবে তেওঁক আন আন শৰীৰ চৰ্চাবিদ সকলে অনুসৰণ কৰে অথবা 'ৰ'ল মডেল' হিচাপে গ্ৰহণ কৰে সেয়া স্বাভাৱিক কথা, কিন্তু তেওঁক সমাজৰ বিভিন্ন স্তৰৰ মানুহে প্ৰেৰণাৰ উৎস বুলি মানি লয়। এইগৰাকী শৰীৰ চৰ্চাবিদ জীৱন কাহিনীয়ে মানুহক শিকাইছে অদম্য সাহসৰ পাঠ। শিকাইছে এন্ধাৰৰ অতল গহ্বৰত কেনেদৰে ফুলাব পাৰি পোহৰৰ সূৰ্য্যমুখী ফুল। পেশীবহুল শৰীৰ। সুবল-সুঠাম দুবাহু, ছিপ্ছিপ পেহচ, হাঁহিমুখীয়া সুগঠিত সুদৰ্শন চেহেৰাৰ অধিকাৰী এইগৰাকী শৰীৰ চৰ্চাবিদৰ নাম হ'ল আনন্দ অৰ্ণেল্ড।

সকৰে পৰা দেখা দুৰ্বাৰ সপোনক বাস্তৱায়িত কৰি সকলোৱে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হোৱাৰ মূল কাৰণটো হ'ল আনন্দ অৰ্ণেল্ড। হুইল চেয়াৰত বহি শৰীৰ চৰ্চাৰ সৈতে জড়িত হৈ পৰা ভাৰতৰ প্ৰথম যুৱক। (India's First Wheelchair Body Builder) হুইল চেয়াৰ নহ'লে এখোজো আগবাঢ়িব নোৱাৰা আনন্দে এতিয়ালৈকে লাভ কৰা খিতাপ সমূহে আপোনাক আশ্চৰ্যচকিত কৰি তোলাৰ লগতে ভাবিবলৈ বাধ্য কৰাব, সঁচাকৈয়ে এই পৃথিৱীত 'অসম্ভৱ' বুলি কিবা আছে যানো।

মিষ্টাৰ ইণ্ডিয়া ৪ বাৰ, মিষ্টাৰ পঞ্জাব ১৩ বাৰ, নৰ্থ ইণ্ডিয়া ৯ বাৰ, ভাৰোত্তোলনত সোণৰ পদক, মল্লযুদ্ধত সোণৰ পদক, ২০১৬ চনৰ মিষ্টাৰ ৱৰ্ল্ড প্ৰতিযোগিতাত সোণৰ পদককে আদি কৰি ৪০তকৈও অধিক সৰু বৰ খিতাপৰ অধিকাৰী হৈছে আনন্দ অৰ্ণেল্ড।

পঞ্জাৱৰ এই যুৱকজন জীৱনৰ ১৩ বছৰ বয়সলৈকে সম্পূৰ্ণৰূপে শাৰীৰিক ভাৱে সক্ষম আছিল। অন্য কিশোৰৰ দৰেই খেলিছিল, দৌৰিছিল। গছৰ ওপৰত বগাইছিল, হাবিয়ে বননিয়ে ঘূৰি ফুৰিছিল। কনমানি আনন্দে শৈশৱৰ পৰাই সপোন পুহি ৰাখিছিল ডাঙৰ হ'লে এজন নামী বডীবিল্ডাৰ হ'ব। সকলো মানুহে তেওঁৰ সুগঠিত শৰীৰৰ প্ৰশংসা কৰি বাহ বাহ দিব। শৰীৰ চৰ্চাৰে দেশ বিদেশৰ অগণন দৰ্শকক বিমুগ্ধ কৰি তুলিব।

এই সপোনক পূৰণ কৰিবৰ নিমিত্তেই আনন্দে জীৱনৰ খুব কম বয়সৰ পৰাই শাৰীৰিক ব্যায়াম নিয়মিত ৰূপত কৰিছিল।

কঠিনতকৈও কঠিন কছৰৎ কৰিবলৈ উন্মুখ হৈছিল। আনন্দে ভাবিছিল এই সপোনৰ ভেটিটো সৰুৰে পৰা মজবুত কৰি নিনিলে হয়তো পিছলৈ অসুবিধাৰ সৃষ্টি হ'ব পাৰে। এই পৰিশ্ৰমৰ ফল খুব কম দিনৰ ভিতৰতে লাভ কৰিছিল ল'ৰাজনে। 'মিষ্টাৰ গল্ডেন লুধিয়ানা' সন্মান অৰ্জন কৰি ১৩ বছৰীয়া আনন্দ নিশ্চিত হৈছিল যে তেওঁ যি পথেৰে আগবাঢ়ি যোৱাৰ সপোন দেখিছে সেই পথ দিঠকত বিন্দুলৈ ক্ৰমাৎ চমু চাপি আহিছে।

আনন্দৰ প্ৰতিভাত আনন্দিত হয় ঘৰৰ সদস্যৰ লগতে ওচৰ চুবুৰীয়াও। কিন্তু ভাগ্যই তেওঁৰ কপালত লিখি থৈছিল অন্য এক কঠিনতকৈও কঠিন কাহিনী। তেতিয়া আনন্দৰ বয়স ১৪ বছৰ। এদিন হঠাতে তেওঁ বঢ়া টেবুলত বহি কিবা লিখি থকা অৱস্থাত পিঠিৰ এক বিষ অনুভৱ কৰে। আনন্দে সেয়া




ইমান গুৰুত্ব নিদিলে। পৰিয়ালৰ মানুহক ক'বলগীয়া কথা বুলিও নাভাবিলে। মাজে মাজে সেই বিষে উক দিয়ে আৰু আনন্দে সেই বিষ সহ্য কৰি সময়খিনি পাৰ কৰি দিয়ে কাৰণ পিঠি বিষটো বেছি সময়ৰ কাৰণে নাথাকে। কিন্তু এদিন সকলো সহ্য সীমা পাৰ হৈ গ'ল। ৰাতি শুই থকা অৱস্থাত আনন্দে পিঠিত হঠাতে অসহনীয় বিষ অনুভৱ কৰে। তেওঁ অনুভৱ কৰিছিল সেই বিষে যেন তেওঁৰ সমগ্ৰ শৰীৰ কচালি মাৰি পেলাব। আনন্দৰ আৰ্তনাদত তেওঁৰ শোৱনি কোঠাটো কঁপি উঠিল। ঘৰৰ মানুহে ভয় খাই ৰাতিয়েই ল'ৰাজনক লৈ গ'ল হস্পিতেললৈ। হস্পিতেলত আনন্দ অৰ্ণেল্ডৰ শৰীৰৰ ওপৰত পৰীক্ষা নিৰীক্ষা চলিল এই বিষৰ উৎস বিচাৰি। অৱশেষত মেডিকেল ৰিপ'ৰ্টত ওলাল আনন্দৰ শৰীৰ গ্ৰাস কৰিছে ভয়ংকৰ কেন্সাৰ ৰোগে। পৰিয়ালৰ মানুহৰ ওপৰত আকাশী সৰগ ভাগি পৰিল। হৰিল মুখৰ মাত।

আনন্দৰ কাণতো পৰিল সেই দুৰ্ভাগ্যজনক খবৰ। চিকিৎসকে ঘোষণা কৰিলে ইতিমধ্যে যথেষ্ট পলম হৈ গৈছে, এতিয়াই যদি অস্ত্ৰোপচাৰ নকৰায় তেন্তে চিৰজীৱনলৈ হেৰাই যাব আনন্দ অৰ্ণেল্ড।

কিন্তু তাতো এটা কথা আছে। এই অস্ত্ৰোপচাৰে কেন্সাৰ ৰোগৰ পৰা নিস্তাৰ দিব যদিও শৰীৰ তলচোৱা পেৰালাইছিছ হৈ পৰিব। মাক দেউতাকে স্বীকাৰ কৰি ল'লে সেই কঠোৰ সত্যক। অন্ততঃ ল'ৰাটো বাচি থাকক। অস্ত্ৰোপচাৰ অন্তত আনন্দৰ মুখমণ্ডলৰ বাহিৰে শৰীৰটোৰে একো সঞ্চালন কৰিব নোৱাৰা হৈ পৰিল। যি শৰীৰেৰে বিশ্বক চমক খুওৱাৰ সপোন দেখিছিল সেই শৰীৰেই মৃতপ্ৰায় হৈ পৰিল। কিশোৰ আনন্দ স্বাভাৱিকতেই হতাশাগ্ৰস্ত হ'ল। যদিও সেই সময় আছিল হতাশা, নিৰাশা আৰু এক প্ৰকাৰৰ ব্যৰ্থতাৰ সময়, তথাপিও আনন্দৰ প্ৰবল আশাবাদী মনটোৱে সেই সপোনবোৰক দুঃস্বপ্নত পৰিণত নকৰাকৈ লালন পালন কৰিছিল। আনন্দে নিজৰ অশেষ প্ৰচেষ্টাত ঘৰতে সৰু-সুৰা দুই এটা ব্যায়ামৰ অনুশীলন কৰিবলৈ ধৰিলে। নিৰন্তৰ তেওঁ কৰি গ'ল এই কাম আৰু এটা সময়ত আনন্দ জয়ী হ'ল। তেওঁৰ শৰীৰটোলৈ লাহে লাহে স্পন্দন আহিল। হাত দুখন সঞ্চালন কৰিব পৰা হ'ল। আনন্দৰ শৰীৰ ওপচোৱা পুনৰ 'জীৱিত' হৈ উঠিল। কিন্তু শৰীৰৰ তলচোৱা আগৰদৰেই জঠৰ হৈ থাকিল আৰু সেয়া কোনোদিনে ঠিক নহ'ব বুলি চিকিৎসকে জনালে আনন্দক আৰু এই কথাটোত নিৰাশ নহয় তেওঁ হাঁহিমুখেই ইয়াক জীৱনৰ প্ৰত্যাহ্বান ৰূপে গ্ৰহণ কৰিলে।

আনন্দ দুখী হোৱাৰ সলনি সুখী হৈছিল এটা কাৰণতেই যে শৰীৰৰ তলৰচোৱাই কাম নকৰিলে কি হ'ল ওপৰচোৱাইতো সঠিক ৰূপতেই কাম কৰি আছে। মোৰ ওচৰত কি নাই সেয়া গুৰুত্ব দিয়াতকৈ মোৰ ওচৰত কি আছে সেই দিশত মনোনিবেশ কৰি জীৱনৰ বাটত দৃঢ়তাৰে আগুৱাই যাবই লাগিব। এই শক্তিশালী ইতিবাচক মনটোৰ আচলত ধৰিয়েই আনৰ এটা জিমত নিজৰ নামভৰ্তি কৰালে। কঠোৰ পৰিশ্ৰম কৰি নিজ লক্ষ্যত উপনীত হোৱাটোৱেই আছিল আনন্দৰ প্ৰধান লক্ষ্য। যি সপোনে শৈশৱৰ পৰাই তেওঁৰ পিছ এৰা নাছিল সেই সপোনে আনন্দক শুৱলৈ নিদিয়া হ'ল। জিমটোৰ প্ৰশিক্ষকে সকলো সময়তে আনন্দৰ সাহসত সহযোগিতা আগবঢ়াই গ'ল। ঘৰৰো আছিল পূৰ্ণ সমৰ্থন।

আনন্দ অৰ্ণেল্ড এতিয়া ২৮ বছৰীয়া যুৱক। যুৱ কালৰ প্ৰৰম্ভিকতেই তেওঁ নিজক এগৰাকী সফল বডীবিল্ডাৰ হিচাপে গঢ় দিছিল আৰু এতিয়াও তেওঁ সেই জয়যাত্ৰা অব্যাহত ৰাখিছে। আনন্দ আৰ্মল্ডয়েই হ'ল ভাৰতৰ প্ৰথম আৰু একমাত্ৰ 'Wheel Chair Body Builder' তেওঁ এতিয়ালৈকে কিমান খিতাপ আৰু সন্মানৰ অধিকাৰী হৈছে সেয়া লেখনিৰ আৰম্ভণিতে উল্লেখ কৰিছোৱেই। ইয়াৰ উপৰিও তেওঁ আন্তঃৰাষ্ট্ৰীয় বিভিন্ন 'হেল্থ ব্ৰেণ্ড'ৰ ব্ৰেণ্ড এম্বেচাদৰ আৰু মডেল ৰূপে স্বকৃতি পাইছে। সু-সাহিত্যিক এলেন উডমেনে আনন্দ অৰ্ণল্ডৰ জীৱন ভিত্তিক লিখি উলিয়াই এখন কিতাপ।

'Weight less : A Time Story of Courage and Determination' আনন্দ অৰ্ণেল্ড কয় "নিজৰ দুৰ্বলতাক জীৱনত কেতিয়াও খোপনি পুতিবলৈ নিদি তাক সবল শক্তিলৈ ৰূপান্তৰিত কৰাটো মানুহৰ জীৱনৰ মূল মন্ত্ৰ হোৱা উচিত।" *ভ্ৰাম্যভাষঃ ৮৮২২৯৫৫৩৫৫*

৪ পৃষ্ঠাৰ পৰা

# গীতাৰ নীতিদৰ্শন . . .

নোৱাৰি, বহুতে কোৱাৰ দৰে। ভাৰতত প্ৰকৃত অহিংসাবাদ প্ৰচাৰ কৰিছে বৌদ্ধ আৰু জৈন দৰ্শননেহে। কিছু পৰিমাণে বৈষ্ণৱ দৰ্শনকো অহিংসাবাদ বুলি অভিহিত কৰিব পাৰি।

অহিংসাবাদে যিকোনো প্ৰাণীৰ হত্যাক বাৰণ কৰে। আমাৰ অসমীয়া বৈষ্ণৱসকলে নীতিগতভাৱে বলি কটা ছাগলীৰ মাংস নাখালেও বহুতে অৱশ্যে লুকাই-চুৰকৈ খায়। বজাৰৰ হেলাল কৰা মাংস কিন্তু খায়। ৰাজহুৱাভাৱে এই ধৰ্মই মাছেৰে ভোজ ভাত খোৱাৰ নিয়ম আছে। এই ক্ষেত্ৰত ই ব্ৰাহ্মণসকলৰ মৎস্য-স্পৰ্শৰ কথাটো মানি লয়। গতিকে বৈষ্ণৱ ধৰ্মও প্ৰকৃত ক্ষেত্ৰত অহিংসাবাদী নহয়।

গীতাই ইহলৌকি জীৱন আৰু জগতৰ ঠাইত পাৰলৌকি জীৱন আৰু জগতৰ ওপৰত বেছিকৈ গুৰুত্ব দিছে। ই ভক্তিৰ ওপৰত গুৰুত্ব দিছে, কাৰণ ভক্তিৰ মাধ্যমেৰেহে ঈশ্বৰৰ কৰুণা লাভ কৰিব পাৰি আৰু ঈশ্বৰৰ কৰুণাৰ অবিহনে মুক্তি লাভ সম্ভৱ নহয়।

ঈশ্বৰৰ কৰুণা লাভ আৰু মুক্তি লাভৰ বাবে মানুহে লোভ, মোহ, মদ, মাৎসৰ্য আদি ত্যাগ কৰি চলিব লাগিব। সাংসাৰিক জীৱনৰ মোহ ত্যাগ কৰাটো গীতাৰ নীতি-দৰ্শনৰ ঘাই কথা। গীতাই 'লোভেই পাপ, পাপেই মৃত্যু'- এনেকুৱা কথাত বিশ্বাস কৰে। কৰ্ম কৰিলেও আমি নিজ কৰ্ম কৰা নাই বুলি ভাবিব লাগিব। আনেহে অৰ্থাৎ ভগৱানৰ দৰিতহে আমি কৰ্ম কৰিছোঁ বুলি ভাবিব লাগিব। সেয়ে গীতাই আৰম্ভণিতেই অৰ্জুনক অহংকাৰ ভাৱ ত্যাগ কৰিবলৈ উপদেশ দিছে। মইত্ব বা নিজত্ব ভাৱ এৰিলেহে সাৰ্বজনিকতাৰ লগত মিলিব পাৰি বুলি গীতাই কয়। আবেগ, অনুভূতি আদিক প্ৰশ্ৰয় নিদি বুদ্ধিৰ দ্বাৰা পৰিচালিত হৈ কৰ্ম কৰিবলৈ কোৱা হৈছে। তদুপৰি সত্ত্বগুণ আহৰণ কৰিলেহে ভগৱানৰ পথত চলিব পাৰি বুলি গীতাই কয়। কৰ্মই আমাক বান্ধেও মুক্তিও দিয়ে। সকাম কৰ্মই আমাক বান্ধে আৰু নিষ্কাম কৰ্মই আমাক মুক্তি দিয়ে।

গীতাৰ সকলোবোৰ কথা মানি ল'ব নোৱাৰিলেও জীৱনত যে মিতাচাৰিতা অৱলম্বন কৰি চলিব লাগে এইটো গীতাৰ ডাঙৰ শিক্ষা। এই শিক্ষা সকলোৱে ল'ব লাগে।

গীতাৰ নীতি-দৰ্শনৰ সন্দৰ্ভত আধুনিক জীৱনৰ বিচাৰ কৰিবলৈ গ'লে বহুতো কথাই আহি পৰে। আধুনিক যুগ ধনতান্ত্ৰিক যুগ। এই যুগৰ প্ৰধান বৈশিষ্ট্য হৈছে ভোগবাদ। বৰ্তমানৰ মানুহে ধন ঘটা আৰু ভোগ কৰা দৰ্শনতেই লাগি থাকে। আনকি মহাবৈষ্ণৱ বুলি ভাও জোৰা সকলেও ধনৰ পিছত ঘূৰে। এনে পৰিস্থিতিত গীতাৰ নীতি-দৰ্শন কি কামত আহিব তাৰ অলপ বিচাৰ কৰা হওক।

আমি ইতিমধ্যে কৈ আহিছো যে গীতাই মিতাচাৰী হ'বলৈ শিকায়। গতিকে আধুনিক যুগৰ মানুহে এই মিতাচাৰিতাৰ শিক্ষা লোৱাটো প্ৰয়োজন। ইন্দ্ৰিয় দমন বা সংযমেৰে জীৱনটো যদি অতিবাহিত কৰিবলৈ চোৱা হয় তেন্তে বহুতো মানসিক ক্ষোভ, উদ্বিগ্নতা আদিৰ পৰা হাত সাৰি থাকিব পাৰি। গীতাই সংসাৰৰ ফালে পিঠি দিবলৈ কোৱা কথাটো সম্পূৰ্ণ ৰূপে মানিব নোৱাৰিলেও কিছু পৰিমাণে নিৰ্মোহ জীৱন-যাপন কৰিব পৰাটো ভাল কথা। তদুপৰি জীৱনত যদি কিছু শান্তি লভাৰ ইচ্ছা থাকে তেন্তে গীতাৰ নীতি-দৰ্শনৰ পথ অনুসৰণ কৰি চলাটো জ্ঞানীৰ লক্ষণ। খুব বেছি তামসিক বা ৰাজসিক ভাবাপন্ন নহৈ সাত্ত্বিক ভাৱে চলিব পাৰিলে নিজৰেই ভাল।

আজিৰ বেছি ভাগ মানুহেই মনৰ শান্তিতকৈ দৈহিক সুখ-স্বাচ্ছন্দ্য বেছিকৈ বিচাৰে। ফলত তেওঁলোক অশান্তিত কাল কটাব লগা হয়। আমি ঐহিক জীৱনক বাদ দি চলিব নোৱাৰো, যদিও গীতাই এই জীৱনৰ ওপৰত গুৰুত্ব দিয়া নাই। এই গুৰুত্ব নিদিয়া কথাটোৱে পাৰমাৰ্থিক ভাৱে যে আমাৰ জীৱনৰ কোনো অৰ্থ নাই সেই কথাকে সূচায়। কিন্তু ব্যৱহাৰিকভাৱে জীৱনৰ অৰ্থ আছে, কাৰণ এই জীৱনৰ মাজেৰেই আমি পাৰমাৰ্থিক জীৱনলৈ যাব পাৰোঁ।

আমি যদি আমাৰ ল'ৰা-ছোৱালীৰ পৰা খুব বেছি আশা কৰোঁ আৰু তেওঁলোক তেনেকুৱা হ'ব নোৱাৰে তেন্তে আমাৰ মনলৈ হতাশা আহে। সেইদৰে খুব বেছি ভৌতিক জীৱনৰ কথা ভাবি থাকিলেও অন্তত আমাৰ মোহভঙ্গ হ'ব পাৰে। তেতিয়াও হতাশা আহে। এনে হতাশা ভাৱ নাইকিয়া কৰিবলৈ হ'লে কোনো ক্ষেত্ৰতে বেছি আশা বা আকাংক্ষা কৰাটো উচিত নহয়। এইটো গীতাৰ শিক্ষা।

ব্যক্তিগত বেহুটোতে সোমাই নাথাকি আমি যদি সামাজিক ক্ষেত্ৰখনলৈ ওলাই যাওঁ তেন্তে আমাৰ ব্যক্তিকেন্দ্ৰিকতা বহুত পৰিমাণে দূৰ হ'ব। পৰিয়াল সম্পৰ্কীয় কাম-কাজ আৰু সামাজিক কাম-কাজৰ মাজত সমন্বয় গঢ়িব পাৰিলে আমি সঠিক মানুহ ৰূপে কাম কৰিব পাৰিম। পৰিয়ালৰ বাবে সমাজ আৰু সমাজৰ বাবে পৰিয়াল বাদ দি চলিলে আমি একোৱেই কৰিব নোৱাৰিম। তেতিয়া আমাৰ জীৱনটো অথলে যাব।

জীৱনটোক অৰ্থবহ কৰি তুলিব পৰাটো ডাঙৰ কথা। মূল্যহীন জীৱনটোক মূল্য আৰোপ কৰিব পাৰিলেহে মানৱ জন্ম ধৰাটো সাৰ্থক হ'ব। নহ'লে খালী ঠাই পূৰণ কৰি থকাৰ বাহিৰে আন একোৱেই নহ'ব। বাইবেলত কৈছে, (Man cannot live by bread alone) গীতাৰো এই মত। খোৱা-লোৱাৰ বাহিৰেও আমাৰ কৰিব লগীয়া বহুত আছে। গতিকে ধৰ্ম পুথিবোৰৰ এই কথাবোৰ সাৰোগত কৰি চলিব পাৰিলে আমি এক আদৰ্শনীয় জীৱন যাপন কৰিব পাৰিম।

গ্ৰন্থপঞ্জী ঃ

১। সৰ্বপল্লী ৰাধাকৃষ্ণণ ঃ Bhagavadgita, Blackie and Son, Bombay etc., 1977
২। গিৰীশ বৰুৱা ঃ বৈজ্ঞানিক ব্যাখ্যাত গীতা, ভগৱতী প্ৰকাশন, গুৱাহাটী, ১৯৯৩
৩। গিৰীশ বৰুৱা ঃ The Bhagavadgita: A Philosophical Analysis, Eastern Readers Publication, Jorhat, 2018

*ভ্ৰাম্যভাষঃ ৭০০২৩ ৭৬৫০৫*

গ্ৰন্থ সমালোচনা

# দক্ষিণ যোৰহাট অঞ্চলৰ লেখকৰ দুখন উপন্যাস

❑ ড° মানিক শইকীয়া

## সোণাৰাম শইকীয়াৰ **মই দৈৱকীয়ে কৈছোঁ**

প্ৰত্যক্ষভাৱেই হওক বা পৰোক্ষভাৱেই হওক ভাৰতীয় মানুহৰ জীৱন পৌৰাণিক কাহিনীসমূহেই নিয়ন্ত্ৰণ কৰি আহিছে বুলি ক'লেও নিশ্চয় বঢ়াই কোৱা নহব। অনাখৰী জনসাধাৰণেও বিভিন্ন উৎসৰ পৰা এইসমূহ কাহিনী সৰ্ম্পকে জনাৰ সুবিধা গ্ৰহণ কৰি অহা পৰিলক্ষিত হয়। এনে উৎসসমূহৰ ভিতৰত, ধৰ্মগুৰুসকলৰ আলোচনা, ভিন ভিন ধৰণৰ পৰিবেশ্য কলা, নাম-কীৰ্তনৰ নিচিনা কাৰ্যসূচীৰ কথা উল্লেখ কৰিব পাৰি। মন কৰিবলগীয়া যে, জনসাধাৰণে এইসমূহৰ পৰা পৰোক্ষভাৱে জ্ঞান আহৰণ কৰাই নহয়,অংশগ্ৰহণ কৰি ঐহিক আৰু পাৰত্ৰিক জীৱনৰ বাবে প্ৰয়োজনীয় শিক্ষা আহৰণ কৰে। ভাওনা, নাম-কীৰ্তন,সংকীৰ্তন,দৌলযাত্ৰা আদিত নিজে অংশগ্ৰহণ কৰাৰ বাবে পৌৰাণিক কাহিনী বা ইয়াৰ বক্তব্যসমূহ জীৱনৰ বাবে এৰাব নোৱৰা শিক্ষা হৈ পৰে।




পৌৰাণিক আখ্যানসমূহৰ বিশেষত্বই হৈছে এইবোৰ পুৰণি হৈও পুৰণি নহয়। এনে আখ্যানসমূহৰ আবেদন চিৰন্তন। অৱশ্যে এইবোৰ একমাত্ৰিক। কিন্তু আধুনিক মানুহ অৰ্থৰ বহুত্বত বিশ্বাসী। গতিকে সাম্প্ৰতিক কালত পৌৰাণিক কাহিনীসমূহক পৃথক অৰ্থ বা পৃথক দৃষ্টিভংগীৰে চোৱাৰ প্ৰৱণতা এটাৰ সৃষ্টি হ'ল। এনে প্ৰৱণতাৰ পৰিপ্ৰেক্ষিততে আধুনিক যুগত পৌৰাণিক কাহিনীৰ আলমত নতুন সাহিত্যৰ সৃষ্টি হ'বলৈ ধৰিলে। পোনপ্ৰথমতে নাটকৰ জৰিয়তে আৰম্ভ হোৱা এনে সাহিত্যৰ ধাৰাটো কালক্ৰমত কবিতা,উপন্যাস, চুটিগল্প আদি ৰূপকল্পসমূহলৈও বিয়পি পৰিল।

মন কৰিবলগীয়া যে, পৌৰাণিক আখ্যানসমূহৰ কেন্দ্ৰীয় বিষয় ধৰ্ম। কিন্তু আধুনিক পৃথিৱীত দ্বন্দ্বমূলক বস্তুবাদী দৃষ্টিভংগীৰ প্ৰসাৰৰ সময়ৰ পৰা প্ৰথাগত ধৰ্ম সম্বন্ধেও নানধৰণৰ প্ৰশ্নশীলতাৰ সৃষ্টি হ'বলৈ ধৰিলে। গতিকে পৌৰাণিক আখ্যানসমূহৰ মাজত ধৰ্মীয় আচ্ছাদনেৰে ঢাকি থোৱা কাহিনীটো উলিয়াই আনি নতুন তাৎপৰ্যৰ সন্ধান আৰম্ভ হ'ল। লেখকসকলে কেৱল ধৰ্মীয় তাৎপৰ্যৰ অনুসন্ধানতেই সন্তুষ্ট নহৈ কাহিনী, বিষয়বস্তু নাইবা চৰিত্ৰসমূহক মানবীয় দৃষ্টিভংগীৰেও বিশ্লেষণ কৰাৰ প্ৰচেষ্টা আৰম্ভ কৰিলে। আনহাতে একেসময়তে ধৰ্মশাস্ত্ৰসমূহৰ পৰা আহৰণ কৰিব পৰাঐতিহাসিক তথ্য সৰ্ম্পকেও গভীৰ আৰু বিস্তৃত বিশ্লেষণ আৰম্ভ হ'ল। গতিকে প্ৰসংগসমূহৰ যুক্তিসিদ্ধ আলোচনা প্ৰয়োজনীয় হৈ পৰিল।

ধৰ্মশাস্ত্ৰসমূহক অপৌৰুষেয় বুলি বিবেচনা কৰাৰ পৰিবৰ্তে এইসমূহৰ ঐতিহাসিক প্ৰেক্ষাপট, ৰচনাৰ সময়, কিম্বা অন্যান্য বিষয় সৰ্ম্পকেও আলোচনা আৰম্ভ হ'বলৈ ধৰিলে। লগে লগে এইসমূহত হোৱা সংযোগ-বিয়োগ সৰ্ম্পকেও তথ্য প্ৰমাণ সহকাৰে ডাঙি ধৰা হ'ল। এনে পৰিপ্ৰেক্ষিতত সৃষ্টিশীল লেখক-সাহিত্যিকসকল এনেবোৰ বিচাৰ বিশ্লেষণৰ প্ৰতি আগ্ৰহী হৈ উঠিবলৈ ধৰিলে।

সাম্প্ৰতিক সময়ত নাৰীবাদী সাহিত্য, দলিত সাহিত্য, নিম্নবৰ্গৰ সাহিত্য আদি প্ৰসংগসমূহ গুৰুত্বসহকাৰে উল্লিখিত হ'বলৈ ধৰিলে। এই দৃষ্টিভংগীসমূহৰ আধাৰত পোনপটিয়াকৈ ৰচিত নহলেও লেখকসকলৰ মানসিকতাত এনে ধাৰণাসমূহৰ প্ৰভাব পৰিবলৈ ধৰিলে। প্ৰাচীন কালৰ ৰচনা কাৰণেই পৌৰাণিক আখ্যানসমূহ সমাজৰ উচ্চশ্ৰেণীৰ দৃষ্টিভংগীৰে তেনে শ্ৰেণীৰ চৰিত্ৰক গুৰুত্ব দি ৰচনা কৰা হৈছিল। কিন্তু মন কৰিব পাৰি যে, নিম্নশ্ৰেণীৰ দৃষ্টিভংগীৰেও বিষয়বোৰ বিশ্লেষণ অৱকাশ নথকা নহয়।

ভাৰত বৰ্ষত মহাকবি কালিদাসৰ সময়ৰে পৰা এনে দৃষ্টিভংগীৰ আৰম্ভণি ঘটা বুলিব পাৰি। এইগৰাকী মহাকবিয়েই দুষ্যন্ত -শকুন্তলাৰ কাহিনীত দুৰ্বাসাৰ অভিশাপ আৰু শকুন্তলাৰ আঙুঠি হেৰোৱাৰ স্বকপোলকল্পিত প্ৰসংগ সংলগ্ন কৰিছিল। অসমীয়া সাহিত্যত মাধৱ কন্দলিয়ে ৰামায়ণ অনুবাদত স্থানীয় ৰহন সনা, দুজনা গুৰুৱে এই অনুবাদত 'ভক্তিৰ আঁচুফল বচা', ৰাম সৰস্বতীয়ে মহাভাৰতৰ আলম লৈ ভীম চৰিত আৰু বধকাব্যসমূহ ৰচনা কৰা আদিৰ ক্ষেত্ৰতো মহাকাব্য দুখনৰ কাহিনীত হস্তাৱলেপনৰ উদাহৰণ বিচাৰি পাব পাৰি। আধুনিক যুগত ৰচিত পৌৰাণিক নাটকসমূহতো কাহিনী বা চৰিত্ৰৰ ক্ষেত্ৰত নতুন তাৎপৰ্যৰ সন্ধান আৰম্ভ হৈছিল। অৱশ্যে তেনে ৰচনাসমূহত এনে তাৎপৰ্যৰ সন্ধান আংশিকহে, সামগ্ৰিক নাছিল।

তাৰ পৰিবৰ্তে সাম্প্ৰতিক কালত ৰচিত সাহিত্যৰ ভিন ভিন ৰূপকল্পত এনে কাহিনী কিম্বা চৰিত্ৰৰ বিশ্লেষণ সামগ্ৰিক ৰূপত পৰিলক্ষিত হ'বলৈ ধৰিলে। অৱশ্যে বহুবোৰ কবিতাত পৌৰাণিক প্ৰসংগৰ উপস্থাপন বা ব্যৱহাৰ সামগ্ৰিক নহয় ; আংশিক। (কোৰিয়াত জৰাসন্ধৰ কংকাল, শকুন্তলা তোমাৰ ওঁঠত দুষ্মন্তৰ চুমাৰ চেকা, নেজপোৰা, হনুমন্ত, আন্দোলদোল কংস বতাহ আদি)

পৌৰাণিক আখ্যানক ভিত্তি কৰি আধুনিক সাহিত্য সৃষ্টি কৰোতাসকলে কেৱল তাৎপৰ্য বা দৃষ্টিকোণ সৰ্ম্পকেহে নতুনকৈ বিশ্লেষণ কৰা উচিত বুল ধাৰণা হয়। তাৰ পৰিবৰ্তে প্ৰতিৰ্ষ্ঠিত কাহিনীটোকে সলাই পেলোৱা উচিত নহয়।

পৌৰাণিক আখ্যান আধাৰিত আধুনিক সাহিত্যই পাঠকক গভীৰভাবে আকৰ্ষণ কৰিবলৈ ধৰিছে। হয়তো পৌৰাণিক আৰু আধুনিক দুয়োটা সোৱাদ একেলগে পোৱাটোৱেই ইয়াৰ ঘাই কাৰণ। সাম্প্ৰতিক অসমীয়া সাহিত্যত ই এটা ধাৰা হিচাপে প্ৰতিৰ্ষ্ঠিত হৈছে বুলিব পাৰি।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এতান্ত অনুগামী শ্ৰীসোণাৰাম শইকীয়াদেৱৰ **মই দৈৱকীয়ে কৈছোঁ** নামৰ উপন্যাসখন বহুদিনীয়া অধ্যয়ন আৰু অপৰিসীম ধৈৰ্যৰে সত্তৰোৰ্দ্ধৰ এইগৰাকী ব্যক্তিয়ে লিখি উলিয়াইছে। উপন্যাসখনৰ পৃষ্ঠাই পৃষ্ঠাই লেখক গভীৰ অধ্যয়নৰ স্বাক্ষৰস্বৰূপ বহুবোৰ তথ্যপাতিৰ সমাবেশ ঘটিছে।

আমাৰ প্ৰাচীন সাহিত্যৰ আটাইতকৈ দুখদায়ক চৰিত্ৰ কৃষ্ণমাতৃ দৈৱকীক পাঠক সমাজক নতুনকৈ পৰিচয় কৰাই দিয়াৰ প্ৰয়োজন নাই। আপোন অগ্ৰজৰ দ্বাৰাই নিগৃহিত আৰু এটা এটাকৈ সাতোটা ফুলকুমলীয়া সন্তানৰ হত্যা দেখিও অষ্টম সন্তানৰ আশাত জীয়াই থাকি থকা এইগৰাকী নাৰী যেন দুখ আৰু কাৰুণ্যৰ লগতে ধৈৰ্য আৰু সাহসৰো প্ৰতীক। হয়তো সেই সাহস তেওঁ লাভ কৰিছিল অত্যাচাৰী কংসৰ আসন্ন মৃত্যু প্ৰতীক্ষাৰ জৰিয়তে। কাৰণ তেওঁতো জীয়াই থাকিবই লাগিব ; অষ্টম সন্তানৰ জন্ম দিবই লাগিব তেতিয়াহে জগতৰ কল্যাণ সাধিত হ'ব। যদিহে এইদৰে ভাবি লোৱা যায়, তেনেহলে দৈৱকী যেন সমস্ত অত্যাচাৰ আৰু লাঞ্ছনাৰ বিপৰীতে শুভদিনৰ বাবে প্ৰতীক্ষাৰত আশাবাদী মানৱাত্মাৰো প্ৰতীক।

কিন্তু ধৈৰ্য আৰু সাহসৰ প্ৰতীক হ'লেও,আশাবাদী মানবাত্মাৰ চানেকি হিচাপে তুলি ধৰিব পাৰিলেও দৈৱকীৰ জীৱন যেন অনন্ত-অসীম শোকৰ জলাশয়ত ফুলি উঠা এপাহি স্নিগ্ধ শতদল। সেয়েহে,দৈৱকীৰ দুখ অসহনীয় চকুপানীৰ নিৰবধি নিজৰা হৈ বৈ আছে এইখন উপন্যাসৰ পৃষ্ঠাই পৃষ্ঠাই। কাৰণ এইগৰাকী কৰুণাময়ী নাৰীৰ চকুৰ আগতে ঘটিছে ইতিহাসৰ বহুবোৰ বিচিত্ৰ -বিক্ষিপ্ত অসাধাৰণ ঘটনা।

তথাপি দৈৱকী এগৰাকী নাৰী। মমতাময়ী জননী। এইগৰাকী দৈৱকীয়েই সাতোটা সন্তানৰ সকৰুণ সোঁৱৰণী বুকুত সাৱটি থাকিও কৃষ্ণ-বিৰহত চকুপানীৰে বাট নেদেখা হোৱা নন্দ-যশোদাক সান্ত্বনা দিব পাৰে,যিজন কংসই তেওঁৰ জীৱনত চকুপানীৰ নৈ বোৱাইছিল সেইজন অগ্ৰজৰে দুগৰাকী বিধবা পত্নীৰ দুখত কাতৰ হ'ব পাৰে,এশপুত্ৰৰ মৃত্যুশোকত ম্ৰিয়মান গান্ধাৰীৰ দুখৰ সমভাগী হৈ চকুপানীৰে বাট নেদেখা হ'ব পাৰে।

লেখকগৰাকীৰ ভাষিক সৌকৰ্যৰ নিদৰ্শন হিচাপে কেইটামান শাৰী উদ্ধৃত কৰা হ'ল —

. . . মোৰ নয়নমণি অষ্টম সন্তানটিৰ জন্মৰ সেই কালিকা লগা ৰাতিটোৰ কথা। বাহিৰত শিলা বৰষুণ। থমকি
থমকি চকু ছাট মৰা বিজুলি আৰু ঢেৰেকনি। ইতিমধ্যে ছটা সন্তান সহোদৰৰ হাতত তুলি দিছো। সপ্তম সন্তানটি
গৰ্ভতে নষ্ট হ'ল। ভয়ত মোৰ বুকু কঁপি উঠিল, মই সংজ্ঞাহীন হৈ পৰিলো। মোৰ পোনাকণ কেতিয়ানো ভূমিষ্ঠ
হ'ল গমকে নাপালো। কিন্তু কি আচৰিত, শিশুটিৰ হাত চাৰিখন। চাৰি হাতত শংখ, চক্ৰ, গদা, পদ্ম। তাতোকৈও আচৰিত কথা চৰ্তুভূজ শিশুটি চকুৰ পচাৰতে এক পূৰ্ণ মানৱত পৰিণত হ'ল আৰু ক'লে —

প্ৰায় সমগ্ৰ জীৱন শিক্ষাদানৰ লগত জড়িত অৱসৰ গ্ৰহণ কৰা শ্ৰীসোণাৰাম শইকীয়াদেৱৰ উপন্যাসখন প্ৰকাশ কৰিছে নিৰীক্ষণ প্ৰকাশনে। অক্ষৰ বিন্যাস ডেল্টা কমাৰ্চিয়েল, বঙালপুখুৰী,যোৰহাট। প্ৰথম প্ৰকাশ ২ ফেব্ৰুৱাৰী,২০১৯। মূল্য ২২০ টকা।

## লৱ কুমাৰ দত্তৰ **'মনৰ মানুহ'**

আমাৰখন ৰাজ্যৰ প্ৰায়বোৰ শিক্ষানুষ্ঠানেই প্ৰথম অৱস্থাত ৰাইজৰ দান-বৰঙণিৰে প্ৰতিৰ্ষ্ঠিত হৈছিল। এইক্ষেত্ৰত কিছু সংখ্যক বিদ্যোৎসাহী ব্যক্তিৰ আশাসুধীয়া প্ৰচেষ্টা জড়িত হৈ থকাতো ঐতিহাসিকভাৱে সত্য। এনেদৰে প্ৰতিৰ্ষ্ঠিত হোৱাৰ পিছতহে শিক্ষানুষ্ঠানসমূহে চৰকাৰী স্বীকৃতি নাইবা অনুদান আদি লাভ কৰে। কিন্তু সেই পৰ্যায়লৈ যোৱালৈকে বহু সময় পাৰ হৈ যায়। এনেদৰে পাৰ হৈ যোৱা সময় চোৱাত সংশ্লিষ্ট লোকসকলে অশেষ ধৈৰ্য আৰু ত্যাগ স্বীকাৰ কৰিবলগীয়া হয়। কোনো কোনোৱে হয়তো পাৰিতোষিক নোলোৱাকৈ বা নামমাত্ৰ পাৰিতোষিক লাভ কৰিয়েই সমাজৰ কল্যাণৰ বাবে বছৰৰ পিছত বছৰ ধৰি একোখন শিক্ষানুষ্ঠানৰ গুৰি ধৰি থাকিবলগীয়া হয়।




তাতোকৈ পৰিতাপৰ কথাটো হ'ল,বহুদিনৰ পিছত যেতিয়া একোখন উচ্চশিক্ষানুষ্ঠানে চৰকাৰী দান-অনুদান আদি লাভ কৰি পূৰ্ণতা লাভ কৰে তেতিয়ালৈ প্ৰতিষ্ঠা কালত আগভাগ লওঁতা বহুজনৰ চাকৰিৰ বয়স শেষ হ'বৰেই হয়; বহুজনে চৰকাৰী নীতি-নিয়মৰ আওতাত সোমাব নোৱাৰি শিক্ষানুষ্ঠানখনক বিদায় জনাবলগীয়া হয়। এনেসময়ত দূৰ-দূৰণিৰ পৰা উপযুক্ত ব্যক্তি আহি শিক্ষানুষ্ঠানখনৰ দায়িত্ব লয় আৰু প্ৰতিষ্ঠা কালৰ লোকসকলৰ ত্যাগৰ কথা সমুলঞ্চে পাহৰি যায়।

নিতান্ত স্বাভাবিকভাৱেই বছৰেকৰ মূৰত প্ৰকাশ পোৱা আলোচনী নাইবা ৰূপালী জয়ন্তী, সোমালী জয়ন্তী আদি উপলক্ষ্যত প্ৰকাশিত স্মৃতিগ্ৰন্থ আদিত অতীতৰ বিদ্যানুৰাগী ব্যক্তিসকলৰ ত্যাগ কিম্বা ভবিষ্যদৃষ্টিৰ বিষয়ে আলোচনা হয়। প্ৰতিষ্ঠাৰ সময়ত জড়িত হৈ থকা ব্যক্তিসকলৰ ভিতৰৰ বহুজনে তেতিয়ালৈ ইহসংসাৰৰ পৰা বিদায় লয় কিম্বা বহুজন অশীতিপৰ বৃদ্ধত পৰিণত হয়।

স্মৃতিগ্ৰন্থ নাইবা আলোচনীত এৰি অহা

১৯ পৃষ্ঠাত...

ঐ

# যুৱ সমাজত ম'বাইল ফোনৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ

❑ জাহ্নৱী দত্ত

আজিৰ পৃথিৱীত বিজ্ঞান প্ৰযুক্তিয়ে ইমানেই অগ্ৰগতি লাভ কৰিছে যে প্ৰতি দিনে ন-ন আৱিস্কাৰ হৈয়ে আছে। সেই সমূহৰ ভিতৰত ম'বাইল অন্যতম। ১৯৭৩ চনতে মটৰলা কোম্পানীয়ে প্ৰথম ম'বাইল ফোন আৱিস্কাৰ কৰিছিল যদিও সেই ফোন প্ৰচাৰ, প্ৰসাৰৰ অভাৱৰ লগতে সহজলভ্য নাছিল। কিন্তু আজিৰ সমাজত ম'বাইলৰ প্ৰচাৰ খুবে দেখিবলৈ পোৱা যায়। কম বয়সীয়া ল'ৰা-ছোৱালীৰ পৰা বৃদ্ধ-বৃদ্ধালৈকে ম'বাইল ফোন ব্যৱহাৰ কৰা দেখা যায়। প্ৰত্যেক বস্তুৰ দৰে ম'বাইল ফোনৰো ভাল আৰু বেয়া দুয়োটা দিশ আছে। কিন্তু আজিৰ যুৱ সমাজে ভালতকৈ বেয়াখিনিতহে বেছি গুৰুত্ব দিয়া দেখা যায়। ম'বাইল ফোনৰ বহুতো কু প্ৰভাৱে আমাৰ স্বাভাৱিক জীৱন যাত্ৰাত যথেষ্ট ক্ষতি সাধন কৰিছে। যিহেতু ম'বাইলত গোটেই পৃথিৱীখন দেখিবলৈ পোৱা যায়, সেই বাবে সমাজৰ এচাম লোকে বাস্তৱ পৃথিৱীৰ পৰা আঁতৰি ম'বাইলত বিচৰণ কৰি ফুৰে। এইবোৰ কাৰণে আজি পৃথিৱীত অসামাজিক ঘটনা বৃদ্ধি পাইছে। কিছুমান লোকে ম'বাইল ফোনটো কাণত লৈ অধিক বাৰ্তালাপত ব্যস্ত হোৱা দেখা যায়। যাৰ ফলস্বৰূপে তেওঁলোকে শ্ৰৱণশক্তি হেৰুৱাবলগীয়া হয় আৰু মন মগজুত কু-প্ৰভাৱ পৰিব পাৰে। ম'বাইল ফোনৰ অত্যাধিক ব্যৱহাৰে মানুহৰ আচৰণৰ পৰিৱৰ্তন আনিব পাৰে। ম'বাইল ফোনে আমাৰ মনোযোগহীনতা, স্মৃতিশক্তি হ্ৰাস, উদ্বিগ্নতাৰ লগতে আমাৰ স্বাস্থ্যৰ আন বহুতো ক্ষতিসাধন কৰিব পাৰে। ইয়াৰ অধিক ব্যৱহাৰে আমাৰ সম্পৰ্কবোৰৰো ফাট মেলিছে। য'ত দুখোজ গৈ কথোপকথন কৰাৰ বিপৰীতে এটা ফোনৰ দ্বাৰাই সকলো সহজ কৰি পেলাইছে। যিটো বয়সত শিশুক সমনীয়াৰ লগত সময়বোৰ পাৰ কৰিবলৈ দিব লাগে, খেল ধেমালিৰ মাজেৰে সৰু-সৰু জ্ঞানবোৰ দিব লাগে সেই বয়সত আজিৰ সমাজে শিশুৰ হাতত তুলি দিয়ে ম'বাইল ফোনটো। যাৰ বাবে বঞ্চিত আজি শিশু সমনীয়াৰ লগত পাৰ কৰা সেই সময়বোৰৰ পৰা। যিটো সময়ত আমি পুতলা বা আন খেলনা সামগ্ৰীৰ লগত খেলাৰ লগতে স্কুলৰ পৰা অহাৰ পাছত ফিল্ডত আন বিভিন্ন খেল খেলিছিলো সেই বয়সৰ আজিৰ শিশুৱে ম'বাইলত গেম খেলাত ব্যস্ত। ম'বাইলৰ অবিহনে আজি সমাজ যেন অচল হৈ পৰিছে। আজৰি সময়ত আন্তৰিকতা এইবোৰ যে আজি সমাজত লুপ্ত পাইছে। তাৰ একমাত্ৰ কাৰণ ম'বাইল। য'ত নেকি নিজৰ পিতৃ মাতৃ, ভাই ভনীৰ লগত দুষাৰ কথা পাতিবৰ আহৰি নাই। সেই সকল যুৱ প্ৰজন্মই আজি ম'বাইল ফোনত ঘণ্টা ধৰি বাৰ্তালাপ কৰে আৰু তাৰ বাবদ নিজৰ স্বাস্থ্য অৱনমিত ঘটা লগতে আত্মীয় সকলৰ মাজত গঢ়ি উঠে এখন প্ৰাচীৰ। সামাজিক বা পৰিয়ালৰ সতে মানৱীয় যোগসূত্ৰকে মোবাইলৰ অনামী ৰঙীন জগতখনত আপোন পাহৰা হৈ থাকিবলৈ শিকাটো শিশু - কিশোৰ আৰু যুৱ প্ৰজন্ম বাবে এক নিচাত পৰিণত হৈছে। এদিনৰ কাৰণে নাথাকিলে বা ম'বাইলত চাৰ্জ নাথাকিলে আমি যেন সকলো হেৰুৱালো। জীৱণত যেন একোৱেই নাই এনেকুৱা অৱস্থা হয় সকলোৰে। কিন্তু ম'বাইলৰ অপকাৰিতা লগতে উপকাৰিতাৰ নথকা নহয়। কিন্তু সঠিক ধৰণে ব্যৱহাৰ কৰিব নোৱাৰাৰ ফলতহে অপকাৰ হোৱা দেখা যায়। ম'বাইলৰ দ্বাৰা আমাৰ উপকাৰ নোহোৱাকৈ থকা নাই। অতি কম সময়ৰ ভিতৰত ফোন কৰি দিলেই বহুত বস্তু ঘৰতে দি যাব পাৰে। আগতে কাৰোবাৰ কিবা সমস্যা হ'লে খবৰ পাওঁতে যথেষ্ট সময় লাগিছিল। কিন্তু এতিয়া লগে লগে পোৱাৰ ফলত সমাধান কৰাৰ সময় পোৱা যায়। ম'বাইলৰ জৰিয়তে বহুত মানুহৰ মাজৰ সংযোগ স্থাপন হৈ আছে আৰু বহুতৰ মাজত বন্ধুত্ব দৰে এটা পৱিত্ৰ সম্পৰ্ক গঢ় লৈ উঠে, যাৰ দ্বাৰা আজি ব্যস্ত পৃথিৱীত ইজনে সিজনক সুখ দুখত এযাৰ মাত দিব পাৰে। এইবোৰতেটো থাকে জীৱনৰ সৰু সুৰা আনন্দবোৰ। দুদিনীয়া পৃথিৱীত কাৰোবাৰ পৰা পোৱা সহায় সহযোগিতা, মৰম প্ৰেৰণা আদিয়েই জীৱনৰ কঠিন সময়বোৰত আগুৱাই নিবলৈ সহায় কৰে। শেষত এটাই কথাই কওঁ আজি আমি প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ম'বাইলৰ ওপৰতেই নিৰ্ভৰশীল। যিদৰে ভালৰ অবিহনে বেয়া থাকিব নোৱাৰে ঠিক সেইদৰে বেয়া অবিহনে ভালো থাকিব নোৱাৰে। সেইবাবে বেয়াখিনিক আওকান কৰি ভালখিনিক আদৰি শিশুৰ পৰা আৰম্ভ কৰি বৃদ্ধ-বৃদ্ধালৈকে প্ৰত্যেকজন ব্যক্তিয়ে ম'বাইলৰ সৎ ব্যৱহাৰ কৰি বাস্তৱ জীৱনত আগুৱাই যাওঁক।

## ভাৰতৰ প্ৰথম

ভাৰতৰ প্ৰথম চলচিত্ৰ পৰিচালক ঃ দাদা চাহেব ফাল্কে
প্ৰথম ভাৰতীয় মহিলা মুখ্যমন্ত্ৰী ঃ সুচেতা কৃপালিনী
প্ৰথম ভাৰতীয় মহিলা ৰাজ্যপাল ঃ সৰোজনী নাইডু
প্ৰথম মহিলা প্ৰধানমন্ত্ৰী ঃ ইন্দিৰা গান্ধী
উচ্চতম ন্যায়ালয়ৰ প্ৰথম মহিলা ন্যায়াধীশ ঃ ফাতেমা বিবি
প্ৰথম মহিলা আই. পি. এছ. ঃ কিৰণ বেদী
প্ৰথম ভাৰতীয় মহাকাশচাৰী ঃ ৰাকেশ শৰ্মা
প্ৰথম ভাৰতীয় মহিলা মহাকাশচাৰী ঃ কল্পনা চাওলা
প্ৰথম ভাৰতীয় চাৰ্কাছ ঃ চাত্ৰে চাৰ্কাছ
ভাৰতৰ প্ৰথম মহাবিদ্যালয় ঃ উইলিয়াম কলেজ, কলকাতা
ভাৰতৰ প্ৰথম আই আই টি ঃ খড়গপুৰ
প্ৰথম ভাৰতীয় স্নাতক ঃ বঙ্কিম চন্দ্ৰ চট্টোপাধ্যায় আৰু যদুনাথ বোস (১৮৫৮)
অক্সিজেন নোহোৱাকৈ এভাৰেষ্ট বিজয়ীঃ ফু দৰ্জি
প্ৰথম ভাৰতীয় মিছ ইউনিভাৰ্ছ ঃ সুস্মিতা সেন।
ভাৰতত প্ৰথম মণি অৰ্ডাৰ প্ৰথাৰ প্ৰচলন ঃ ১ জানুৱাৰী, ১৮৮০
ভাৰতৰ প্ৰথম বাতৰি কাকত ঃ দি বেঙ্গল গেজেট
ভাৰতৰ প্ৰথম মুকলি বিশ্ববিদ্যালয় ঃ অন্ধ্ৰপ্ৰদেশ মুকলি বিশ্ববিদ্যালয়
অস্কাৰ বঁটা বিজয়ী প্ৰথম ভাৰতীয় ঃ ভানু আঠাইয়া
ভাৰতৰ প্ৰথম তাৰকাগৃহ ঃ বিৰলা প্লেনেটেৰিয়াম, কলকাতা
ভাৰতৰ প্ৰথম ডাকঘৰ ঃ কলকতা (১৮৫৪)
ভাৰতৰ প্ৰথম দূৰদৰ্শন কেন্দ্ৰ ঃ দিল্লী (১৯৫৯)
ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ প্ৰথম ভাৰতীয় সভাপতি ঃ বিজয়লক্ষ্মী পণ্ডিত
প্ৰথম মহিলা স্নাতক ঃ কাদম্বিনী গাঙ্গুলী, চন্দ্ৰমুখী বসু
প্ৰথম মহিলা ভাৰতৰত্ন ঃ ইন্দিৰা গান্ধী
প্ৰথম মহিলা ডাক্তৰ ঃ কাদম্বিনী গাঙ্গুলী
প্ৰথম ভাৰতীয় কৃত্ৰিম উপগ্ৰহ ঃ আৰ্যভট্ট
প্ৰথম মহিলা জ্ঞানপীঠ বঁটা বিজয়ী ঃ আশাপূৰ্ণা দেৱী

# অসমীয়া কবিতাত ননচেন্স ৰাইম

❑ লোহিত নাথ

অসমীয়া কাব্য সাহিত্যৰ ভিতৰত আটাইতকৈ চৰ্চা নকৰা কাব্যৰূপটোৱেই হ'ল ননচেন্স ৰাইম। ইয়াৰ সৰ্বজন স্বীকৃত অসমীয়া নাম নাই। ড০ মহেন্দ্ৰ বৰাই ইয়াৰ অসমীয়া নাম দিছে ৰুনজুন। কাব্যৰূপটোৰ চৰ্চা নোহোৱাৰ দৰেই নামটোও সণ্ঢালনিভাৱে সৰ্বজনগ্ৰাহ্য হৈ উঠা নাই।

ননচেন্স ৰাইজনৰ প্ৰসঙ্গত ড০ মহেন্দ্ৰ বৰাই কৈছে-

"ননচেন্স ৰাইমৰ ঘাই কথাষাৰ হ'ল, মিলৰ ৰুনজুননি। ইয়াৰ অসমীয়া নাম নাই। ৰজিতা খোৱা নাম এটা থ'ব পাৰি- 'ৰুনজুন'। ৰুনজুন দুবিধঃ এবিধত ৰিণিকি ৰিণিকি এটা অৰ্থ থাকে; আনবিধৰ কোনো অৰ্থ নাথাকে- মাথোন মিলৰ পয়োভৰ।" (ড০ মহেন্দ্ৰ বৰা, সাহিত্য উপক্ৰমণিকা, পৃষ্ঠা-৬০)

বৰাদেৱে তেনে দুটা দৃষ্টান্ত নৱকান্ত বৰুৱাৰ *জোনহঁতৰ কিতাপ আৰু শিয়ালী পালেগৈ ৰতনপুৰ* নামৰ শিশু পুথি দুখনৰ পৰা উদ্ধৃতি দিছে।

প্ৰথম বিধ অৰ্থাৎ, অৰ্থ থকা ননচেন্স ৰাইমৰ উদাহৰণ-

ইণ্টি মিণ্টি জিণ্টি ৰাম
এক পইচাত হেজাৰ আম
এটা আমৰ হেজাৰ ঠেং
কুঁৱাত থাকে কুঁৱাৰ বেং
কুঁৱাৰ পানী ঘোললা
হৰি বিষ্টু বোললা
(জোনহঁতৰ কিতাপ, নৱকান্ত বৰুৱা)

নক'লেও হ'ব যে এইবিধ কাব্যৰূপ শিশুৰ বাবে ৰচিত, ল'ৰা ধেমালিৰ গীত। অসমীয়া লোক-সাহিত্যত ল'ৰা ধেমালিৰ গীতবোৰৰ যথেষ্ট ভূমিকা আছে। ইয়াৰ বেছিভাগেই এনে ননচেন্স ৰাইমৰ ভিতৰুৱা। এইবোৰ পদ্য শিশুৰ অতিকৈ আপোন। ইয়াৰ মূল লক্ষ্যণীয় দিশটো হ'ল ইয়াৰ ধ্বনি আৰু অন্তামিল। ধ্বনিৰ গতিত এটা চৰণৰ পৰা আন এটা চৰণলৈ লৈ যোৱাটো ইয়াৰ বৈশিষ্ট্য। লগতে এই ধ্বনিৰ গতিত পদ্যটিয়ে বিষয়ৰ পৰা বিষয়ান্তলৈ গতি কৰাৰ সুবিধা পাব।

এই ধৰণৰ কাব্যৰূপৰ আমাৰ এটি ৰচনা-

ধনটি কনটি বগাৰাম
আৰু লিখিম মকাৰ নাম
মিঠাই ককাৰ বাৰী যাম
সবেই মিলি আম খাম।
লোকৰ আম বহুত টেঙা
আমি নলওঁ লোকৰ জেঙা।
ৰাম ৰাম কৃষ্ণ গোপাল
লোকৰ বাৰীত গৰু সোমাল।

দ্বিতীয় বিধত অৰ্থ নাথাকে, থাকে মাথোন অন্তামিল আৰু মধ্য মিলৰ; যেন ৰুণুক জুনুক জুনুকাৰ শব্দ। ড০ বৰাই তাৰ উদাহৰণ দিছে-

যাযাবৰ ধুমকেতু নাগাচাকি খুমটাই
হাৰাকিৰি পানিপথ বন্দী হাতেম তাই।
স্বপ্ন লাটুম স্মৃতি বেহেলাৰ ভল্লা
কিন্তু তথাপি যদি হাতীপটি বল্লা
শোকসভা ঘঁৰিয়াল তামোলৰ পাখি নাই
সহকাৰী মৈনাক ফুটনোট; কোন হ্যায়?
(নৱকান্ত বৰুৱা, শিয়ালী পালেগৈ ৰতনপুৰ)

যদিও কোৱা হৈছে দ্বিতীয় বিধত সামগ্ৰিকভাৱে কোনো অৰ্থ নাথাকে, তথাপি তাৰ শব্দ চয়ন প্ৰথমটোতকৈ কিছু ব্যতিক্ৰম। ইয়াক সচেতনভাৱেই কবিয়ে প্ৰয়োগ কৰা দেখা যায়। লক্ষ্য কৰিলে ইয়াৰ দুটা উদ্দেশ্য ওলাই পৰে।

প্ৰথমে, এনেধৰণৰ কবিতাৰ বাবে কোমল আৰু কঠিন অচিনাকি শব্দ নিৰ্বাচন কৰা হয়। কোমলমতীয়া ল'ৰা ছোৱালীয়ে যাতে শব্দবোৰ স্পষ্টকৈ ফুটাব পাৰে, আৰু কঠিন শব্দবোৰৰ অৰ্থ শিকিবলৈ যাতে উদগনি পাব পাৰে, এনেবোৰ পদ্য ৰচনাৰ ই এটা উদ্দেশ্য।

দ্বিতীয়তে, দেখাত যদিও পদ্যটো এটি বিশৃংখল শব্দৰ জাল যেন লাগে, তথাপি একেবাৰে তেনে নহয়। ইয়াত সন্নিবিষ্ট শব্দবোৰ অৰ্থবহ হোৱাৰ লগতে ইয়াৰ পৰিধি ব্যাপক। একে বিষয়ক দেশী-বিদেশী শব্দৰ প্ৰয়োগ, বিপৰীতগামী শব্দৰ প্ৰয়োগে এইবিধ কাব্যৰূপক গতিশীলতা দান কৰে।

দ্বিতীয়বিধ ননচেন্স ৰাইমৰ আমাৰ এটি ৰচনা-

ফেচবুক হোৱাটচ্‌আপ ৱাইফাই ডংগল;
ৰেজিষ্টাৰ খাতাবহী ডাম্পাৰ সমদল।
টেক্টৰ মাটিচোৰ ডালিয়া বিউটি
বি এ বি মেইন ৰোড চিক্সটি ফৰটি।
চিকিম মণিপাল ভূৱনেশ্বৰ ভূপাল
বিয়া সবাহ ভাওনা টিনপাত তিৰপাল।
হেড এক ধুমুহা স্মাটচিটি নেটিজেন
ফটিক ফটা জোতা হিৰ'হোণ্ডা জেণ্টলমেন।
চিকিমিকি লাংপাং লাং লাং থাং থাং
সন্ধিয়া সোমৰস বিছনা বৰছাং।

আলোচনাৰ পৰা ক'ব পাৰি যে অসমীয়া কাব্য সাহিত্যত চৰ্চা নকৰা এই সাহিত্য ৰূপটোৰ চৰ্চাই শিশু সাহিত্যক সমৃদ্ধ কৰাৰ লগতে বয়স্কসকলৰো মনোৰঞ্জনৰ খোৰাক যোগাব পাৰে। সাৰ্থক শব্দ চয়নে এনেবোৰ কাব্যৰূপকো ৰসোত্তীৰ্ণ পৰ্যায়লৈ নিব পাৰে।

*ভ্ৰাম্যভাষঃ ৮৬৩৮৯ ১৩৯১০*

১ পৃষ্ঠাৰ পৰা

## বিগত সময়চোৱাৰ কেতবোৰ.....

লোকসংস্কৃতি সংৰক্ষণ আৰু প্ৰসাৰৰ যোগেদি ঐতিহ্য আৰু পৰম্পৰা ধৰি ৰখা বৰেণ্য শিল্পী ভূৱন চন্দ্ৰ ৰায়ক এই বৰ্ষৰ "বকুলবন বঁটা" প্ৰদান কৰে বকুলবন ন্যাস অসমে।

**ড০ নগেন শইকীয়ালৈ সাহিত্য অকাডেমিৰ ফেল'**

"মিত ভাষ"ৰ স্ৰষ্টা ড০ নগেন শইকীয়ালৈ আগবঢ়োৱা হৈছে সাহিত্য অকাডেমিৰ ফেল'। প্ৰণিধানযোগ্য যে 'মিত ভাষ' নামৰ এক শ্ৰেণীৰ নতুন ৰচনাশৈলীৰে অসমীয়া সাহিত্যক এক নতুনত্ব প্ৰদান কৰিছে। ড০ শইকীয়া অসম সাহিত্য সভাৰো সভাপতি আছিল।

**ইদ্ৰিছ আলিলৈ পাৰ্বতি প্ৰসাদ বৰুৱা বঁটা**

৬ ফেব্ৰুৱাৰীত শ্ৰীমন্ত কলাক্ষেত্ৰৰ শ্ৰীমন্ত মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে বিশিষ্ট কবি, গীতিকাৰ, অধ্যাপক ইদ্ৰিছ আলীক ২০১৮ বৰ্ষৰ গীতিকবি পাৰ্বতি প্ৰসাদ বৰুৱা বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰে। এই বঁটাত আছে এখন প্ৰশস্তি পত্ৰ, এখন শৰাই, অংগ বস্ত্ৰ আৰু ২ লাখ টকাৰ চেক।

**ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকছত ছাইদুলৰ স্বৰ্ণ**

মৰিগাঁও জিলাৰ লাহৰীঘাটৰ অমৰাগুৰিৰ ছাইদুল ইছলামে ৪০ সংখ্যক ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকছত স্বৰ্ণপদক দখল কৰি জিলাখনলৈ সুনাম কঢ়িয়াই আনিছে। পেছাত শিক্ষক ৩৯ বছৰীয়া ছাইদুলে ৫-১০ ফেব্ৰুৱাৰীলৈ অন্ধ্ৰপ্ৰদেশৰ গুণ্টুৰত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ ৫ কিঃ মিঃ খোজকঢ়াৰ শ্ৰেষ্ঠত্ব অৰ্জন কৰে।

**দুলীয়াজানৰ ৰীতা বৰুৱালৈ "কাব্য হৃদয়' বঁটা**

সদৌ অসম কবি সন্মিলনৰ অন্তৰ্গত ডিব্ৰুগড় জিলা কবি সন্মিলনে দুলীয়াজানৰ এগৰাকী বিশিষ্ট কবি ৰীতা বৰুৱাক 'কাব্য হৃদয়' বঁটাৰে সন্মানিত কৰে।

**হায়াত হস্পিটেললৈ উৎকৃষ্টতাৰ বঁটা**

ৰাজ্যৰ বিভিন্ন বেচৰকাৰী চিকিৎসালয়ৰ মাজত অনুষ্ঠিত এক প্ৰতিযোগিতাত মহানগৰীৰ হায়াত হস্পিটেলে জটিল ৰোগৰ চিকিৎসাত বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰাৰ বাবে "Critical Care Excellent" বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। ব্যক্তিগত খণ্ডৰ নিউজচেনেল "News-18"প্ৰথমবাৰৰ বাবে আয়োজন কৰা এই প্ৰতিযোগিতাত লাভ কৰা পুৰস্কাৰ যোৱা ৯ ফেব্ৰুৱাৰীত স্বাস্থ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰদান কৰে। স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী পীযুস হাজৰিকাও উপস্থিত থকা অনুষ্ঠানত স্বাস্থ্যমন্ত্ৰী ড০ শৰ্মাই হায়াত হস্পিটেলে জটিল ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰি অহা পাৰদৰ্শিতাৰ শলাগ লয়।

**ৰীমা দাস "বুলবুল কেন ছিং" লৈ জুৰীৰ স্পিচিয়েল মেনশ্যন বঁটা**

ৰাজ্যৰ নৱ প্ৰজন্মৰ প্ৰতিভাৱান ছবি পৰিচালক ৰীমা দাসৰ ভিলেজ ৰকষ্টাৰ্ছে বিশ্বজুৰি খলকনি তোলাৰ পাছত এইবাৰ তেওঁৰ "বুলবুল কেন ছিং" ছবিখনেও আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সন্মান বুটলিবলৈ সক্ষম হৈছে। বাৰ্লিন আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱত অংশগ্ৰহণ কৰা ৰীমা দাসৰ ছবিখনে জুৰীৰ "Special Mention" বঁটা লাভ কৰিছে। ছিংগাপুৰত ছবিখনৰ শিশু শিল্পী মনোৰঞ্জন দাসে শ্ৰেষ্ঠ পাৰদৰ্শিতাৰ বঁটা লাভ কৰিছিল।

**যামিনী শইকীয়ালৈ গৱেষণা ৰত্ন সন্মান**

তিনিচুকীয়াৰ গেলাপুখুৰীস্থিত টেঙা গৱেষণা কেন্দ্ৰৰ সহযোগী গৱেষক যামিনী শইকীয়ালৈ ২০১৯ বৰ্ষৰ গৱেষণা ৰত্ন সন্মানৰ বাবে নিৰ্বাচিত কৰা হৈছে। তামিলনাডুৰ 'ৰুলী' নামৰ এটা সংস্থাই এই সন্মান ২৬ ফেব্ৰুৱাৰীত প্ৰদান কৰে।

**শান্তনু নন্দন শৰ্মালৈ ২০১৯ বৰ্ষৰ পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা**

'The Economic Times' ৰ জ্যেষ্ঠ সাংবাদিক শান্তনু নন্দন শৰ্মালৈ আগবঢ়োৱা হৈছে ২০১৯ বৰ্ষৰ পৰাগ কুমাৰ দাস সাংবাদিকতা বঁটা।

**২০১৯ বৰ্ষৰ ৰাজ্যিক বিজ্ঞান বঁটা প্ৰদান**

৬ মাৰ্চত খানাপাৰাস্থিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস ২০১৯ উপলক্ষে আয়োজিত ৰাজ্যিক পৰ্য্যায়ৰ অনুষ্ঠান মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বায়ুমণ্ডলীয় বিজ্ঞানী অধ্যাপক ড০ ভূপেন্দ্ৰ নাথ গোস্বামীক ৰাজ্যিক বিজ্ঞান বঁটাৰ অধীনত 'জীৱনজোৰা সাধনা বঁটা', তেজপুৰ বিশ্ববিদ্যালয়ৰ ইলেকট্ৰিকেল ইঞ্জিনিয়াৰিং বিভাগৰ সহকাৰী অধ্যাপক ড০ মনাশিতা বৰাক "যুৱ বিজ্ঞানী বঁটা" আৰু বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ বাবে গ্ৰহণ কৰা ভূমিকাৰ বাবে যোৰহাটস্থিত উত্তৰ-পূৱ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উৎকৰ্ষকৰণৰ শ্ৰেষ্ঠ অনুষ্ঠান বঁটা প্ৰদান কৰে।

**অসমৰ বাবে আন এক সুখবৰ ঃ আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ প্ৰতিযোগিতাত উজ্বলিব দিগৰ**

ক্ৰীড়া, চলচিত্ৰ জগতত অসমৰ নাম উজ্বলি উঠাৰ সময়তে অলিম্পিয়াডৰ দৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অসমৰ ছাত্ৰই সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। সপ্তম শ্ৰেণীত অধ্যয়নৰত দিগৰ ভৌমিক নামৰ ছাত্ৰজনে বিজ্ঞান অলিম্পিয়াদ ফাউণ্ডেশ্যনে আয়োজন কৰা চাইবাৰ অলিম্পিয়াডত প্ৰথমস্থান দখল কৰিছে। প্ৰতিবছৰে আয়োজন কৰা এই প্ৰতিযোগিতামূলক পৰীক্ষাত বিজ্ঞান, গণিত আৰু চাইবাৰ বা প্ৰযুক্তি জগতৰ সৈতে জড়িত বিষয় থাকে। দিগৰে উক্ত পৰীক্ষাত মুঠ ৬০ নম্বৰৰ ভিতৰত ৫৬ নম্বৰ লাভ কৰি প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হয়।

**ৰাষ্ট্ৰীয় খবৰ**

**ভাৰতৰ অন্যতম শিশু বিজ্ঞানী ৰূপে পুৰস্কৃতঃ তেজপুৰৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰলৈ নাছাৰ স্বীকৃতি**

তেজপুৰৰ ষষ্ঠ শ্ৰেণীৰ এটি শিশুৱে এতিয়া মহাকাশ গৱেষণা সংস্থা নাছাৰ বিজ্ঞানীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। তেজপুৰৰ শিশু বিজ্ঞানী সম্পূৰ্ণম সৰকাৰে 'এনচিলেদাচ' শীৰ্ষক এক ৰচনা প্ৰেৰণ কৰিছিল নাছাৰ এটা ৱেবচাইটলৈ। কাৰো সহায় নোলোৱাকৈ এই বিস্ময় বালকে ৱেবচাইট আৰু বিভিন্ন বিজ্ঞানভিত্তিক আলোচনা তথা গৱেষণাৰ বিষয়ে অধ্যয়ন কৰি ৰচনা কৰা এনচিলেদাছ শীৰ্ষক গৱেষণাধৰ্মী ৰচনাত শণি গ্ৰহৰ আটাইতকৈ উজ্জ্বল আৰু বৃহৎ বৰফাবৃত্ত উপগ্ৰহ এনচিলেদাছত ভৱিষ্যতে জীৱন অস্তিত্বৰ সন্ধান ওলাব পাৰে বুলি মন্তব্য কৰিছে কণমানি শিশুটিয়ে। নাছাৰ ৰেডিঅ'ষ্টপ পাৱাৰ ষ্টিটেন প্ৰগ্ৰেমৰ মেনেজাৰ জন হেমলে স্বাক্ষৰিত প্ৰমাণ পত্ৰত এইগৰাকী শিশু বিজ্ঞানীক ভূয়সী প্ৰশংসা কৰাৰ লগতে "নাছাৰ অনাগত দিনৰ আৱিস্কাৰৰ অবিৰত যাত্ৰাত সহযোগিতা আগবঢ়োৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছো" বুলি উল্লেখ কৰে।

**৪৭ জনক পদ্ম বঁটা প্ৰদান**

মালায়ালম অভিনেতা মোহনলাল, প্ৰাক্তন বৈদেশিক সচিব এছ জয়শংকৰ, আকালি দলৰ নেতা সুখদেৱ সিং বিন্দছা আৰু প্ৰখ্যাত সাংবাদিক কুলদীপ নায়াৰ (মৰণোত্তৰভাৱে)কে ধৰি ৪৭ জন বিখ্যাত ব্যক্তিক ১২ মাৰ্চত ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে পদ্মবঁটা প্ৰদান কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অন্যান্যসকল উপস্থিত থকা এই অনুষ্ঠান ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত হয়, য'ত বিহাৰৰ নেতা হুকুমদেৱ নাৰায়ণ যাদৱ (পদ্মভূষণ), চিছফ'ছিষ্টেমৰ প্ৰাক্তন চি ই অ জন চেম্বাৰ্ছ (পদ্মভূষণ), অভিনেতা প্ৰভু দেৱাকো (পদ্মশ্ৰী) সন্মানিত কৰা হয়। গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে চলিত বৰ্ষত ১১২ জন ব্যক্তিক পদ্ম বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছিল। ২০১৯ চনত পদ্ম বঁটাৰ বাবে অভিলেখ পৰিমাণৰ ৫০,০০০ লোকৰ নাম মনোনীত কৰা হৈছিল।

**মোদী চৰকাৰৰ ২০১৯-২০ বৰ্ষৰ বাজেট**

কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী চৰকাৰে ১ ফেব্ৰুৱাৰীত নিজৰ কাৰ্যকালৰ অন্তিমখন বাজেট লোকসভাত দাখিল কৰে। সকলো শ্ৰেণীৰ লোকলৈ সকাহ দি ৰে'লৱেৰ বাবে ১.৫৮ লাখ কোটি, পৰ্যটন খণ্ডৰ বাবে ২০৭.৮৯ কোটি, এম জি এনৰেগা বাবে ৬০০০ কোটি, গ্ৰামাঞ্চলৰ পথ নিৰ্মাণৰ বাবে ১৯ হাজাৰ কোটি, মহিলা সৱলীকৰণৰ বাবে ১৩৩০ কোটি, ক্ৰীড়াৰ বাবে ২২১৬.৯২ কোটি, স্বাস্থ্য খণ্ডত ৬১,৩৯৮ কোটি, গৰুৰ কল্যাণৰ বাবে 'কামধেনু আঁচনি' আৰম্ভ কৰাৰ প্ৰস্তাৱ কৰিছে বাজেটত। বাজেট দাখিল কৰি বিত্তমন্ত্ৰীয়ে কয় যে এই বাজেটখন দেশৰ বিকাশৰ মাধ্যম হ'ব। তেওঁ কয় যে অহা ৮ বছৰৰ ভিতৰত দেশৰ অৰ্থনীতি ১০ ত্ৰিলিয়ন ডলাৰ হ'বগৈ।

**ভাৰতৰ ১০২ বৰ্ষীয় আইতাৰ স্বৰ্ণপদক**

স্পেইনৰ মালাগাত অনুষ্ঠিত বিশ্ব মাষ্টাৰ্ছ এথলেটিকছ চেম্পিয়নত স্বৰ্ণ পদক জয় কৰিছে ভাৰতীয় ১০২ বছৰীয়া আইতা মন কৌৰে। পঞ্জাৱৰ হাৰিয়ানাৰ এই শতায়ু গৰকা এথলীট গৰাকীয়ে ১০০-১০৪ বছৰৰ গ্ৰুপত ২০০ মিটাৰ দৌৰত স্বৰ্ণপদক জয় কৰে। ৯৩ বছৰ বয়সৰ কেৰিয়াৰ আৰম্ভ কৰা কৌৰক উৎসাহিত কৰি আহিছে তেওঁৰ ৭৮ বছৰীয়া পুত্ৰ গুৰুদেৱে। যোৱা বছৰ নিউজিলেণ্ডৰ অকলেণ্ডত অনুষ্ঠিত বিশ্ব মাষ্টাৰ্ছ গেমছত মন কৌৰে ১০০ মিটাৰ দৌৰত স্বৰ্ণ পদক জয় কৰিছিল।

**দ্ৰুতগতিত হ্ৰাস পাইছে ভাৰতৰ দৰিদ্ৰৰ সংখ্যা**

ব্যাপক হাৰত দৰিদ্ৰ নিৰ্মূলত ভাৰত এতিয়া বিশ্বৰ আন দেশবোৰতকৈ যথেষ্ট আগত আছে। World Data Labৰ তথ্য অনুসৰি বিগত কেইবছৰত ভাৰতত যথেষ্ট দ্ৰুতগতিত দৰিদ্ৰ লোকৰ সংখ্যা হ্ৰাস পাইছে। ডাটা লেবৰ এখন প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি ২০১১ চনত ভাৰতত মুঠ দৰিদ্ৰ লোকৰ সংখ্যা আছিল ২৬.৮ কোটি। বৰ্তমান ইয়াৰ সংখ্যা ৫ কোটি।

**ভাৰতৰ কূটনৈতিক জয়**

পুলৱামাত ১৪ ফেব্ৰুৱাৰীত সন্ত্ৰাসবাদীয়ে চি আৰ পি এফৰ কনভয়ত আত্মঘাতী আক্ৰমণ কৰি ৪০ জন জোৱানক হত্যা কৰাৰ পিছত পাকিস্তানক কূটনৈতিকভাৱে একাষৰীয়া কৰিবলৈ ভাৰতে চলোৱা প্ৰচেষ্টাই সফলতা লাভ কৰা দেখা গৈছে। এই আক্ৰমণটোত জড়িত কুখ্যাত সন্ত্ৰাসবাদী সংগঠন জৈছ-ই-মহম্মদৰ মুৰব্বী আজহাৰক ব্লেক লিষ্টেড কৰিবলৈ ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ফ্ৰান্স, আমেৰিকা আৰু ব্ৰিটেইনে এটা প্ৰস্তাৱ উত্থাপন কৰিছে। উল্লেখযোগ্য যে এই দেশকেইখনে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত ভাৰতক সমৰ্থন জনাইছে। দেশকেইখনে মাছুদ আজহাৰক ব্লেক লিষ্টেড কৰি বিদেশত ভ্ৰমণ কৰাত নিষেধাজ্ঞা আৰোপ আৰু সন্ত্ৰাসবাদীটো সা-সম্পত্তি বাজেয়াপ্ত কৰিবলৈ ১৫ জনীয়া নিৰাপত্তা পৰিষদক দাবী জনাইছে। ই ভাৰতৰ বাবে এটা কূটনৈতিক জয়।

**নতুন ভোটাৰে নিৰ্ণয় কৰিব দেশৰ ২৮২টা সমষ্টিৰ প্ৰাৰ্থীৰ ভাগ্য**

নিৰ্বাচন আয়োগৰ তথ্য বিশ্লেষণ অনুযায়ী লোকসভাৰ নিৰ্বাচনত এইবাৰ দেশৰ মুঠ ২৮২ টা সমষ্টিত নতুন অৰ্থাৎ যুৱ ভোটাৰে নিৰ্ণায়ক ভূমিকা পালন কৰিব। ১৯৯৭-২০০১ সমছোৱাত জন্মগ্ৰহণ কৰা এই ভোটাৰ সকলে যোৱাবাৰৰ সাধাৰণ নিৰ্বাচনত ভোটাধিকাৰ পোৱা নাছিল। প্ৰতিটো লোকসভা সমষ্টিত গড় হিচাপত নতুন ভোটাৰৰ সংখ্যা প্ৰায় ১.৪৯ লাখ হ'ব। উল্লেখযোগ্য যে এইবাৰৰ লোকসভা নিৰ্বাচনত সমগ্ৰ দেশত নতুন ভোটাৰৰ সংখ্যা প্ৰায় ৮.১ কোটি।

**আন্তঃৰাষ্ট্ৰীয় খবৰ**

**প্ৰখ্যাত জলবায়ু বিজ্ঞানী স্মিথ ব্ৰকাৰৰ মৃত্যু**

বিশ্বত গ্লবেল ৱাৰ্মিং শব্দক প্ৰচলিত কৰা প্ৰখ্যাত জলবায়ু বিজ্ঞানী ৱালেছ স্মিথ ব্ৰকাৰৰ ১৮ ফেব্ৰুৱাৰীত মৃত্যু হয়। তেওঁৰ ৮৭ বছৰ হৈছিল। ব্ৰকাৰে ১৯৭৫ চনত এখন গৱেষণা পত্ৰৰ প্ৰথমবাৰৰ বাবে গ্লবেল ৱাৰ্মিং শব্দ ব্যৱহাৰ কৰিছিল। তেওঁ ইয়াত এইবুলি ভৱিষ্যৎবাণী কৰিছিল যে বায়ুমণ্ডলত $CO_2$ নিৰ্গমৰ বৃদ্ধি পালে গ্লবেল ৱাৰ্মিং বৃদ্ধি পাব। তেওঁৰ এই ভৱিষ্যদবাণী পাছত সঠিক বুলি প্ৰমাণিত হৈছিল। তেওঁ সমুদ্ৰৰ ধাৰাৰ প্ৰণালী মহাসাগৰ কনভেয়ৰ বেল্ট চিনাক্ত কৰা প্ৰথমজন বিজ্ঞানী আছিল।

**আই চি চিৰ বাৰ্ষিক বঁটাৰ তালিকাত উজ্বলিল কোহলী**

আই চি চিয়ে ২২ জানুৱাৰীত ২০১৮-১৯ বৰ্ষৰ বাৰ্ষিক বঁটা ঘোষণা কৰিছে। ভাৰতীয় দলৰ অধিনায়ক বিৰাট কোহলীয়ে বিশ্বৰ প্ৰথমগৰাকী ক্ৰিকেটাৰ হিচাপে আই চি চিৰ ব্যক্তিগত শাখাৰ শীৰ্ষৰ তিনিওটা বঁটা দখল কৰাৰ লগতে আই চি চিৰ টেষ্ট আৰু এদিনীয়াৰ দল দুটাৰো অধিনায়ক নিৰ্বাচিত হৈছে। কোহলীয়ে পুৰুষ শাখাৰ সৰ্বশ্ৰেষ্ঠ খেলুৱৈৰ ছাৰ গাৰফিল্ড চোৱাৰ্ছ বঁটা লাভৰ লগতে টেষ্ট আৰু এদিনীয়াৰো শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয়।

**শততম খিতাপ জয় ফেডেৰাৰৰ**

ছুইছ তাৰকা ৰ'জাৰ ফেডেৰাৰে টেনিছ বিশ্বত আন এক অধ্যায়ৰ সূচনা কৰিছে। ষ্টিফানোছ টিটছিপাছক ডুবাই ডিউটী ফ্ৰী টেনিছ চেম্পিয়নশ্বিপৰ ফাইনেলত হৰুৱাই ফেডেৰাৰে কেৰিয়াৰৰ ১০০ সংখ্যক খিতাপ জয়ৰ কৃতিত্ব আৰ্জে। গ্ৰীচৰ ২০ বছৰীয়া ষ্টিফালোছক ৬-৪, ৬-৪ ব্যৱধানত হৰুৱাই ফেডেৰাৰে শততম খিতাপ জিকা দ্বিতীয়গৰাকী খেলুৱৈত পৰিণত হয়। ছুইছ তাৰকাগৰাকীৰ আগেয়ে সেই কৃতিত্ব আৰ্জিছিল জিমী কৰ্নছে। যিয়ে ১০৯ টা খিতাপেৰে অভিলেখ গঢ়ি থৈ গৈছে।

**বিশ্বৰ সবাতোকৈ চহকী মহিলা মেয়াৰ্ছ**

বিশ্বৰ আগশাৰীৰ কোম্পানী ল'ৰিয়েলৰ উত্তৰাধিকাৰী বেট্টেনক'ৰ্ট মেয়াৰ্ছ বিশ্বৰ সবাতোকৈ চহকী মহিলা হিচাপে স্বীকৃত হয়। যোৱা বছৰ মেয়াৰ্ছৰ মাতৃ বিয়োগ ঘটাৰ পাছত তেওঁৰ সম্পত্তিৰ পৰিমাণ প্ৰায় ৫০ হাজাৰ কোটি টকা বৃদ্ধি পাইছিল। এই তালিকাত পূৰ্বে শীৰ্ষস্থান দখল কৰি থকা এলিছ ৱাল্টনক দ্বিতীয় স্থানলৈ অৱনমিত কৰি মেয়াৰ্ছে প্ৰায় ৩.৫ লাখ কোটি টকাৰে এই স্থান দখল কৰে।

**আই চি চি ক্ৰিকেট কমিটীৰ অধ্যক্ষ পদত পুনৰ অনিল কুম্বলে**

ভাৰতৰ প্ৰাক্তন লেগ স্পীনাৰ অনিল কুম্বলে পুনৰবাৰ আই চি চিৰ ক্ৰিকেট সমিতিৰ অধ্যক্ষ পদত অধিষ্ঠিত হৈছে। কুম্বলেই অনাগত তিনিবছৰৰ বাবে এই দায়িত্বত থাকিব। ২০১২ চনত আই চি চিৰ ক্ৰিকেট সমিতিৰ সদস্য পদত অধিষ্ঠিত হোৱাৰ পাছত ২০১৩ চনত উক্ত সমিতিৰ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছিল।

# মাদাম কোৱাত . . .

৯ পৃষ্ঠাৰ পৰা

কেইদিনমানৰ পাছত। চায়গনৰ পৰা বিশ মাইল দূৰ। তেৰ নম্বৰ ৰাষ্ট্ৰীয় পথেদি গাড়ীত মই আৰু মাদাম কোৱাত। কোৱাতে মুখ খুলিলে। এই যে ৰাষ্টাৰ দুয়োকাষৰ গাঁওবোৰ, দিনৰ বেলা কি নিৰিবিলি। কিন্তু ৰাতি ইয়াতেই ভিয়েতকং গেৰিলাই আত্মপ্ৰকাশ কৰে। এই ৰাষ্টাত বতাহত গছপাত এটা লৰিলেই ইয়াংকি সেনাই ৰাউণ্ডৰ পাছত ৰাউণ্ড গুলি চলাই। ভিয়েতকং ভূতৰ ভয়ত সুদৃঢ় এমবোচ নোহোৱাকৈ সামৰিক গাড়ীও অহা যোৱা নকৰে।

গাড়ী ৰখাই বাটৰ কাষৰ এখন গাঁৱলীয়া হোটেলত একাপ চাহ খাই পুনৰ যাত্ৰা আৰম্ভ হ'ল। দূৰলৈ আঙুলিয়াই মাদাম কোৱাতে ক'লে- আমি সৌ নদীখনৰ পাৰলৈ যাম। অপূৰ্ব জেগা। তাতেই দুয়ো গা ধুম। আপুনি হেনো প্ৰেছৰ কামত ৭ সপ্তাহৰ বাবে ইন্দোনেচিয়ালৈ যাব। বহুত দিন লগ নাপাম। অলপ স্ফুতি কৰা যাওঁক। হঠাত চলচলীয়া চকুৰে কলে- 'মোৰ স্বামী আমেৰিকান আৰ্মিৰ এজন বিশ্বাসী আৰু সাহসী কেপ্তেইন আছিল। ভিয়েতকঙে এই নদীৰ পাৰতেই তেওঁক হত্যা কৰিছিল। এয়েই সেই চায়গন নদী। কৈ কৈ মাদাম কোৱাত গাড়ীৰ পৰা নামিল। বীয়েৰ ভৰা এটা বাস্কেট। হাতত স্নানৰ কাপোৰ কানি। অদূৰত ৰিণি ৰিণি দুখনমান টুলুঙা নাওঁ।

- "জেগা কেনেকুৱা"? মাদাম কোৱাতে শুধিলে।

- অতি সুন্দৰ, প্ৰেম কৰিবৰ বাবে উপযুক্ত ঠাই।

খিলখিলাই হাঁহি চুইমিং কষ্টিউম পিন্ধি মাডাম কোৱাত গড়াইদি নামি পানী যুৰলি পালেগৈ। দুয়ো পাৰৰ ওখ ওখ পাহাৰত প্ৰতিধ্বনিত হ'ল হাঁহিৰ খিলখিলনি। পানীৰ মাজত সোঁতৰ বিপৰীতে মাডাম কোৱাতে সাঁতুৰিছে। স্ৰোতস্বিণী নদীৰ কোৱাল ঢৌৰ সতে খেলি খেলি কোৱাত নদীৰ মাজ পালেগৈ। কি সাংঘাতিক। এই কেইদিন ৰহস্যময়ী ছোৱালীজনীৰ কথা ভাবি-ভাবি ওৰহি গছৰ ওৰ পোৱা নাই। ভাবি থাকোতেই কেতিয়ানো আহি গাড়ীৰ ওচৰ পালেহি গমেই নাপালো।

"ইমান নিজান ঠাই। আপুনি আৰু মই। আপুনি কিন্তু ৰেডিঅ'ত লিনপিয়াও শুনাতহে ব্যস্ত।" খোচা মৰা কথাত মোৰ যেন পৌৰুষত্বত আঘাট লাগিল। ইতিমধ্যে কোৱাতে চুইমিং কষ্টিউম সলাই নিম্নাংশত এখন চাদৰ মেৰিয়াই লৈছে। বুকুত এখন পাতল কাপোৰ। তৰুনী গাভৰুৰ এনে অসংযত মুক্ত বৈভৱ মই কাহানিও দেখা নাই। এষাৰী আপ্তবাক্য মনত পৰিল- "তিৰোতা চিনিবা স্নানত, বলধ চিনিবা কান্ধত।" এক অনিবাৰ্য্য উত্তেজনা আৰু তাড়নাত নিজকে হেৰুৱাই পেলালো। এনে সুযোগ দুবাৰ নাহে। মই কাণ্ডজ্ঞানহীন হৈ নিজকে হেৰুৱাই পেলালো। যুক্তিৰ ওচৰত হাৰ মানিলো। মাডাম কোৱাত তলমুৰকৈ শুই একপেগ হুইস্কি শেষ কৰি আৰু এগিলাচ হাতত তুলি লৈছে। অপূৰ্ব সুযোগ। কেইবা দিনৰ কৌতুহল আজি দূৰ কৰিবই লাগিব। শৰীৰৰ নিম্নাংশৰ নিতম্ব সংযুক্ত উৰুদ্বয়ত যেতিয়া মোৰ চকু পৰিল- উত্তেজনাত সবশৰীৰ কপিবলৈ ধৰিলে। এটা ট টকৈ জিলিকি থকা ডাঙৰ দাগ, অষ্ট্ৰোপচাৰৰ দাগ। হঠাত যেন মাডাম কোৱাতৰ স্বপ্ন ভঙ্গ হ'ল। মই যেন মেডাম কোৱাতৰ শৰীৰৰ নিম্নাংশৰ এক বিশেষ অঞ্চলত তালাচী চলাইছো- মাডামে যদি বুজি পাইছে।? ডাঃ থিনৰ কাহিনী, থিনৰ আকস্মিক মৃত্যু, স্বচক্ষে দেখা কোৱাতৰ নিম্নাংশৰ অষ্ট্ৰোপচাৰৰ দাগ দেখি মাডাম কোৱাত আৰু ৰহস্যময়ী হৈ পৰিল।

.......

মাডাম কোৱাতৰ কেইবামহলীয়া অট্টালিকা, অপূৰ্ব্ব সৌধ, আমেৰিকান চিকিউৰিটি অফিচাৰ মিঃ ৰিচাৰ্ডলীৰ সতে কথা পাতি পাতি সৌৰিন সেন মাডাম কোৱাতৰ চৌহদত প্ৰৱেশ কৰিলে। এনে সময়তে ডিভিজনেল ৰেঞ্জাৰ কৰ্ণেল নুডিন হাউ সোমাই আহিল। মাডাম কোৱাতে হাৰ্টৰ লগত আলোচনাৰ মাজতে মৰমৰ এলচেচিয়ানটোৰ অসুখৰ কথা ক'লে। অসুখ আজি তিনি দিন হ'ল। খোৱা-লোৱা নাই। কথাৰ মাজতে এক ৰাউণ্ড হুইস্কী পৰিৱশেন কৰি পাচফালৰ বাৰান্দাইদি নেলত প্ৰৱেশ কৰিলে।

- "জেনেৰেল নুদিন বিন ডিন এতিয়াই মাডামৰ ঘৰলৈ আহিব। এই কথা অলপ আগতে ফোন যোগে মোক জনাইছিল।"- লীয়ে ক'লে। কথা শেষ হৈছেহে। জেনেৰেল ডিনৰ গাড়ী কোৱাতৰ পদুলিৰ গেটেদি সোমাই আহিল। হঠাৎ এটা ঘটনা ঘটিল। জেনেৰেল ডিন গাড়ীৰ পৰা নামিছেহে, ক্ৰিকেট বলৰ দৰে তীব্ৰ গতিত কোৱাতৰ এলচেচিয়ানটো তেওঁৰ গাত জপিয়াই পৰিল। অতৰ্কিত আক্ৰমণত জেনেৰেল ডিনৰ দেহ কুকুৰটোৱে টুকুৰা টুকুৰ কৰি পেলালে। মাডাম কোৱাত দৌৰি আহি পোৱাৰ আগতেই সকলো শেষ। ডিঙি কটা মুৰ্গীৰ দৰে চটফটাই চটফটাই ডিনৰ মৃত্যু হ'ল। মাডাম কোৱাত যেন প্ৰাণহীন। খণ্ডত একো নাই হৈ কোৱাতে স্বয়ংক্ৰীয় ৰিভলভাৰ এটা ড্ৰয়াৰৰ পৰা টান মাৰি এলচেচিয়ানটোক খেদি গ'ল।

- "নাযাব কোৱাত, নাযাব, সি আপোনাকো মাৰি পেলাব"- ৰিচাৰ্ডলীয়ে চিঞৰি চিঞৰি বাধা দিলে। লীৰ চিঞৰ বাখৰৰ মাজতে উপৰ্য্যপৰি দুটা গুলিৰ শব্দ শুনা গ'ল। শেষত ভাগৰি পৰা মাডাম কোৱাতক কৰ্নেল হাৰ্টে সমবেদনা জনালে- "অহা মাহত জেনেৰেলৰ সতে আপোনাৰ বিয়াৰ দিন ঠিক হৈছিল, কি কৰিব, ভাগ্যৰ লিখন। ভগৱানে হ'ব নিদিলে।" ইনাই বিনাই মাডাম কোৱাতে কান্দিছিল। কান্দি কান্দি অস্থিৰ হৈছিল।

কৰ্ণেল হাৰ্ট আৰু ৰিচাৰ্ডলী গ'লগৈ। মাডাম কোৱাত যেন অস্থিৰ। উপনিৱেশবাদৰ বিৰুদ্ধে এচিয়াৰ য'তেই মুক্তিকামী জনতাই হাতত অস্ত্ৰ লৈ জেহাদ ঘোষণা কৰিছে তাতেই মই উপস্থিত হৈছো। ভিয়তনামে মোৰ সাংবাদিক জীৱনৰ এক নতুন চেতনা দিলে। মোৰ চকু দুটাই যেন একো বিশ্বাস কৰিব পৰা নাই। কি দেখিছো এইবোৰ।... চকুত পৰিল দামী কাৰ্পেটৰ ওপৰত এখন ৰুমাল। পৰিস্কাৰ আখৰেৰে লিখা আছে- এন বি ডি অৰ্থাৎ নুৱেল বিন ডিণ। ৰুমালখন মাডামৰ হাতত তুলি দি সম্ভাব্য বিপদৰ কথা কলো। কিন্তু কোনো পধ্যে ৰুমালখন নষ্ট কৰিবলৈ মাডাম সন্মত নহ'ল। মই অধিক আগ্ৰহেৰে মাডাম কোৱাতৰ বিস্ফুৰিত চকু দুটালৈ লক্ষ্য কৰি কলো- মই আপোনাক চিনি পাইছো, আপুনি মোক বিশ্বাসত ল'ব পাৰে।

- কেতিয়াবাই লৈছো, দুয়োটা চকুত সৌহাদ্যৰ চিন।

- জেনেৰেলক এলচেচিয়ানটোৱে কিয় বধ কৰিলে?

- মোৰ নিৰ্দেশতেই হত্যা কৰিলে। জেনেৰেল সোমাই আহোঁতেই এই ৰুমালখন শুঙিবলৈ দি তেওঁক চাৰ্জ কৰিবলৈ তাক ইঙ্গিত দিছিলো। চেনেহৰ ভিয়েতনামৰ মুক্তিৰ বাবে জেনেৰেল নুবেন বিন ডিনৰ লগত প্ৰেমৰ খেলা খেলিছিলো। প্ৰেমৰ চলেৰে গুৰুত্বপূৰ্ণ নথিপত্ৰ হাত কৰি ভিয়েতকং গেৰিলাৰ মাজত বিলাই দিছিলো। এলচেচিয়ানটোক তিনিদিন অনাহাৰে ৰাখি উত্তেজিত কৰি ৰাখিছিলো। জেনেৰেল ডিনে গোপন সুত্ৰ অনুসৰি মোৰ লগত আজিয়েই মোকাবিলা কৰিবলৈ আহিছিল। সিদ্ধান্ত লোৱাত অলপমান দেৰি হোৱা হ'লে মই নিৰ্ঘাট মৃত্যুৰ পৰা বাচিবলৈ টান হ'লহেতেন। জানে- ডাঃ থিনক মোৰ নিৰ্দ্দেশতেই হত্যা কৰা হৈছিল। চায়গন নদীৰ বালিচৰত মোৰ নিতম্বৰ অষ্ট্ৰোপচাৰ আৰু গুলিৰ দাগ মই নিজ ইচ্ছাতে আপোনাক দৰ্শনৰ সুবিধা দিছিলো। ইতিমধ্যে পেণ্টাগনৰ সামৰিক নথিত মই ৰহস্যময়ী নাৰী হিচাবে চিহ্নিত হৈছো। সামৰিক আদালতত মোৰ বিচাৰ হ'ব। মোৰ মৃত্যুদণ্ড অৱশ্যম্ভাৱী। অহা চৌবিশ ঘণ্টা মোৰ বাবে গভীৰ উৎকণ্ঠাৰ সময়। মোৰ বাবে লক্ষ্য লক্ষ্য সৰ্ব্বহাৰা ভিয়েতনামী নৰ-নাৰীয়ে বাট চাই আছে। মই আৰু এক মুহূৰ্তও চায়গনৰ অট্টালিকাত সুখেৰে থাকিব নোৱাৰো। বিদায় বন্ধু, বিদায়-

ভিয়েতনামীজ ব্যুৰ' অৱ ইনভেষ্টিগেচনৰ স্পেচিয়েল অফিচাৰ মেজৰ কিম ভান মিনৰ কাৰ্য্যালয়ৰ পৰা ফোন আহিল। নিখুট ইংৰাজী উচ্চাৰণ। - "মিঃ সেন, গাড়ী পঠিয়াই দিছো, সোনকালে আহক। প্ৰেচ ব্যুৰোত বিচাৰিছিলো। নাপাই হোটেলতেই খবৰ কৰিলো। বেয়া নাপাব। মেজৰৰ কাৰ্য্যালয়ত সোমায়েই প্ৰায় ছল্লিচ বছৰীয়া এজন লোকক দেখা পালো, শীৰ্ণকায় চেহেৰা, নেমপ্লেট দেখিয়েই চিনি পাইছিলো, তেৱেঁই কিম ভান মিন, প্ৰেচ কাৰ্ড, পাচপৰ্ট আদি দাখিল কৰা হ'ল।

- চায়গনত থকা কিমান দিন হ'ল?

- আঠ মাহ।

- ইয়াৰ আগতে কোন কোন ঠাইলৈ গৈছে?

- কোৰিয়া, কঙ্গো, লিয়পোল্ডভিল আৰু মেনিলা।

- চায়গন প্ৰেচৰ সৈতে আপোনাৰ পৰিচয়?

- প্ৰেচ ব্যুৰোৰ অনেকেই মোৰ বন্ধু।

হঠাৎ টেবুলৰ ফাইলৰ পৰা এটা খাম উলিয়াই এখন ফটো মোৰ আগত ডাঙি ধৰিলে- "ভালকৈ চাওক, চিনি পাইছেনে?" ফটোখন দেখিয়েই মোৰ বুকুৰ মাজেদি যোৱা এক তৰিৎ প্ৰবাহে যেন কঁপাই তুলিলে- "চিনি পাওঁ, মাডাম কোৱাত।"

- মিলা-মিছা কেতিয়াৰ পৰা?

- ভালেমান দিনৰ আগৰ পৰা। আমেৰিকান এচচিয়েটে'ছ প্ৰেচৰ এচিয়াস্থ যুদ্ধ সাংবাদিকৰ দায়িত্ব গ্ৰহণ কৰি এখন সাংবাদিক মেলত মই প্ৰথমে মাডাম কোৱাতক লগ পাইছিলো।

- কোৱাতৰ লগত শেষ দেখা কেতিয়া।

- চাৰিদিন আগতে তেওঁ ঘৰত ব্ৰিগেদিয়াৰ জেনেৰেলক নুবেল বিন ডিনৰ হত্যাকাণ্ডৰ দিনাই শেষ দেখা। ইমানবোৰ কথা মোক সোধাতকৈ আপুনি দেখোন মাডাম কোৱাতক মাতি আনি অনুসন্ধান কৰিব পাৰে।

টেবুলত প্ৰচণ্ড মুষ্টঘাট কৰি মেজৰ কিম ভান মিন গুজৰি উঠিল- "মাডাম কোৱাতক গ্ৰেপ্তাৰ কৰিবৰ বাবে যোৱা চৌবিশ ঘণ্টাই পুলিচ আৰু সেনাবাহিনীয়ে সমগ্ৰ ভিয়েতনাম চলাথ কৰিছে। তাইক বিচাৰি পোৱা নাই, পলাইছে।"। মাডাম কোৱাত চায়গনত ভিয়েতকং গেৰিলাৰ দ্বাৰা ধ্বংস কাৰ্য চলাই আমেৰিকান বাহিনীক ধূলিৰ লগত মিলাই থৈ গ'ল। হাজাৰ হাজাৰ গুৰুত্বপূৰ্ণ নথি সামৰিক কাৰ্য্যালয়ৰ পৰা উলিয়াই নি আমাক বেকুফ বনাই থৈ গ'ল।

মেজৰ কিম ভান মিনে টেবুলৰ কলিংবেলত হাত দিয়াৰ লগে লগে এটা ল'ৰা সোমাই আহিল। ল'ৰাটোৰ হাতৰ পৰা প্ৰেচ ব্যুৰোৰ আৱশ্যকীয় নথি পত্ৰ ব্ৰিফকেচত ভৰাই লৈ অলপো নৰৈ চৰকাৰী গাড়ীৰেই উভতিলো। লক্ষ্য হোটেল কাৰাভেলী।

ভিয়েতকঙৰ এই মুক্তি যুদ্ধ চলি থাকিল। এখন স্বাধীন মাতৃভূমিৰ বাবে ভিয়েতনামৰ মানুহে জীৱনৰ ৰক্তজবা আইৰ চৰণ তলত অৰ্পন কৰি যাব। ভিয়েতনামৰ মাটিত যিমান দিনলৈকে ঘাঁহ গজিব, বাৰুদৰ শব্দ আৰু জুইয়ে ঘাঁহপুৰি মাতৃৰ বুকু টকলা কৰিব সিমান দিনলৈকে মুক্তি সংগ্ৰাম চলি থাকিব।

"Nothing is worse than war
Dishonour is worse than war
Slavery is worse than war"

প্ৰৱন্ধটি লিখাৰ কাল ঃ ১৯৬৮ চন।

## কৃতিত্ব

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ তৃতীয় দীক্ষান্ত সমাৰোহত চিনামৰা মহাবিদ্যালয় অধ্যয়ন কেন্দ্ৰৰ শিক্ষাৰ্থী ক্ৰমে ফাৰহানা য়াছমিন ৰহমানে ২০১৭ বৰ্ষৰ শ্ৰেষ্ঠ স্নাতকোত্তৰ ডিগ্ৰীধাৰীৰূপে আৰু দীপাংকৰ শইকীয়াই ২০১৮ বৰ্ষৰ শ্ৰেষ্ঠ স্নাতকোত্তৰ ডিগ্ৰীধাৰীৰূপে সোণৰ পদক লাভ কৰে। দুয়োগৰাকী সাংবাদিকতা আৰু গণসংযোগ বিষয়ৰ শিক্ষাৰ্থী।





১ পৃষ্ঠাৰ পৰা

## সাম্প্ৰতিক শিক্ষা ব্যৱস্থাই ...

প্ৰয়োজন। কুৰি শতিকাৰ সত্তৰ আশী দশকলৈকে আমাৰ অসমৰ গ্ৰাম্য সমাজত এটা মুক্ত পৰিৱেশে বিৰাজ কৰিছিল যদিও বাল্য কালত পিতৃ-মাতৃ আৰু শিক্ষকৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত এটা তদাৰকী ব্যৱস্থাও আছিল যাতে তেওঁলোক বিপথে যাব নোৱাৰে। কিন্তু ছাত্ৰ-ছাত্ৰীসকলক আজিৰ দৰে কঠোৰ নিয়ন্ত্ৰণত ৰখা নাছিল। সেই সময়ৰ অভিভাৱক সকলে সহজে বুজি পাইছিল যে সীমিত তদাৰকী ব্যৱস্থাৰ অবিহনে অবাধ স্বাধীনতাই বাল্য অৱস্থাৰ ছাত্ৰসকলক বিপথে নিব পাৰে। বাল্যকালত ছাত্ৰ-ছাত্ৰীসকলে উপভোগ কৰা কিছুমান স্বাধীন মনোভাৱৰ কথা চমুকৈ উল্লেখ কৰিব বিচাৰিছোঁ।

তাহানি পাঠশালা স্কুলত পঢ়োতে ছাত্ৰ-ছাত্ৰীসকল জাক পাতি বিদ্যালয়লৈ গৈছিল। ঘুৰি আহোঁতে কিম্বা বিদ্যালয়ৰ পানীখোৱা ছুটীত বিদ্যালয়ৰ আশে-পাশে থকা আম, পনিয়ল, বগৰী, আমলখি আদি মুক্তমনে লগৰ সমনীয়াসকলৰ সৈতে খাইছিল। আঘোণমহীয়া লগৰ বন্ধু-বান্ধৱৰ সৈতে পথাৰত হূলা লৈ চেঁচোৰ খান্দি ভাগ বটোৱাৰা কৰি খাইছিল। লেছেৰি ধান বুটলি পথাৰত ভোজ খাইছিল। পিতৃ-মাতৃক ঘৰুৱা কামত সহায় কৰিছিল। ককাক-আইতাক, জ্যেষ্ঠসকলৰ পৰা সাধু কথা শুনিছিল। এনে ধৰণৰ মুক্ত পৰিৱেশে কণ কণ ছাত্ৰীসকলৰ মাজত সৃষ্টিশীল মন এটাৰ বুনিয়াদ গঢ় লৈছিল। তদুপৰি ছাত্ৰসকলৰ মনত এটা সামাজিক মনো গঢ় লৈ উঠিছিল। মুঠৰ ওপৰত প্ৰতিভা বিকাশৰ এটা মুক্ত পৰিৱেশ পাইছিল। বাৰ্ষিক পৰীক্ষাৰ ফলাফল ওলালে পৰীক্ষাত উত্তীৰ্ণ হোৱাটোৱেই যথেষ্ট আছিল। পৰিয়ালৰ লোকৰ মাজত পৰীক্ষাৰ ফলাফলক লৈ হৰ্ষ-বিষাদ নাছিল। অৱশ্যে শ্ৰেণীত প্ৰথম, দ্বিতীয় হ'ব পাৰিলে পৰিয়ালৰ লোকে প্ৰশংসা কৰাৰ উপৰিও ওচৰ চুবুৰীয়া গাঁৱৰ ৰাইজক ছাত্ৰ বা ছাত্ৰী গৰাকীক শলাগৰে ওপচাই ভৱিষ্যতৰ বাবে উৎসাহ-উদ্দীপনা যোগাইছিল। সেই সময়ত বহু মেধাবী ছাত্ৰ-ছাত্ৰীয়ে আৰ্থিক অনাটনৰ বাবে উচ্চ শিক্ষা ল'ব নোৱাৰিছিল যদিও, যি সকলে উচ্চ শিক্ষা গ্ৰহণ কৰি সমাজৰ বিভিন্ন ক্ষেত্ৰত সমাজৰ সেৱা আগবঢ়াইছিল সেইয়া আছিল প্ৰকৃতেত সামাজিক সেৱা। উদাহৰণ স্বৰূপে সমাজৰ শিক্ষক, অভিযন্তা, চিকিৎসক, কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰৰ বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষা অনুষ্ঠিত বাচনি কৰা আই, এ, এছ, এ.চি. এছ, প্ৰশাসনীয় বিষয়া তথা অন্যান্য চাকৰিয়ালসকল বাস্তৱিকতে সেৱাৰ মনোবৃত্তিৰে চাকৰি কৰিছিল। কিন্তু আজিৰ ব্যক্তিকেন্দ্ৰিক সমাজত উল্লিখিত বৃত্তিধাৰী চাকৰিয়ালসকল বেচিভাগেই ধন ঘটা যন্ত্ৰত পৰিণত হৈছে-সেই বিষয়ে পাছলৈ আহিছোঁ। তাহানিৰ শিক্ষা ব্যৱস্থাই এচাম সামাজিক দৃষ্টিসম্পন্ন মানুহ সৃষ্টি কৰিছিল আৰু আজিৰ শিক্ষা ব্যৱস্থাই এচাম হৃদয়হীন লোক সৃষ্টি কৰিছে। বিষয়টো একেবাৰে সৰলীকৰণ কৰা নাই। সাম্প্ৰতিক কালতো এচাম যে সৎলোক সৃষ্টি হোৱা নাই, এনে নহয়। কিন্তু তেনে সৎলোকৰ সংখ্যা নিচেই নগণ্য।

আমি শিৰোনামত 'ৰবট' অভিধাটো উল্লেখ কৰিছোঁ। আজিৰ শিক্ষা ব্যৱস্থাই সমাজত 'ৰবট' সৃষ্টি কৰিছেনে কি? 'ৰবট' হ'ল এটা ইংৰাজী অভিধা। ইয়াৰ অৰ্থ যন্ত্ৰ মানৱ। মানুহৰ দৰে কাম কৰিব পৰা স্বয়ংক্ৰিয় যন্ত্ৰ। আজিৰ শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীসকল ৰবট হৈছে নেকি? আকৌ ছাত্ৰ-ছাত্ৰীসকলক 'গিনিপিগ' সজোৱা হৈছেনে কি? গিনিপিগৰ অৰ্থ গৱেষণাগাৰৰ পৰীক্ষাৰ বিষয়ৰূপে ব্যৱহাৰ কৰা ব্যক্তি হৈছেনে কি? আজিৰ শিক্ষা ব্যৱস্থাৰ বাস্তৱ ছবিখন দেখিলে তেনে যেনেই অনুমান হয়।

বৰ্তমান সমাজৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰীসকলৰ নিজৰ পছন্দৰ বুলি কোনো কথা নাই। পিতৃ-মাতৃৰ পছন্দ অনুসৰিহে ছাত্ৰ-ছাত্ৰীসকলে কাম কৰিবলৈ বাধ্য হয়। তেওঁলোকে কোনফালে যাব, নাচ শিকিবনে, গান শিকিব, অভিনয় কৰিবনে খেলাধূলা কৰিব সেইটো বাচনি কৰিব পিতৃ-মাতৃয়ে। শৈশৱৰ কথা বাদেই দিলোঁ। ছাত্ৰ বা ছাত্ৰী গৰাকী হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰাৰ পাছত বিজ্ঞান পঢ়িবনে কলা শাখাত নাম লগাব, সেইটো নিৰ্দ্ধাৰণ কৰিব পিতৃ-মাতৃয়ে। সন্তানৰ মনৰ কথা জানিবৰ বাবে পিতৃ-মাতৃয়ে সমূলি চিন্তা নকৰে। তেওঁলোকৰ কোন দিশত দক্ষতা আছে পিতৃ-মাতৃয়ে সেই দিশটোৰ প্ৰতি কৰ্ণপাত নকৰে। ইয়াৰ ফলত আমাৰ সমাজৰ অনেক প্ৰতিভা পিতৃ-মাতৃৰ দোষত কলিতে মৰহি গৈছে। গতিকে সন্তানে নিজৰ অনিচ্ছা স্বত্তেও সমাজত প্ৰতিযোগিতাত নামি পৰিব লগা হৈছে। নিজৰ ইচ্ছা নথকা প্ৰতিযোগিতাত জড়িত হোৱাৰ ফলত শাৰীৰিক, মানসিক আৰু সামাজিক আদিত বিকাশ লাভ কৰাত বাধা আহি পৰে। ইয়াৰ কু প্ৰভাব সন্তানসকলৰ ভৱিষ্যত জীৱনত পৰে। আজিকালি পিতৃ-মাতৃৰ একমাত্ৰ উদ্দেশ্য হ'ল নিজৰ ল'ৰাটো বা ছোৱালীজনী পৰীক্ষাত নম্বৰ ভাল পাবই লাগিব। পৰীক্ষাত উৎকৃষ্ট স্থান প্ৰাপ্ত হ'ব লাগিব। মৰম প্ৰীতি বন্ধুত্ব সুলভ স্নেহ সামাজিক দৃষ্টিভঙ্গী গুণবিলাক যে সন্তানে বাল্য কালতে আয়ত্ব কৰিব লাগে সেই বিষয়ে আধুনিক পিতৃ-মাতৃয়ে কোনো গুৰুত্ব নিদিয়ে। ইয়াৰ বিপৰীতে আধুনিক পিতৃ-মাতৃয়ে নিজৰ সন্তান ডাক্তৰ ইঞ্জিনিয়াৰ হোৱাটোহে বিচাৰে। নিজৰ সন্তান মানুহ হোৱাটো নিবিচাৰে। তাহানিৰ ডাক্তৰ, ইঞ্জিনিয়াৰৰ সামাজিক মন এটা আছিল। আজিৰ ডাক্তৰ, ইঞ্জিনিয়াৰ, আই. এছ. অফিচাৰ আনকি কলেজৰ মোটা দৰমহা পোৱা শিক্ষকসকলৰ একাংশ মানবতাবাদী ব্যক্তিৰ বাদে বাকী সকলো ব্যক্তিকেন্দ্ৰিক ধন উৰ্পাজন কৰা ব্যক্তিলৈ ৰূপান্তৰিত হৈছে। ইয়াৰ বাবে দায়ী কোন? ছাত্ৰ-ছাত্ৰীসকল দায়ী নহয়। পিতৃ-মাতৃয়ে নিজে ব্যক্তিকেন্দ্ৰিক হৈ সমাজৰ মুক্ত পৰিৱেশৰ পৰা ল'ৰা-ছোৱালীক নিলগাই ৰখাৰ ফলত পৰৱৰ্তী কালত ল'ৰা-ছোৱালীও ব্যক্তিকেন্দ্ৰিক হয়। তেনে ল'ৰা-ছোৱালী উচ্চ পদৰ চাকৰি কৰি সমাজৰ কথা চিন্তা কৰা বাদেই নিজৰ পিতৃ-মাতৃৰ দায়িত্বও বহন নকৰে। পিতৃ-মাতৃৰ বৃদ্ধকালত বৃদ্ধাশ্ৰমত আশ্ৰয় ল'ব লগা হয়। গতিকে আজিৰ শিক্ষা ব্যৱস্থাৰ ফলত বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰী হৃদয়হীন ৰবট সদৃশ ধন টকা পইচা ঘটা উপাৰ্জন কৰা যন্ত্ৰত পৰিণত হৈছে। সাম্প্ৰতিক বিজ্ঞানৰ ন-ন আবিষ্কাৰ, যেনে- ইণ্টাৰনেট, লেপটপ, চচিয়েল মিডিয়া, ডিজিটেল লাইব্ৰেৰী আদিৰ ফলত আজিৰ ছাত্ৰ-ছাত্ৰীয়ে দ্ৰুত গতিত শিক্ষা আহৰণ কৰিব পাৰে আৰু প্ৰতিযোগিতাত অৱতীৰ্ণ হৈ চৰকাৰীয়ে হওক বা বেচৰকাৰীয়ে হওক মেধাবী ছাত্ৰ-ছাত্ৰীয়ে উচ্চপদত অধিষ্ঠিত হোৱাতো সহজ হৈ পৰিছে। কিন্তু তেনে ছাত্ৰ-ছাত্ৰীৰ যদি সামাজিক মন এটা নাথাকে, তেনে ৰবট সদৃশ ছাত্ৰ বা ছাত্ৰীৰ পৰা দেশে কোনো আশা কৰিব নোৱাৰে। প্ৰযুক্তিবিদ্যাই যেনেকৈ আমাৰ শিক্ষা আহৰণৰ বাবে উল্লিখিত সা-সঁজুলি বিলাক প্ৰদান কৰিছে, ঠিক তেনেকৈ সমান্তৰালভাবে ছাত্ৰ-ছাত্ৰীক মুক্ত চিন্তা-চৰ্চা কৰাৰ পৰিৱেশ লুপ্ত হ'বলৈ দিব নালাগিব। বিজ্ঞানৰ ন ন আৱিষ্কাৰৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰাটো সহজ হৈ পৰিছে আৰু সমান্তৰালভাৱে আজিৰ পৰিবৰ্তিত শিক্ষা ব্যৱস্থাটোৰ সৈতে খাপখুৱাই সামাজিক পৰিৱেশ এটাও সৃষ্টি কৰিব লাগিব যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকল ব্যক্তিকেন্দ্ৰিক হোৱাৰ বিপৰীতে একো একোজন হৃদয়বান সামাজিক লোকত পৰিণত হয়। অন্যথা বিজ্ঞানে আগবঢ়োৱা অৱদান আৰু সমাজৰ ব্যক্তিকেন্দ্ৰিক পৰিৱেশে আমাৰ নৱপ্ৰজন্ম হৃদয়হীন ৰবটত পৰিণত কৰিব।

*ভ্ৰাম্যভাষঃ ৯৪৩৫০ ১০১৬৭*

৬ পৃষ্ঠাৰ পৰা

## জাপানী কথা সাহিত্যৰ প্ৰাণ শক্তি কেনজাবুৰো

under her influence ever since he had entered the ward,gradually losing his resentment and his need to resist. He was now feeble and unprotesting himself,he might have been bound with strips of gauze even like the infants who had begun to cry ina baffing demonstration of accord,Bird exhaled a long, hot breath,wiped his damp hands on the seat of his pants,and then with his hand wiped the sweat from his brow and eyes and cheeks. He turned his fists in his eyes and blackish flames leaped; the sensation was of falling headong in to an abyssa: Bird reeled...( A Personal matter, Pags-71)

The Silent cry (নিঃশব্দ আৰ্তনাদ) কেনজাবুৰোৰ আন এখন উল্লেখযোগ্য উপন্যাস। ইয়াৰ ইংৰাজী অনুবাদ সদ্য প্ৰকাশ হৈছে। উপন্যাসিকৰ নোবেল লাভৰ অন্তৰালত যিকেইখন ৰচনাক অতি গুৰুত্ব দিয়া হৈছিল সেইবিলাকৰ ভিতৰত এইখনো এখন বুলি ক'ব পৰা যায়। ইয়াতো প্ৰথম উন্যাসখনৰ দৰে মনোজগতৰ অৱস্থা তুলি ধৰা হৈছে। উপন্যাসখনৰ কোনো নিদিৰ্ষ্ট কাহিনী নাই। ইয়াত এনে দুজন ভাই-ককাইৰ কথা কোৱা হৈছে যাৰ চিন্তা-ভাৱনা,কামনা-বাসনা,সপোন-বাস্তৱ আৰু জীৱন যাপনৰ পদ্ধতিৰ মাজত কোনো মিল নাই। দুয়ো ভাই-ককাইয়ে এজন-আনজনৰ কাষলৈ অতি আন্তৰিকতাৰে আহিব বিচাৰে যদিও ৰুচিগত,অনুভৱগত বিপৰীত দিশবোৰে দুয়োকে মিল হোৱাত বাধা দিয়ে। দুয়োজনে কাকো কোনো অনিষ্ট নকৰে। অথচ স্বীকাৰ কৰি লৈছে সহোদৰ হলেও মানুহৰ প্ৰকৃতি বেলেগ বেলেগ,অস্তিত্বৰ প্ৰকাশ এনেধৰণৰ আৰু জীৱন বিচিত্ৰ।

এই উপন্যাসখনৰ বিশেষ সাৰ্থকতা যে মানুহৰ অন্তজগতৰ অনবদ্যতাৰ উন্মোচন। এই উপন্যাসত দেখা যায় মানৱ মনত সংৰক্ষিত বিক্ষব্ধ ভাৱনাৰাশিৰ প্ৰকাশ। ইয়াত কেমজাবুৰোৱে মানৱ অস্তিত্বৰ ব্যাখা আগবঢাবলৈ যাওঁতে চাৰ্ত্ৰে, মিলাৰ বা কেম্যুৰ দৰে উচ্চপৰ্যায়ৰ চিন্তাবিদসকলক চেৰাই যোৱা যেন ধাৰণা হয়। উপন্যাসখনৰ নামাকৰণৰো বিশেষ অৰ্থ বহন কৰা দেখা যায়। মানুহৰ প্ৰতিটো আৰ্ত উচ্চাৰণৰ শেষত আহে নৈঃশব্দ। উপন্যাসিকে সেই নৈঃশব্দকে বৰ্ণনা কৰাৰ চেষ্টা কৰিছে। আৰ্তনাদৰ অস্তিত্বৰ পঞ্জীভূত কষ্টৰ আৰ্তনাদ। আনফালে নৈঃশব্দ এনে এক মানসিক পৰিস্থিতি,যি সম্পূৰ্ণ অনুভৱ কৰাটোও সহজ নহয়। মানুহেভাৱে সেই কামটো কৰিব পৰা হ'লে সি বাচি গ'লহেঁতেন,যেনেকৈ ভাবিছে উপন্যাসকৰ দুই চৰিত্ৰ ভাই-ককায়ে। কিন্তু সেয়া কৰিব পৰা নাই। পৰিস্থিতিৰ বাস্তৱতাক স্বীকাৰ কৰি জটিল এক বিভ্ৰমৰ মাজেৰে দিন অতিবাহিত কৰিব লগাত পৰে। আশা-নিৰাশাৰ দ্বন্দ্ব আৰু বিভীষিকা-বিষাদৰ সহাৱস্থানত অত্যন্ত কৌশলপূৰ্ণভাৱে কাহিনী চিত্ৰিত কৰিছে। সঁচাকৈ মানৱ অস্তিত্বৰ আৰ্তনাদ জীৱন্ত হৈ উঠিছে লেখকৰ নিজস্বতাৰে পূৰ্ণ ভাষাৰ মাজেদি। এক প্ৰৱন্ধত কেমজাবুৰোৱে লেখিছে writer`job the writers job of a clown, the clown who also talks about sorrow পুনৰ তেওঁ লেখিছেIt is also to make a violent,urgent confession through language and imagination,And this imagination is not a state; it is the himan existence itself . ইয়াত ব্যৱহৃত sorrow,imagination আৰু existence শব্দ তিনিটালৈ মন কৰক।existence বা মানৱ অস্তিত্বৰ লগত sorrow বা দুখ-কষ্টৰ সৰ্ম্পক নিবিড়। এই অনিবাৰ্য বিষয়টো অভিঘাটি কৰি তোলাৰ স্বাৰ্থতে সৃষ্টিশীল কল্পনাৰ imagination শৰণাপন্ন হৈছে লেখক। উৰ্বৰ কল্পনা, ৰহস্য সৃষ্টি যিবিলাক কথাশিল্পীৰ প্ৰিয় অৱলম্বন তেওঁলোকৰ ৰচনা অধ্যায়ন কৰি অনুভৱ হয় লেখকে কল্পনাৰ পাখি লগা ঘোঁৰাত উঠি বাস্তৱ জগতৰ নিমৰ্মতাক অস্বীকাৰ আৰু পৰাজিত কৰাৰ দুঃসাহস কৰিছে। প্ৰকৃততে এজন কথা শিল্পী বিৰল ব্যতিক্ৰম বাহিৰেও সদায় কঠিন বাস্তৱতাৰ সন্মুখীন হোৱা এজন মানুহ। সেই বাস্তৱতাক ৰূপায়িত কৰাৰ স্বাৰ্থতে কেনজাবুৰোৱে কল্প কাহিনাসুলভ বাকচাতুৰ্য আৰু ক্ষেত্ৰ বিশেষে গধুৰ ভাষা প্ৰয়োগ কৰিছে। গদ্যৰ ভাষাৰ এনেধৰণৰ ব্যৱহাৰ ১৯৭৬ৰ পৰৱৰ্তী সাহিত্য ৰাজিত দেখা যায়। যিবোৰে ৰচনাৰ নান্দিকতা বৃদ্ধিৰ ক্ষেত্ৰত বহুখিনি সহায় কৰিছে।

কথাশিল্পী গৰাকীয়ে বিশ্বাস কৰে- এজন লেখক সমকালৰ প্ৰতিনিধি,যি সাধাৰণ মানুহৰ লগত যোগাযোগ স্থাপন কৰাত আগ্ৰহী। কিন্তু তেওঁৰ গদ্য ভংগী পাঠক-সমালোচকৰ বাবে সদায় জটিল ৰূপত প্ৰতিফলিত হয়। এই জটিলতা স্বেচ্ছাকৃত। কিয়নো কলা-কৌশল প্ৰয়োগৰ বিষয়টোক তেওঁ আদিৰে পৰা গুৰুত্ব দি আহিছে। সেয়ে উপন্যাস নিৰ্মণৰ প্ৰসংগত তেওঁ লেখিছে The device made made by language to activate man in his entirety.তেওঁৰ এই বক্তব্য অভিজ্ঞতাপ্ৰসূত আৰু যথাৰ্থ। কেনজাবুৰোৱে কেতিয়াওঁ কোনো এক মাত্ৰিক,সৰল গল্প লিখা নাই,তেওঁৰ অভিপ্ৰায়ও তেনে নাছিল। সুক্ষ্মভাৱে অধ্যয়ন কৰিলে তেওঁৰ লেখনিৰ মাজত লক্ষ্য কৰা যায় দুটা বস্তু-এক গল্প, দুই মতামত বা পৰামৰ্শ। এইবিলাকৰ মাজেদি তেওঁ স্বতন্ত্ৰ হৈ উঠে।ৰাজনৈতিক জীৱনতো কেনজাবুৰো অতি সচেতন আৰু সক্ৰিয়। জাপানী নব্য বাম আন্দোলনৰ অন্যতম নেতা এইগৰাকী লেখকে উন্নয়নশীল আৰুতৃতীয় বিশ্ব,পাৰমাণবিক যুদ্ধৰ ভাবুকি আদিৰ ওপৰত বহুতো প্ৰৱন্ধ লেখিছে। মুঠৰ ওপৰত ভাষাৰশৃংখলা,ভাষিক বাধাৰ প্ৰাচীৰ ভাঙি উপমা,ৰূপকৰ বিবিন্নধৰণৰ প্ৰয়োগ ঘটাই এক জটিল গদ্য শৈলীৰ জন্ম দিছে। কেৱল আধুনিক কতা শিল্পৰ আধুনিক পাঠকৰ বাবে ইয়াৰ স্বাদ লোৱাটো সম্ভৱ।

*ভ্ৰাম্যভাষঃ ৮৬৩৮৮১০৩২১*

# ৰেডিঅ'ৰ শৈক্ষিক ভূমিকা

বৰ্তমান সময়ত ৰেডিঅ' দেখিলে পুৰণি দিনত সকলোৰে একগোট হৈ ৰেডিঅ' শুনা দৃশ্যটি সকলোৰে মানসপটত ভাহি আহে। যি সময়ত 'দূৰদৰ্শন'ৰ প্ৰভাৱ জনসমাজৰ মাজত নাছিল, ৰেডিঅ'ৰ দ্বাৰা ডেকাৰ পৰা বুঢ়ালৈকে, শ্ৰমজীৱীৰ পৰা বুদ্ধিজীৱীলৈকে সকলো শ্ৰেণীৰ লোকে বিভিন্ন জ্ঞান আয়ত্ব কৰিবলৈ সক্ষম হৈছিল।বৰ্তমান যদিও জনসমাজৰ মাজত 'দূৰদৰ্শন'ৰ প্ৰভাৱ বাঢ়িছে, তথাপি ৰেডিঅ'ৰ সমাদৰ লাঘৱ হোৱা নাই। বিজ্ঞানৰ অভিনৱ আৱিস্কাৰ মানৱ সমাজৰ বাবে আৰু বিশেষকৈ জনশিক্ষা বিস্তাৰৰ বাবে এক সম্পূৰ্ণ উপযোগী আহিলা হৈছে ৰেডিঅ'। আধুনিক শিক্ষা ব্যৱস্থাত ৰেডিঅ'ই বিভিন্ন প্ৰকাৰে অৱদান আগবঢ়াইছে বুলি ক'ব পাৰি। পোন প্ৰথমে ১৯২৪ত ইংলেণ্ডত শৈক্ষিক অভিপ্ৰায়েৰে ৰেডিঅ' ব্যৱহাৰ কৰা হৈছিল। ১৯২৬ত কানাডা আৰু চুইডেনত আৰু ১৯৩০ত চুইজাৰলেণ্ড আৰু ভাৰতবৰ্ষত ৰেডিঅ' ব্যৱহাৰ কৰা হৈছিল। ৰেডিঅ'ৰ শৈক্ষিক গুৰুত্ব সম্পৰ্কে George Watson এ কৈছিল - "Radio is not an addition to education. Radio is something to be placed on the top of education. Rather, Radio is education"।

সমাজীকৰণ প্ৰক্ৰিয়াৰ আহিলা হিচাপে ৰেডিঅ'ই আমাৰ সমাজত এক বিশেষ স্থান আগুৰি আছে। কিয়নো এজন স্বাক্ষৰ লোকে বিভিন্ন কিতাপ-পত্ৰ, গ্ৰন্থ, বাতৰি কাকত আদিৰ মাধ্যমত বিভিন্ন কথা জানিবলৈ সক্ষম হয়। আনহাতে নিৰক্ষৰ লোক সকলে কেৱল মাত্ৰ ৰেডিঅ' শুনি নানা ধৰণৰ কথা জানিবলৈ বা শিকিবলৈ সক্ষম হয়। সমাজৰ যিসকল লোক আনুষ্ঠানিক শিক্ষাৰ পৰা বঞ্চিত হ'ল, সেই লোকসকলৰ বাবেও ৰেডিঅ'ৰ যোগেদি বিবিধ অনুষ্ঠানৰ ব্যৱস্থা কৰি সামাজিক শিক্ষা সম্প্ৰসাৰণ কৰাৰ আঁচনি গ্ৰহণ কৰা হৈছে। ৰেডিঅ'ক এবিধ চিত্ত বিনোদন তথা অৱসৰ সময়ৰ সদ্ব্যৱহাৰৰ বাবে শিক্ষা প্ৰদান কৰা আহিলা বুলি ধাৰণা কৰা হয়। ৰেডিঅ'ৰ দ্বাৰা শিশুসকলৰ সৃজনীশক্তিৰ বিকাশ সম্ভৱপৰ। ৰেডিঅ' কেৱল মাত্ৰ শ্ৰমজীৱী, বুদ্ধিজীৱী সকলৰ মাজত জ্ঞান প্ৰদান কৰিয়েই আবদ্ধ থকা নাই। ৰেডিঅ'ই কৃষ্টি সংস্কৃতি সংৰক্ষণ আৰু তাৰ আৱশ্যকীয় বিকাশ সাধনতো বিশেষ ভূমিকা গ্ৰহণ কৰিছে। ৰেডিঅ'ই দেশৰ বিভিন্ন অঞ্চলৰ লোকৰ মাজত সংস্কৃতিৰ অৱদানৰ যোগেদি জাতীয় সংহতি আৰু আবেগ ঐক্যভাৱৰ গঢ় দি তুলিবলৈ সক্ষম হৈছে। গতিকে ৰেডিঅ'ক জনসাধাৰণৰ মাজত সংযোগ স্থাপন আৰু সংহতি স্থাপনৰ প্ৰধান মাধ্যম বুলি ক'ব পাৰি। যিসকল শিক্ষাৰ্থীয়ে আনুষ্ঠানিক শিক্ষা গ্ৰহণ নকৰি দূৰত্ব শিক্ষাৰ দ্বাৰা শিক্ষা লাভ কৰে, তেওঁলোকৰ বাবেও ৰেডিঅ'ক উপযুক্ত মাধ্যম বুলি ক'ব পাৰি। বৰ্তমান জনসংখ্যা বৃদ্ধি ৰোধ কৰিবৰ বাবে পৰিয়াল কল্যান আঁচনি কাৰ্যকৰী কৰি তোলাত আৰু জনস্বাস্থ্য ৰক্ষা কৰাত ৰেডিঅ'ই যি সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে সেইয়াও সঁচাকৈয়ে শলাগ ল'বলগীয়া।

গতিকে সামৰণিত ক'ব পাৰি যে, আধুনিক শিক্ষাৰ ক্ষেত্ৰত ৰেডিঅ'ই যথেষ্ট গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। গতিকে শিক্ষাৰ ক্ষেত্ৰত ৰেডিঅ'ৰ ভূমিকা অতি উৎকৃষ্ট আৰু উপযোগী মাধ্যম।

# সাংস্কৃতিক পৰিৱৰ্তনৰ প্ৰেক্ষাপটত বিহু . . .

৪পৃষ্ঠাৰ পৰা

কৃপাতহে নিৰ্ভৰ কৰিব লগা হৈছিল। এতিয়া হৈ আছে বুলি কলে বঢ়াই কোৱা নহয়। কৃষকসমাজ অদৃষ্টবাদী আৰু ৰহস্যবাদীৰ মাজত আছন্ন। ইয়াৰ প্ৰভাৱ কৃষিজীৱীৰ সংস্কৃতি জীৱন দৰ্শন আদি সকলোতে পৰিস্ফুট। তাত আত্ম প্ৰত্যয় নাই, আছে অদৃষ্টবাদ আৰু সহজ আত্মসমৰ্পণৰ আকৃতি। এইয়া হৈছে কৃষি সংস্কৃতিৰ সাধাৰণ লক্ষণ। সেয়ে প্ৰাচীন কৃষিসমাজত অদৃষ্টবাদ আৰু আধ্যাত্মবাদ স্বাভাৱিক আছিল। ১৯৩৭ চনৰ ৰাষ্ট্ৰীয় পৰিৱৰ্তনৰ মাজেদি যি সমাজ আৰু ৰাষ্ট্ৰৰ প্ৰয়োজনীয় ৰূপান্তৰ সত্য আংশিকৰূপত প্ৰকাশিত হৈছিল সি এতিয়া বহুদিশত অসমাপ্ত হৈ ৰ'ল। আমাৰ সংস্কৃতি যে মূলতঃ কৃষিভিত্তিক তাৰ সন্দেহ নাই। কিন্তু এতিয়া শিল্পযুগৰ উন্নতি, ডিজিটেল যুগৰ প্ৰসাৰ আৰু অদূৰ ভৱিষ্যতে ভাৰতৰ শিল্প উৎপাদনৰ শক্তি নিশ্চয়কৈ অভাৱনীয়ভাৱে প্ৰসাৰিত হ'ব। সেই কথা অৱশ্যে পাহৰি যোৱা উচিত নহ'ব। সেয়ে সাম্প্ৰতিক সময়ত শিল্প প্ৰধান সভ্যতাৰ লক্ষনো ভাৰতীয় সংস্কৃতিত প্ৰতিফলিত হ'ব ধৰিছে।

আমাৰ এটা প্ৰধান লক্ষণ হৈছে ইয়াৰ ধাৰাবাহিকতা ইয়াত কৃষি সভ্যতা বহু যুগ ধৰি বৰ্তি আছে। ইয়াৰ কৃষি কাৰ্য ইংলেণ্ডৰ নিচিনা ঔদ্যোগিক দেশসমূহৰ দৰে একেবাৰে নগন্য জীৱিকা প্ৰণালীত বোধহয় কেতিয়াও পৰিগণিত নহ'ব। ছোভিয়েট দেশৰ দৰে ভাৰততো শিল্পচালিত কৃষি প্ৰভাৱ যথেষ্ট থাকিব। নদীৰ উৰ্বৰা আৰু বিস্তৃত সমতল ভূমি কৃষি সমাজ বিকাশৰ বাবে অতি অনুকুল। কিন্তু এই কৃষি সভ্যতাৰ দ্বন্দ্ব আৰু বিৰোধবৰ্জিত নহয়, ইয়াতো নানান বিপৰ্য্যয়ৰ উদ্ভৱ হৈ আহিছে। যিদৰে নীলনদীৰ উপকূলস্থ সভ্যতা টাইগ্ৰীচ ইউফ্ৰেটিছৰ মধ্যৱৰ্তী অঞ্চলত সভ্যতা আজিও লুপ্ত হৈ যোৱা নাই। সেইদৰে আমাৰ জনগণেও দীৰ্ঘকালৰ সম্পদ আজিও সঞ্চয় কৰি স্বকীয় ঐতিহ্য জীয়াই ৰাখিছে।

অসমখন বহু জাতি-উপজাতিৰে গঢ়ি উঠা বৰ্ণিল সাংস্কৃতিক ৰাজ্য। সেয়ে বিভিন্ন অনুষ্ঠান আদিত সেই লোকসকলৰ ধ্যান ধাৰণা উদ্ভৱ আৰু বিকশিত হৈছে। আমিও সেইখিনি নানাভাৱে কালধৰ্ম, লোকাচাৰ বা বিশেষ বৰ্গৰ নতুবা বিশেষ অঞ্চলৰ গোষ্ঠীসমূহৰ মাজত প্ৰচলিত ৰীতি-নীতিক আপোন কৰি লৈছো। তেনেবিলাকক আমাৰ সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশৰ উপযোগী বুলি ভবাখিনি গ্ৰহণ কৰিছোঁ। আজি সেই সকলো দান আমাৰ স্বকীয় সাংস্কৃতিক অৱদানলৈ পৰিৱৰ্তন কৰি নতুন ৰূপত গ্ৰহণ কৰিছোঁ। স্পষ্টকৈ ক'বলৈ গ'লে 'বিচিত্ৰতা মাজত ঐক্য'- এইয়া হৈছে আমাৰ অসমীয়া সংস্কৃতিৰ মহান লক্ষণ আৰু সাধনা।

কৃষি সভ্যতাৰ পূৰ্বেও মানুহ জীৱিকাৰ বাবে কৰা সংগ্ৰাম আৰু প্ৰকৃতি জয়ৰ ক্ষেত্ৰত বহুবাৰ অগ্ৰসৰ হৈছিল, সেই প্ৰাক ঐতিহাসিক মানুহৰ সাংস্কৃতিক চিহ্ন আজিৰ আছে। কৃষি সভ্যতাৰ নানা স্তৰৰ মাজেদি ক্ৰমশঃ অগ্ৰসৰ হৈছিল, ই কোনো এটা বিশেষ স্তৰত আবদ্ধ হৈ থকা নাই। থকা হ'লে সেই সভ্যতাৰ মৃত্যু অনিবাৰ্য্য হ'লহেতেন।

সেয়ে কৃষি সংস্কৃতিৰ গতিশীলতাত সংপৃক্ত হৈ আছে পৰম্পৰা আৰু পৰিৱৰ্তন। প্ৰকৃততে ইহঁত দুয়োটাই হাতত ধৰাধৰিকৈ আগবাঢ়ে আৰু দুয়োটাই প্ৰকৃতাৰ্থত একে সত্যকেই প্ৰতিপন্ন কৰে। ঐতিহাসিক দৃশ্যপটৰ পৰা বিচাৰ কৰি চালে এই কথা ক'ব পাৰি যে পৰম্পৰাৰ ওপৰত ভিত্তি কৰিয়েই মানুহে আধুনিক সভ্যতাৰ ফালে আগবাঢ়িছে আৰু অতি সম্প্ৰতি চুপাৰ হাইটেকৰ যুগত প্ৰৱেশ কৰিছে। অতীতৰ কৃষি সংস্কৃতিৰ গৌৰৱময় ঐতিহ্যই দীৰ্ঘদিনীয়াতাৰ কষ্টকৰ পথ অতিক্ৰমী যুগে যুগে সৃষ্টি কৰি আহিছে। সাংস্কৃতিক জীৱনৰ মধুৰতম অৰ্থ, বিকাশশীল পৰম্পৰা নিৰবধি গতিৰ এখন নদীৰ দৰে যি প্ৰতিমুহূৰ্ততেই মানুহৰ কৃষ্টি-সংস্কৃতিৰ বৰ্ণাঢ্যময় আৰু সমৃদ্ধিশালী কৰি গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি দিব পাৰে।

অসমীয়া জনজীৱনৰ গভীৰভাৱে জোকাৰি থকা সংস্কৃতিৰ অনন্য প্ৰতীক বিহু উৎসৱ পৰম্পৰাৰ সাৱতি কিছু নতুনত্বৰে বিকাশশীল পথেদি আগবাঢ়িছে। এই কথা উল্লেখযোগ্য যে বিহুৰ সাৰ্বজনীন আবেদনে ইয়াৰ যাত্ৰাপথত দেখা দিয়া বিবিধ বাধাসমূহ অতিক্ৰম কৰি মঞ্চত নিজস্ব মৰ্যাদা লাভৰ বাবে এতিয়াও কিন্তু সংগ্ৰাম কৰিব লগা হৈছে। অসমীয়াৰ আটাইতকৈ মহান উৎসৱ ৰঙালী বিহুৰ উলহ মালহ আহে বহাগ মাহত। বহাগৰ উমাল উষ্ণতাত, আৰ্থিক জীৱনৰ লগত উৎসৱ বিলাকৰ সমন্ধ নিবিড়ভাৱে জড়িত হৈ আছে। সম্প্ৰতি আৰ্থিক দৈন্যতাই, ৰাজনৈতিক আৰু সামাজিক অস্থিৰতাই ৰঙালীৰ ৰঙৰ হেঁপাহ ম্লান কৰি পেলোৱাটো লক্ষ্য কৰিবলগীয়া বিষয় হৈ পৰিছে। মঞ্চত থিতাপি লোৱা বিহুৱে নগৰবাসীৰ মাজত সাৰ্বজনীনতাৰ এক উৎসাহী ঢলৰ সৃষ্টি কৰিছে। পিছে এনে পৰিৱেশত বিহুৱে অন্য দিশৰ এক প্ৰছন্ন বিকাশ লাভ কৰাটো প্ৰত্যক্ষ হোৱাত বিহুৰ স্বকীয় মৰ্যাদা লাভৰ গতিৰ বাধা আহি পৰাটো কিন্তু জাতীয় সংস্কৃতিটোৰ প্ৰতি উদ্বেগৰ কাৰণ হৈ পৰিছে। পন্য বিনিময় অৱসান ঘটিল বুলি কোৱাৰ পিছত মুদ্ৰাৰ বিকাশে বজাৰ কেন্দ্ৰিক অৰ্থ ব্যৱস্থাক আঁকোৱালি ল'ব লগা হৈছে। বজাৰকেন্দ্ৰিক এই অৰ্থব্যৱস্থাটোৱে নগৰ অঞ্চলত এক বিশাল সাৰুৱা ক্ষেত্ৰ আৱিস্কাৰ কৰি ল'লে আৰু তাৰ পিছত ইয়াৰ উত্তৰণ ঘটিল পুঁজিবাদী সাংস্কৃতিক অৰ্থব্যৱস্থাটোলৈ। প্ৰতিযোগিতা, ব্যক্তিকেন্দ্ৰিকতা, সম্পদ আহৰণৰ প্ৰতিযোগিতা, সম্পদ কেন্দ্ৰীভূতকৰণ আদি সম্প্ৰসাৰিত নগৰীকৰণৰ বিশেষ বৈশিষ্ট্য। তেনে প্ৰতিযোগিতামুখী নগৰীয়া পৰিৱেশৰ প্ৰাইজমানি বিহু প্ৰতিযোগিতা উৎসৱ উদযাপন কৰাটো একো আচৰিত কথা নহয়। নগৰৰ বিহুৱে স্বাভাৱিকতে এক সাৰ্বজনীন ৰূপ পৰিগ্ৰহ কৰিছে আৰু ভিন্ন সম্প্ৰদায়ৰ মিলনভূমি নগৰৰ বিহু মঞ্চবিলাক মিলন প্ৰীতিৰ ক্ষেত্ৰ হিচাপে গঢ়ি উঠাৰ বিহু সকলো শ্ৰেণীৰ লোকৰ বাবে আপোচবিহীন হৈ উঠিছে। ইয়াত এইটো লক্ষ্য কৰিব লগা বিষয় হৈছে যে নগৰাঞ্চলৰ অন্যান্য উৎসৱ পাৰ্বন সমগ্ৰ জাতি আড়ম্বনপূৰ্ণ আৰু ব্যয় বহুল হয় তেনে পৰিৱেশতে আকৌ বিহুক মঞ্চত পৰিৱেশন কৰিব লগা হোৱাত ব্যয়ৰ দিশটোৱে প্ৰাধান্য লাভ কৰে। সেই প্ৰভাৱ গ্ৰামাঞ্চলৰ মঞ্চবিলাকতো সম্প্ৰতি প্ৰতিফলিত হৈছে। কিন্তু মন কৰিব লগা কথাটো হৈছে যে অত্যাধিক ব্যয়ৰ প্ৰভাৱত পৰি ৰঙালী বিহুৰ পৰম্পৰাগত ঐতিহ্যবিলাক তল পেলাই কৃত্ৰিম উৎসৱলৈ পৰ্যবসিত হৈ বিহু প্ৰতিযোগিতাকেন্দ্ৰিক উৎসৱলৈ গতি কৰিছে। গ্ৰাম্য সংস্কৃতিৰ তথা কৃষিজীৱী সমাজৰ ৰঙালী বিহুৰ আন্তৰিক আদৰ আৰু উলহ-মালহখিনি প্ৰকাশ আৰু বিকাশ লাভ কৰাৰ পৰিৱৰ্তে মঞ্চবিহু বিচাৰত প্ৰতিফলিত হয় এক অৰ্থকেন্দ্ৰিক বজাৰ ব্যৱস্থা, সেয়ে জনজীৱনৰ আনন্দময় পৰিৱেশ মুদ্ৰাৰ অফুৰন্ত শৰাধে যেন ম্লান কৰি পেলাইছে। সাম্প্ৰতিক সময়ত বিহু উদযাপন কৰা ব্যৱস্থাটোৰ মাজত প্ৰচ্ছন্নৰূপত পালিত হৈ আছে ক্ষয়িষ্ণু সংস্কৃতিৰ অৰ্থবাদী চৰিত্ৰ, য'ত পুঁজিবাদী চৰিত্ৰ বিদ্যমান, তেনে পৰিৱেশত সংস্কৃতিয়ে অন্য অৱস্থালৈ পৰ্যবসিত হৈছে। সেইয়া কিন্তু চিন্তনীয় বিষয়।

ডিজিটেল মিডিয়াৰ এতিয়া সৰ্বত্ৰ প্ৰভাৱ। মানুহৰ ধৈৰ্য্য এতিয়া নিচেই কম। নিমিষতে সকলো উপভোগ্য বিষয় উপলব্ধ হ'ব লাগে। টেলিভিচনৰ চেনেল সকলো উপভোগ্য বিষয় উপলব্ধ হ'ব লাগে। টেলিভিচন চেনেল বিলাক হৈছে পুঁজিবাদৰ সুপৰিবাহী মাধ্যম। ভোগবাদত আছন্ন জড়িত মানুহে পৰস্পৰহিত উন্মাদ উত্তাল ৰোমাঞ্চকৰ দৃশ্যক বিনিময়তে আদৰণী জনাই। বজাৰকেন্দ্ৰিক অৰ্থব্যৱস্থাই মানুহৰ মানসিকতা কোনোদিশত নিলে বজাৰখন লাভবান হয় তাক ভালদৰে জানে। বিহু দলৰ প্ৰতিযোগিতা, নাচনী প্ৰতিযোগিতা, মঞ্চৰ ক্ষেত্ৰত প্ৰতিযোগিতা তাতোকৈ ডাঙৰ ব্যৱসায় আৰম্ভ হৈছে সুন্দৰী প্ৰতিযোগিতাৰ দৰে নাচনি প্ৰতিযোগিতা। দৃশ্যমান পৰ্দাত প্ৰত্যক্ষ কৰোৱা দায়িত্ব থাকে টিভিৰ চেনেল বিলাকৰ হাতত। আনহাতে অতি সম্প্ৰতি ইউ টিউবত যাৰ যেনেকৈ মন যায় বিহু দেখুৱাই প্ৰচাৰ আৰম্ভ কৰি দিছে। ঘৰৰ ৰুমতো মোবাইলৰ সহায়ত নাচনী নচুৱাই প্ৰদৰ্শন কৰাই আছে। ইয়াক যিহেতুকে নিয়ন্ত্ৰণ নাই। তেনেক্ষেত্ৰত সীমাহীন ইচ্ছাক পূৰণ কৰিবলৈ আজি ডিজিটেল মাধ্যমবোৰে সুবিধা দিছে। মানুহক আকৰ্ষণ কৰি সমৰ্থন বিচাৰি ডিজিটেল মাধ্যমবোৰৰ চলিছে উগ্ৰ প্ৰতিযোগিতা। পিছে আগৰ সংস্কৃতিয়ে যে বিচাৰি হাবাথুৰি খাব লগা হৈছে, সেই কথা কোনে ভাবিব। ডিজিটেল মাধ্যমত আশীৰ্বাদপুষ্ট হৈ ধন্য হোৱা সকলে প্ৰকৃততে জাতীয় সংস্কৃতি বুজিবলৈ সেয়ে বজাৰকেন্দ্ৰিক অৰ্থব্যস্থাত থকা অবাধ বিচৰণৰ প্ৰেক্ষাপটত আগৰ স্বকীয় সংস্কৃতিৰ পৰিৱৰ্তন যে সুস্থদিশত আগবাঢ়িছে এই কথা সঁচা নহয় বুলি একে আষাৰতেই ক'ব পাৰি।

প্ৰকৃততে ভোগবাদী সমাজখনে এতিয়া সংস্কৃতিৰ আদিৰ ভেটি কৃষিজীৱী সমাজখনক চিনি নেপায়। অসমীয়া সংস্কৃতিৰ বিহুৰ বিশ্বায়নৰূপী দুস্কৃতিৰ আৱৰ্ত্তত সোমোৱাই পেলাইছে আৰু কি সংস্কৃতি, কি অৰ্থনীতি, কি ৰাজনীতি, কি সমাজনীতি সৰ্বত্ৰ অসুস্থ প্ৰতিযোগিতাই চানি পেলাইছে। ইয়াৰ সম্প্ৰসাৰিত আগ্ৰাসনে মানুহৰ অযুত কামনাৰ মূল্যবোধ ধ্বংস কৰিবলৈ উদ্যত হোৱাই নহয়। ই প্ৰত্যেক্ষ কিম্বা পৰোক্ষভাৱে বিকৃত জীৱনবোধক অহৰহ অনুপ্ৰাণিত কৰি আহিছে। আনন্দ উচ্ছৱক প্ৰকৃত মৰ্যাদা দিয়াৰ পৰিৱৰ্তে প্ৰতিযোগিতাকেন্দ্ৰিক মানসিকতাই আচ্ছন্ন কৰি ৰখা কৃত্ৰিম আনন্দৰ মায়াজালেহে আজি বন্দী। স্পষ্টকৈ ক'বলৈ গ'লে প্ৰতিযোগিতাবোৰত আনন্দ নাথাকে, থাকে মাথো উচ্চৰক্ত চাপত ভোগা এক মানসিক যন্ত্ৰণা। এনে যন্ত্ৰণাই হৈছে সবাটোকৈ দুৰ্ভাগ্যৰ দুৰ্যোগ। এনে প্ৰেক্ষাপটত ঐতিহাসিক উপলদ্ধিৰ অভিজ্ঞান এক নিয়ম মাফিক অথবা উচ্চাৰিত শব্দলৈহে পৰ্যবসিত হৈছে। এনে পৰিৱেশতেই বিকৃত জীৱনবোধ আনন্দ উছৱৰ মাদকতাময় উমাল উত্তাপক দূষিত কৰি পেলাইছে। প্ৰতিজন ব্যক্তি প্ৰতিযোগিতাৰ নৱ নৱ আৱিস্কাৰ। সেয়ে অসমীয়া সমাজখনৰ ভোগবাদী সমাজৰ অংশীদাৰ হৈ পুঁজিবাদে পৰিপুষ্টি প্ৰদান কৰা সৰ্বত্ৰ প্ৰতিযোগিতাৰ মাজত নাচি আছে। পিছে এই প্ৰতিযোগিতাৰ নাচ হৈছে অন্য সংস্কৃতিৰ নাচ, বিলাসী জীৱনবোধক উৎসাহিত কৰা নাচ।

প্ৰকৃততে এই সমাজখনক অস্বীকাৰ কৰিব নোৱাৰিলেও আমি কিছুমান বিষয়ত হস্তক্ষেপ কৰাৰ দৃঢ়তা অৰ্জন কৰিব লাগিব। মানুহে হাজাৰ হাজাৰ বছৰ ধৰি তিল্‌তিলকৈ গঢ় দিয়া মানৱীয় সংস্কৃতি যিকোনো ত্যাগৰ বিনিময়ত সুৰক্ষিত কৰি ৰাখিবই লাগিব। শিল্পৰ সংস্কৃতি স্বকীয় সংস্কৃতিক চেতনাবোধ আৰু সুস্থ পৰিৱৰ্তনৰ বিকাশ নতুন প্ৰজনামই আত্মস্থ কৰিবলৈ শিকিব লাগিব। জ্ঞান আৰু প্ৰকাৰ সুষম গতিয়ে ভৱিষ্যতৰ বাবে নিশ্চয় সুস্থ উত্তৰণৰ মাৰ্গ নিৰ্দেশ কৰিব।

*ভ্ৰাম্যভাষঃ ৬০০১৬৮৫৭৮৪*

গ্ৰন্থ সমালোচনা

## হৃদয় বীণাৰ তাঁৰ

❑ মনোজ কুমাৰ শৰ্মা

চিনামৰা হিবিদ্যালয় ২৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ উদ্যোগত প্ৰকাশিত এখন আকৰ্ষণীয় কবিতা সংকলৰ হ'ল 'হৃদয় বীণাৰ তাঁৰ'। পুথিগত চৰ্চাৰ উপৰিও অসমীয়া বিভাগটোৰ অধ্যাপক-অধ্যাপিকা সমন্বিতে ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য চৰ্চাত যে বিশেষভাৱে মনোনিৱেশ কৰি আহিছে তাৰেই শেহতীয়া অন্যতম প্ৰোজ্জ্বল নিদৰ্শন হ'ল- 'হৃদয় বীণাৰ তাঁৰ'। বিভাগটোৰ এচাম গতিশীল প্ৰতিভাধৰক সাহিত্য-চৰ্চাৰ সোণালী পথেৰে আগবাঢ়ি যাবলৈ বিভাগটোৱে যিদৰে আগবঢ়াই নিছে সেয়া অন্যান্য বিভাগসমূহৰ বাবেও অনুকৰণীয়। অসমীয়া বিভাগৰ এগৰাকী প্ৰতিশ্ৰুতি সম্পনান অধ্যাপক অচ্যুৎ দত্তই সম্পাদনা কৰা কবিতা সংকলখনৰ আকৰ্ষণীয় কভাৰৰ আৰ্হি প্ৰস্তুত কৰিছে শ্যাম কৃষ্ণ বৰাই। চিনামৰা মহাবিদ্যালয় শাখা সাহিত্য সভা প্ৰকাশনে প্ৰকাশ কৰা সংকলনখন ২০১৮ বৰ্ষৰ ১ জুনত মহাবিদ্যালয় ২৮ সংখ্যক প্ৰতিষ্ঠা দিৱসত উন্মোচন কৰা হৈছিল। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ অঞ্জন শইকীয়াই 'অধ্যক্ষ একলম'ত অতি গুৰুত্বপূৰ্ণ মন্তব্যৰে লিখিছে- 'কাব্যক্ষেত্ৰৰ অনুপ্ৰেৰণাত মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ এচাম গতিশীল তথা কাব্যপ্ৰেমী ছাত্ৰ-ছাত্ৰীৰ মৌলিক সৃষ্টিৰে এক সোণালী পথৰ সন্ধান দিবলৈ (অসমীয়া বিভাগে) যত্ন কৰিছে। তাত সম্পাদনাৰে নেতৃত্ব দিছে বিভাগটোৰ প্ৰতিশ্ৰুতিসম্পন্ন অধ্যাপক উচ্যুৎ দত্তই।" একেদৰে আকৰ্ষণীয় আৰু নিপোটল সম্পাদকীয়টোত দত্তই লিখিছে



- "এনেদৰে সপোনৰ একোজন দ্ৰষ্টা হৈ বিদ্যাৰ্থীৰ কাপেৰে নিগৰা একোটি সপোনৰ প্ৰকাশৰ মাত্ৰ ব্যৱস্থা এই সংকলনিট, য'ত সাগৰ দেখাৰ সপোন, কবিতাৰ পলসত বুৰ মৰা সপোন একোটি গোলাপী জামুৰদৰে ওলমি আছে।" 'আসাম ট্ৰিবিউন' কাকতৰ সহকাৰী সম্পাদক পাৰ্থপ্ৰতিম হাজৰিকাই পাতনিত কবিতা পুথিখনৰ বিষয়ে কৰা মন্তব্যত লিখিছে- "ভূপেন হাজৰিকাৰ দৰেই ব্ৰহ্মপুত্ৰক প্ৰশ্নৰে থকা-সৰকা কৰাৰ পৰা বোকামাটিৰ গোন্ধ থকা মাতৃভূমিলৈ, হেৰাই যাব খোজা পুৰাৰ শেৱালি সুবাসৰ পৰা লাজ-অপমানক আওকান কৰা মাঘমহীয়া নিশালৈ, জীৱনৰ যান্ত্ৰিকতাত হেৰাই যোৱা কবিৰ ভিতৰৰ 'মই'টোৰ পৰা চহা পদাতিক কবিলৈকে বিস্তৃত হৈ আছে এই সংকলনখনৰ কবিতাসমূহ।" প্ৰায় আঢ়ৈকুৰি ভিন্ন ধৰ্মী কবিতাৰ এই সংকলনটিলৈ এদল উদীয়মান কবিৰ চিন্তা আৰু চেতনাৰ উক্মুকনিক আলফুলকৈ শব্দৰ সাজেৰে বাঙ্ময় কৰি সজাই পৰাই পাঠকৰ হাতত সবিনয়ে তুলি দিছে। কাব্যপ্ৰেমীয়ে সংকলটি হাতত তুলি লৈ যথেষ্ট মাদকতা বিচাৰি পাব। এইদৰে কবিতা সংকলন প্ৰকাশৰ প্ৰয়াসে চিনামৰা মহাবিদ্যালয় পৰিয়ালৰ সুনাম বৃদ্ধিত অৰিহণা যোগাইছে।

## নিজৰ শৰীৰটো সুস্থ, সতেজ ৰাখিবলৈ কেইটামান টিপ্‌চ

বিশেষকৈ ছোৱালীসকলৰ বাবে এই উপায়কেইটা অৱলম্বন কৰা অতি প্ৰয়োজন। কিয়নো প্ৰত্যেক গৰাকী ছোৱালীয়ে নিজৰ শৰীৰটো সুস্থ আৰু সতেজ ৰাখিব বিচাৰে-

- আমি খোৱা বোৱাত সংযমী হোৱা প্ৰয়োজন।
- নিয়মিত ব্যায়াম, শাৰীৰিক ওজন নিয়ন্ত্ৰণত ৰাখিব লাগে।
- ৰাগিয়াল বস্তু সেৱন বদ অভ্যাস ত্যাগ কৰিব লাগে।
- খোৱা-বোৱাৰ পৰিমাণ সদায় সঠিক হ'ব লাগে।
- খোজকঢ়, দৌৰা, সাঁতোৰা আদি দৈনন্দিন কাৰ্য্য তালিকাৰ অন্তৰ্ভূক্ত কৰিব লাগে।
- দৈনিক ফল-মূল খোৱাৰ অভ্যাস কৰিব লাগে।
- শৰীৰৰ লগতে মনৰ স্বাস্থ্য ভাল কৰি ৰখাত গুৰুত্ব দিব লাগে।
- বিহু সময়ত প্ৰকৃতিৰ লগত কটোৱা, বৃদ্ধসকলৰ সৈতে সময় কটোৱা, শিশুসকলৰ লগত শিশু হৈ কিছু আনন্দ কৰা- এইবোৰে মনক এনেদৰে সতেজ কৰি ৰাখে যে ই সুস্বাস্থ্যতো সু-প্ৰভাৱ পেলায়।
- দৈনন্দিন ১ গ্লাচ গাখীৰ খালে শৰীৰত প্ৰল্লেব নহয়।
- দৈনন্দিন ১২ গ্লাচ পানী খালে কোনোধৰণৰ ছালৰ ৰোগ নহয়।

৩ পৃষ্ঠাৰ পৰা

## ঐতিহাসিক পটভূমিত চেনিমৰা . . .

আৰু এজন নাগৰিকৰ কাঠফলা কল আছে, সেই ঠাই ফুটুকা, থৈলাঙনী, সৰু জোপোহা গছেৰে ভৰা আছিল। তাৰ মাজতে প্ৰকাণ্ড বৰগছ এজোপা। জাৰকালি নগা ভৈয়ামলৈ আহোঁতে তাতে ৰাতিটো কটায়হি। এবাৰ আমাৰ মানুহে নগাজাংকাৰ পৰা চাৰিখন গৰু গাড়ীত সুমথিৰা টেঙা আনি ৰাতি প্ৰায় ১০ মান বজাত চেনিমৰা ওচৰ পাইছেহি। এনেতে সেই হাবিখনৰ মাজত মানুহে খুব চিঞৰ-বাখৰ কৰিছে। কিন্তু মাত কথাবিলাক একো বুজিব পৰা হোৱা নাই। আমাৰ অসমীয়া মানুহৰ মাত নহয় যেন পাইছে। গাড়ীত থকা ৮ জনৰ চাৰিজনে লেম, দা, যাঠি আদি লৈ গৈ টাইডোখৰ পাই দেখে যে বহুত নগালোকে লেম, নাই, জোৰ নাই, এন্ধাৰে-মুধাৰে হাই-হুৰ কৰি কিবা বিচাৰিছে। তেওঁলোকক সুধিলত ক'লে যে সন্ধ্যা ভাত খাই কিছুমান বৰগছৰ তলত, কিছুমান জোপোহা গছৰ ওচৰতে শুই আছিল। কিহবাই মানুহ এটা লৈ গ'ল। মানুহজনে চিঞৰ এটাহে মাৰিব পাৰিলে। গাড়ীৰ মানুহকেইজনে বুজিবলৈ বাকী নাথাকিল যে মানুহজনক বনৰজাই নিলে। পাছদিনা চেনিমৰা চাহবাগানৰ মাজত আধা খোৱা মানুহটো পোৱা হ'ল। তাৰ পাছৰ পৰা নগালোক আহিলে তাত নাথাকি টোকোলাই গৱেষণা কেন্দ্ৰৰ পূৱফালে থকা চাপৰি এটাৰ কাষৰ বৰগছ এজোপাৰ তলত থাকিবলৈ ল'লে।

শিক্ষাৰ বিষয়তো চেনিমৰা অঞ্চল বৰ আগৰণুৱা আছিল। বৰ্তমানে থকা চিনামৰা হাইস্কুল, চিনামৰা কলেজ তাৰেই প্ৰমাণ। এই শিক্ষা অনুষ্ঠানৰ কথা ক'লে স্থানীয় এজন ব্যক্তি ৰায়বাহাদুৰ হৰি প্ৰসাদ বৰুৱাৰ কথা লিখিবই লাগিব। কাৰণ তেখেতেই ১৮৮৬ চনত ২৬ জন ছাত্ৰৰ সৈতে কৰঙাত প্ৰথম এখন এম. ই. স্কুল স্থাপন কৰে। সেই স্কুলখনৰ কাৰণে যোৰহাট টি কোম্পানীয়ে এডোখৰ মাটি দিলে। এই মাটিতে যোৰহাট টি কোম্পানীৰ খ্যাতনামা অধীক্ষক জে-বি-এইচ মিলাৰে, চি আই ই (Supt. J.B.H. Millar C.I.E.) দহ হাজাৰ টকা অনুদান দি স্থায়ী ঘৰ-দুৱাৰ সজাই দিয়ে। তেতিয়া তাৰ প্ৰধান শিক্ষক হৰিপ্ৰসাদ বৰুৱাই আছিল। ১৯১৮ চনৰ পৰা স্কুলখনৰ নাম (Millar M. E. School) ৰখা হয়। এই স্কুলখনৰ গইনা লৈয়ে বাকী শিক্ষা অনুষ্ঠানবিলাক গঢ়ি উঠিছে।

খেলা-ধূলাৰ ক্ষেত্ৰটো চেনিমৰা অঞ্চল পাছ পৰি থকা নাছিল। চিনামৰা ডায়েমণ্ড ক্লাব তাৰে এটা উদাহৰণ। ৰেব পোদ্দাৰ, জগত চন্দ্ৰ ফুকন, বদন চন্দ্ৰ বৰা আদি নামজ্বলা খেলুৱৈ এই চেনিমৰা অঞ্চলৰে। ডায়েমণ্ড ক্লাৱত খেলা ফুটবল খেলুৱৈ দই-চাৰিজনক এতিয়াও দেখা পোৱা হৈছে। গতিকে চেনিমৰা অঞ্চল বুৰঞ্জীৰে ভৰা।

*লেখক - টোকোলাই চাহ গৱেষণা কেন্দ্ৰৰ এজন প্ৰাক্তন কৰ্মচাৰী তথা এগৰাকী বনৌষধি গৱেষক, বুৰঞ্জীবিদ, বিহুকৃষ্টি বিশেষজ্ঞ আৰু নিবন্ধকাৰ। আমাৰ মহাবিদ্যালয়ৰপৰা আমাৰ সম্পাদনাতে এই প্ৰৱন্ধটি 'চিনামৰা' নামৰ আলোচনীত প্ৰকাশ হৈছিল। আঞ্চলিক ইতিহাসৰ প্ৰাসঙ্গিকতা আৰু বুৰঞ্জীপ্ৰসিদ্ধ এটা অঞ্চলৰ বিষয়ে ৰাইজক জনোৱাৰ উদ্দেশ্যে প্ৰৱন্ধটি পুনৰ প্ৰকাশ কৰা হ'ল। - সম্পাদক*

১৩ পৃষ্ঠাৰ পৰা

## দক্ষিণ যোৰহাট অঞ্চলৰ লেখকৰ দুখন উপন্যাস . . .

অতীতৰ স্মৃতিচাৰণ কেতিয়াবা নিতান্ত নিয়মমাফিক আৰু কেতিয়াবা উপযুক্ত তথ্যপাতি সংগ্ৰহ কৰাৰ এলাহৰ আধৰুৱা হৈ ৰয় ; নাইবা বহুতৰ নাম বাদ পৰি যায়। এনে প্ৰবন্ধপাতিৰ লেখকসকলে প্ৰবন্ধৰ শেষত নিতান্ত আন্তৰিকতাহীন বাক্য এটাৰে সামৰণি মাৰি (স্মৃতিৰ উদ্ধাৰ কৰি লিপিবদ্ধ কৰাৰ বাবে কোনো ব্যক্তিৰ নাম বাদ পৰি যাব পাৰে, তাৰ বাবে আমি দুঃখীত)প্ৰাতঃস্মৰণীয় সেইসকল লোকৰ চৰম অৱমাননা প্ৰকাশ কৰে।

নকলেও হ'ব যে, অসমৰ প্ৰায়সংখ্যক শিক্ষানুষ্ঠানৰ এইখনেই অলিখিত বুৰঞ্জী।

কৰঙা কমাৰ হাজৰিকা গাঁৱৰ লৱকুমাৰ দত্তৰ অন্তৰত যেন এনেকুৱা কথাবোৰে বাৰুকৈয়ে খুন্দা মাৰিছিল। সেইকাৰণে তেওঁ প্ৰবন্ধ বা স্মৃতিচাৰণমূলক লেখাৰ পৰিবৰ্তে উল্লিখিত ধৰণৰ বিষয়বস্তুৰে এখন উপন্যাস লিখাৰ পৰিকল্পনা কৰিলে। লিখি উলিয়ালে 'মনৰ মানুহ ' নামৰ অভিনৱ বিষয়বস্তুৰ এই উপন্যাসখন। অভিনৱ এই অৰ্থতেই যে, অসমৰ এটা গ্ৰাম্য অঞ্চলত এখন মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰ ত কিছুসংখ্যক বিদ্যোৎসাহী ব্যক্তিয়ে দেখুওৱা সাহস আৰু আৰু সংগ্ৰামৰ কাহিনীয়েই এইখন উপন্যাসৰ বিষয়বস্তু। সেইকাৰণেই সুখ্যাত ঔপন্যাসিক ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীয়ে এই উপন্যাসৰ জৰিয়তে অসমীয়া সাহিত্যত উপন্যাসৰ এটা নতুন ধাৰা আৰম্ভ হোৱা বুলি উল্লেখ কৰিছিল।

আনহাতে চিনামৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° বৰ্ণালী বৰঠাকুৰে উল্লেখ কৰিছে — 'এই অনুষ্ঠান আৰু অনুষ্ঠান গঢ়োতাজন সম্পৰ্কে লেখকৰ অন্তৰৰ সন্মান, কৃতজ্ঞতাবোধ আদিক 'মনৰ মানুহ' নামৰ উপন্যাসখনত প্ৰকাশ কৰিছে। এয়া দেৱতাৰ পূজা অৰ্চনাৰ অৰ্থে আগবঢ়োৱা নৈবেদ্য স্বৰূপ। যাৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত অঞ্চলটোৱে পোহৰৰ বাট দেখিছে, যাৰ নিস্বাৰ্থ প্ৰচেষ্টাত বহুজনৰ পেটৰ ক্ষুধা নিবাৰণ হৈছে সেইজন সঁচাকৈয়ে নমস্য ব্যক্তি। 'মনৰ মানুহ' উপন্যাসখনত ব্যক্তিগৰাকীৰ দক্ষতা, পাৰদৰ্শিতা আৰু সাংগঠনিক পাৰদৰ্শিতাৰো সুন্দৰ উদাহৰণ বৰ্ণনা সন্নিবিষ্ট হৈছে। উপন্যাসখন এখন ঐতিহাসিক উপন্যাস নহয় যদিও ইতিহাসক ধৰি ৰাখিব পৰা সময়োপযোগী উপন্যাস।'

একোটা অঞ্চলত কেৱল বিদ্যানুৰাগী,ভৱিষ্যদ্ৰষ্টা,সৎ নাগৰিকেই নাথাকে এনে লোকসকলৰ বিপৰীত বিন্দুত থিয় হৈ সকলো সৎপ্ৰচেষ্টাৰ বিৰোধিতা কৰা মানুহৰো অভাৱ নহয়। এনে বিৰুদ্ধবাদী শক্তিসমূহক প্ৰতিহত কৰি কৰি আগবাঢ়ি যোৱাৰ কাহিনীয়েই এইখন উপন্যাসৰো কাহিনী। সূৰ্য মহন্ত, সদানন্দ, হিৰন্ময়, উদয় , মণিমালা, পলি, অজয়ানন্দ আদিৰ একান্ত আত্মোৎসৰ্গৰ কাহিনীয়ে পাঠক সমাজৰ উৎকণ্ঠা ধৰি ৰখাত সহায়ক হৈছে। বিশেষকৈ উপন্যাসখনৰ আৰম্ভণি অতি আকৰ্ষণীয়। চি, এন,এম মহাবিদ্যালয়ৰ পূৰ্বৰ অধ্যক্ষগৰাকীৰ ৰাতি বুঢা ডাঙৰীয়াৰ বেশত মহাবিদ্যালয়খনলৈ আগমন আৰু কলেজৰ গেট, অধ্যক্ষৰ কোঠা আৰু পুথিভঁৰালৰ কোঠাৰ তলা নিজে নিজে খোল খাই যোৱা আদিৰ নিচিনা অতিলৌকিক শিহৰণকাৰী বৰ্ণনাৰে আৰম্ভ কৰা কাহিনীটো শেষলৈকে পঢ়িবলৈ স্বাভাবিকতেই যিকোনো পাঠক আগ্ৰহী হৈ উঠিব। অৱশ্যে অশুদ্ধ আখৰ-জোঁটনিয়ে মাজে মাজে পাঠকক আমনি নকৰাকৈ নেথাকে। দুই এটা বাক্যও সজাই পৰাই লিখাৰ প্ৰয়োজন আছিল। সি যি নহওক উপন্যাসখনৰ কাহিনী, চৰিত্ৰ-চিত্ৰণ আৰু বৰ্ণনাভংগীয়ে ঔপন্যাসিক লৱ কুমাৰ দত্তৰ প্ৰচুৰ সম্ভাৱনীয়তাৰ প্ৰমাণ দাঙি ধৰে। আশাকৰো শ্ৰীদত্তই এনে ধৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখিব। চৰৈবেতি। চৰৈবেতি।

# চিনামৰা মহাবিদ্যালয়ৰ উদ্যোগত বিগত সময়ছোৱাত অনুষ্ঠিত হোৱা বিভিন্ন অনুষ্ঠানৰ কেইটামান দৃশ্য

















## কাব্যক্ষেত্ৰত এভুমুকি

অৰিন্দম শইকীয়া

কাঁচিয়লী সুৰুজৰ ৰঙা পোহৰত  
উজ্জীবিত হওক চিনামৰা মহাবিদ্যালয়।  
এই যাত্ৰা হওক অস্থবিৰ  
হওক সুবৰ্ণময় . . .  
সংস্কৃতিৰ কঠীয়াতলি  
উন্নত বীজৰ প্ৰয়োভৰত জীপাল হওক  
মহাবিদ্যালয়ৰ সমন্বয় ক্ষেত্ৰ।  
অভাবী মনৰ স্বভাৱী কথাৰে  
আশাৰ উচ্চ শিখৰত বগাবলৈ সাহস পাওক  
সাংস্কৃতিক সুলভ মনেৰে ছাত্ৰ-ছাত্ৰীক জ্ঞানৰ পোহৰ বিলোৱাত  
সাহসৰ প্ৰেৰণা হওক শিক্ষাগুৰু সকল।  
জয়তু প্ৰতিস্থাপক মহোদয়।  
জয়তু চিনামৰা মহাবিদ্যালয়।




মুখ্য উপদেষ্টাঃ আনন্দ শইকীয়া

ড° অঞ্জন শইকীয়াৰ ব্যৱস্থাপনাত চিনামৰা মহাবিদ্যালয় প্ৰকাশনৰ হৈ আনন্দ শইকীয়াৰ দ্বাৰা প্ৰকাশিত আৰু পি, জি, ইণ্ডিয়া প্ৰাইভেট লিমিটেড, পুলিবৰ, যোৰহাট-৬ মুদ্ৰিত ঃ মুখ্য কাৰ্যালয় ঃ চিনামৰা মহাবিদ্যালয়, চিনামৰা, যোৰহাট-৮,
ফোন ঃ ৭৫৭৬৮৬৫৭০৮, ৯৪৩৫৭৩৮৬৪৫, ৮৬৩৮০৭৯৮৩২, ৯৪৩৫২৪৭৯৪৯
E-mail : editoryogabarta@gmail.com.

সম্পাদক ঃ ড° দ্বীপেন নাথ (অবৈতনিক)
কাৰ্যবাহী সম্পাদক ঃ তৰুণ শইকীয়া (অবৈতনিক)
সীমান্ত বৰা (অবৈতনিক)
সহঃ সম্পাদক ঃ তাপস কুমাৰ বৰুৱা, মনোজ কুমাৰ শৰ্মা, প্ৰতাপ চন্দ্ৰ শৰ্মা, বিপিন বড়া, (অবৈতনিক)